

কানৈ বাণিজ্য মহাবিদ্যালয় আলোচনী, ১৯৮০-৮১ চন।

সম্পাদক —

॥ শ্ৰীকমল চন্দ্ৰ চুতীয়া ॥

# কানৈ বানিজ্য মহাবিদ্যালয়

# আলোচনী

১৯৭৯—৮১ দশম সংখ্যা

সম্পাদক ঃ— কমল চন্দ্ৰ চুতীয়া

কানৈ বাণিজ্য মহাবিদ্যালয়
আলোচনী।

বছেৰেকীয়া প্ৰকাশ
দশম-একাদশ সংখ্যা।
১৯৭৯-৮১ চন।

প্ৰকাশক :
কানৈ বাণিজ্য মহাবিদ্যালয় ছাত্ৰ সন্থাৰ হৈ
শ্ৰীকমল চন্দ্ৰ চুতীয়াৰ
দ্বাৰা প্ৰকাশিত।

বেটুপাতৰ শিল্পী :
শ্ৰীতৰুণ হাজৰিকা।
" পোহৰৰ সন্ধানত "

ছপাওঁতা :
শ্ৰীজীৱেশ্বৰ হাজৰিকা
মনপুৰ প্ৰেছ, ডিব্ৰুগড়।

সম্পাদনা সমিতি : —
(তত্বাৱধায়ক) অধ্যাপক, ঘনশ্যাম অধিকাৰী
অধ্যাপক, মনমোহন দাস।
অধ্যাপক, দেৱৰঞ্জন দত্ত।

(ছাত্ৰ সদস্য) : — মদন ফুকন,
কলিন চেতিয়া, ঘনশ্যাম গগৈ,
নৰ কুমাৰ কোঁৱৰ, উজ্জ্বল হাজৰিকা।

সম্পাদনাত,
শ্ৰীকমল চন্দ্ৰ চুতীয়া।

# — উৎসৰ্গ —

" এই বছৰৰ আৰম্ভনিতে অ্যাপিছাকৈ অসমৰ দুজনা বিশিষ্ট ব্যক্তিৰ প্ৰয়াণ হ'ল : —

স্বৰ্গীয় বিষ্ণুৰাম মেধি ( ২১ জানুৱাৰী, বুধবাৰ, ৭ মাঘ ), স্বৰ্গীয় বেণুধৰ শৰ্ম্মা ২৬ ফেব্ৰুৱাৰী ১৯৮১ চন, বৃহস্পতি বাৰ, ১৪ ফাল্গুণ।

স্মৰণীয় যে, উভয়ৰ মৃত্যুৱে অসমৰ আকাশ মেঘাচ্ছন্ন কৰিলে, এটা যুগৰ অন্ত হ'ল। এই দুজনা মহান ব্যক্তিৰ মৃত্যুত অসমৰ ৰাজনীতি, সাহিত্য, ইতিহাস আৰু সংস্কৃতিৰ ক্ষেত্ৰত অপূৰণীয় ক্ষতি হ'ল।

লৌহ মানৱ ৰূপী বিষ্ণুৰাম মেধি আৰু বুৰঞ্জীবিদ বেণুধৰ শৰ্ম্মাৰ প্ৰয়াণ হলেও তেওঁলোকৰ যি দেশপ্ৰেম, কৰ্মপদ্ধতি আৰু কৰ্ম কুশলতা আমাৰ অনুপ্ৰেৰণাৰ সৌধ হওক।

# ।। তৰ্পণ ।।

দীৰ্ঘদিন ধৰি চলা অসমৰ পৰা বিদেশী
বিতাৰণ আন্দোলনত যি
সকল শ্বহীদ হ'ল,
যি সকল পঙ্গুহৈ
আজিও আই
মাতৃৰ
চৰণ পখালিবলৈ
আকুহৈ বাট চায়
আছে সেই সকলৰ
" প্ৰবিত্ৰ স্মৃতিত " আমাৰ এই
ক্ষুদ্ৰ প্ৰচেষ্টা তৰ্পণ কৰিলোঁ ।
তেওঁলোকৰ আত্মাই চিৰশান্তি
লাভ কৰক । "

# সূচী পত্ৰ


| | | | |
|---|---|---|---|
| ১। সম্পাদকীয় — | | | |
| **কবিতা** | | | |
| ২। শিকলি চিঙাৰ গান | শ্ৰীমনোজ হাতী বৰুৱা | — | ১ |
| ৩। অসম্পূৰ্ণ | শ্ৰীপ্ৰদীপ কুমাৰ সোনোৱাল | — | ২ |
| ৪। ঐতিহ্য | শ্ৰীকমল চন্দ্ৰ চুতীয়া | — | ৩ |
| ৫। স্বপ্ন নিশ্বমনৰ | শ্ৰীদুৰ্লভ হাজৰিকা | — | ৪ |
| ৬। অপ্ৰকাশ | শ্ৰীহেমেন মজুমদাৰ | — | ৫ |
| ৭। অশ্ৰুনদী | শ্ৰীভুবন গঁগৈ | — | ৬ |
| ৮। এটি সন্ধিয়া | শ্ৰীৰঞ্জিত বৰুৱা | — | ৬ |
| ৯। মোৰ দেশ সংগ্ৰামী দেশ | শ্ৰীমোহন চন্দ্ৰ মাজি | — | ৭ |
| ১০। সমবেদনা | শ্ৰীৰঞ্জিত শৰ্ম্মা | — | ৮ |
| ১১। উক্তি | শ্ৰীঅজিত গোহাঁই | — | ৮ |
| **প্ৰবন্ধ** | | | |
| ১২। নবীন উদ্যোগী আৰু উদ্যোগ পৰিচালনা | শ্ৰীনন্দ বৰ বৰা | — | ৯ |
| ১৩। আধুনিক শিল্প এক্সপ্ৰেছনিজম | মঃ চেহিদুৰ হাচান বৰা | — | ১৪ |
| ১৪। সমাজৰ প্ৰতি ব্যক্তিৰ দায়িত্ববোধ | শ্ৰীটঙ্কেশ্বৰ চাংমাই | — | ১৫ |
| ১৫। উদ্যোগীক বিকাশৰ পৰিচালনাৰ ভুমিকা | অধ্যাপক এচ, আগৰৱালা | — | ১৭ |
| ১৬। ককৰা যোজনা | শ্ৰীদেবেন্দ্ৰ নাথ গঁগৈ | — | ২১ |
| ১৭। অসমৰ সাম্প্ৰতিক গণ আন্দোলনত ভাৰতীয় ৰাজনীতি দলবোৰৰ ভুমিকা | শ্ৰীবিৰাজমোহন দত্ত | — | ২৩ |
| ১৮। অসমীয়া সাহিত্যলৈ শ্ৰীমন্ত শঙ্কৰ দেৱৰ অৱদান — | শ্ৰীমতী ৰুমী দেৱী | — | ২৬ |
| **গল্প** | | | |
| ১৯। নিষ্ঠুৰ | শ্ৰীহিৰণ্য কুমাৰ নেওঁগ | — | ২৯ |
| ২০। ছুটি জীৱন | শ্ৰীমোহন ৰাজকোঁৱৰ | — | ৩৫ |
| ২১। সেইদিনটো | শ্ৰীকমল চন্দ্ৰ চুতীয়া | — | ৪১ |
| ২২। চুপি | শ্ৰীৰূপেশ্বৰ ভূঞা | — | ৪৭ |
| ২৩। সাধাৰণ সম্পাদকৰ প্ৰতিবেদন | শ্ৰীউৎপল হাজৰিকা | — | ৫১ |
| ২৪। জন কল্যাণ আৰু সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন | শ্ৰীবিপুল বৰা | — | ৫৫ |
| ২৫। Results of Cultural Competition | | — | ৫৭ |
| ২৭। Result of the Gymnastic Competition | | — | ৫৮ |
| ২৮। জিবনী কোঠা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন | শ্ৰীহৃলাল সোনোৱাল | — | ৬০ |
| ২৯। Results o the Indoor Games | | — | ৬১ |
| ৩০ সঙ্গীত শাখাৰ প্ৰতিযোগীতাৰ ফলাফল | | — | ৬২ |



# সম্পাদকীয়

শিক্ষাৰ ভুমিকাঃ —

মানুহেই হ'ল বিশ্বৰ চালিকা শক্তি। এই মানৱ-শক্তিৰ সৰ্বাঙ্গীন উন্নতিৰ নিৰ্ভৰ কৰে শিক্ষাৰ ওপৰত; কিয়নো, শিক্ষা হ'ল মানৱ জাতিৰ মেৰুদণ্ড স্বৰূপ। মেৰুদণ্ডহীন প্ৰাণী যিদৰে আত্ম-নিৰ্ভৰশীল হ'ব নোৱাৰে; ঠিক সেইদৰে শিক্ষা বিহীন এটা জাতিয়ে কেতিয়াও উন্নতি কৰিব নোৱাৰে। গতিকে এখন দেশৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক জীৱনৰ গঢ় সৌধ নিৰ্মাণৰ মূলতে হ'ল শিক্ষা। ই জাতিৰ জীৱনী শক্তি, মৃতপ্ৰায় একোটা জাতিৰবাবে সঞ্জীৱনী সুধা স্বৰূপ।

"মানুহৰ জীৱনৰ যৱনিকা অন্ত নেহোৱা-লৈকে শিক্ষাৰ বা জ্ঞানৰ অন্ত নাই। জন্মৰ পৰা মৃত্যুৰ আগমূহূৰ্তলৈকে যি শিক্ষা পোৱা যায় সেয়ে শিক্ষা!" সেয়ে কোৱা হয় " Education Strats in brith and end in death." সচাঁকৈ শিক্ষা মানৱ জীৱনৰ আধাৰ স্বৰূপ। শিক্ষাৰ অবিহনে আজিৰ জগতে ইমান ঐশ্বৰ্য্য বিভূতিৰ গৰাকী কৰি গঢ়ি তুলিব নোৱাৰিলে-হেঁতেন। শিক্ষাই জীৱনৰ পূৰ্ণ বিকাশ ঘটাই, দেশ প্ৰগতিৰ পথত আগবঢ়াৰ লগে লগে মানৱ মনৰ প্ৰসাৰতাৰ হেঁচাত শিক্ষাই বাগৰ সলাইছে। এই ভ্ৰাম্যমান জগতত শিক্ষাৰ মূল লক্ষ্য হ'ল, আত্ম নিৰ্ভশীল হোৱা। জীৱন যাত্ৰাত এই পূৰ্ণাঙ্গ অৱস্থাৰ ৰূপ দিবলৈ হ'লে দেশৰ মেৰুদণ্ড স্বৰূপ ছাত্ৰ ছাত্ৰী সকলক সৰুৰে পৰা আত্মনিৰ্ভৰশীল-তাৰ জ্ঞান দিয়াটো অপৰিহাৰ্য্য।

এটা জাতিক পূৰ্ণাঙ্গ গঢ় দিবলৈ সেই জাতিৰ সংস্কৃতি, ক'লাকৃষ্টি, পৰম্পৰাগত চলি অহা বিভিন্ন ব্যৱসায়িক জ্ঞানেই জাতিৰ ঐতিহ্য আৰু সমাজ দৰবাৰত মুৰ দাঙি চিনাকী দিব পৰা মূল ইন্ধন। "সংস্কৃতি" বোলোতে তাহানি অনাৰ্য্য সকলৰ দিনৰ পৰা মানৱ মনৰ ক্ৰম বিকাশ, আচাৰ-নীতি সাজ-পোছাককে বুজায়।

সম্প্ৰতি আন্দোলনৰ এটি দিশঃ —

আন্দোলনৰ আন এটা নাম সংগ্ৰাম।

আৱহমান কালৰে পৰা মানুহে নানা দিশত ব্যক্তিগত ভাৱে বা ঐক্যবদ্ধ ভাৱে সংগ্ৰাম কৰা উদাহৰণ বিৰল নহয়। অন্ন, বস্ত্ৰ, বাসস্থানৰ প্ৰয়োজনীয়তাৰ বাবে মানুহে দিনে নিশাই সংগ্ৰাম কৰিছে। ইয়েই জীৱন সংগ্ৰাম। বৰ্ত্তমান অসমৰ আন্দোলনো সেই দিশৰ পৰা এৰাই আহিব নোৱাৰে।

বৰ্ত্তমান অসমত সমগ্ৰ ৰাজ্য জুৰি এক ব্যাপক গণ আন্দোলন চলি আছে। এই গণ আন্দোলনৰ কাৰণ হ'ল অসমলৈ দীৰ্ঘকাল ধৰি বিদেশী বহিৰাগত জনস্ৰোত বৈ আহিছে; এই প্ৰব্ৰজনে সম্প্ৰতি অসমৰ বাসিন্দা সকলৰ ভাষিক আৰু সাংস্কৃতিক পৰিচয় নোহোৱা আকাংখাই দেখা দিছে। খিলঞ্জীয়া অসমীয়া জাতিৰ অস্তিত্ব আজি বিপদাপন্ন হৈছে।

বৃহৎ অসমীয়া জাতিৰ এই সংকট পূৰ্ণ অৱস্থাত বিদেশী বহিৰাগত সোঁত প্ৰতিৰোধক দিয়াতো চৰকাৰ আৰু দেশবাসীৰ প্ৰধান কৰ্ত্তব্য। নহলে এনে এটা সমৃদ্ধিশালী জাতি পৃথিবীৰ বুকুৰ পৰা নিশেষ হৈ যাবলৈ বেছি দশকৰ প্ৰয়োজন নহব। অসমীয়া জাতিৰ ৰবি অস্ত আকাশত অচিৰেই ডুব যাব!

প্ৰসঙ্গক্ৰমে উল্লেখনীয় যে, এনে এটা দেশৰ চৰম বিপৰ্যয়ৰ সময়ত চৰকাৰে আগবাঢ়ি নাহি দেশবাসীৰ যুৱক-যুৱতী, ছাত্ৰ ছাত্ৰীৰ ওপৰত অপি দিয়াতো চৰকাৰৰেই দুৰ্বলতাৰ সাক্ষ্য।

ফলত এটা শিক্ষা বছৰ কলংকিত কৰি ছাত্ৰ ছাত্ৰী সকলৰ সামগ্ৰিক শিক্ষা-জ্ঞানৰ বাধা প্ৰদান হ'ল। দেশৰ দুৰ্দিনত দেশবাসীয়ে আগবাঢ়ি অহাটো নিতান্তই জৰুৰী। অসমবাসীৰ দুৰ্দশাগ্ৰস্ত অভাৱ-অনাটনৰ সময়ত ছাত্ৰ-সমাজে প্ৰতি পদক্ষেপতে মাত মাতি আহিছে আৰু আহিব। সেয়েহে, সদৌ অসমৰ ছাত্ৰ ছাত্ৰীক লৈ তাহানি গঠিত হোৱা অৰাজনৈতিক ছাত্ৰ সংগঠন "সদৌ অসম ছাত্ৰ-সন্থা" নামৰে ছাত্ৰৰ ঐক্যবদ্ধতাৰ সাক্ষীবহন কৰি আহিছে। বৰ্ত্তমানেও বিদেশীৰ কৰাল গ্ৰাসৰ পৰা নিজৰ মাতৃভূমিক ৰক্ষা কৰিবলৈ সুদীৰ্ঘ এইলেখা লিখলৈকে ১৫ মাহ (পোন্ধৰ মাহ) সংগ্ৰাম কৰি আহিছে।

বৰ্ত্তমান সময় জৰ্জৰিত অসমক ৰক্ষাকৰা উপায় ঐক্য-বৰ্দ্ধন হোৱা। এই সন্ধিক্ষণত বহুতো আবাল-বৃদ্ধ-বণিতাকে আদি কৰি সকলো প্ৰকৃত অসমীয়াই আগবাঢ়ি আহিছে। আইৰ বাবে সংগ্ৰাম কৰিবলৈ যাওঁতে তেওঁলোকৰ নশ্বৰ দেহা বিসৰ্জন দিব লগাত পৰিছে আৰু কিছুমান আজীৱন পঙ্গু হৈ কণ গণিব লাগিছে।

তেওঁলোকৰ এই কৰুণ বিননি আজি প্ৰতিজন অসমৰ নতুন পুৰুষে উপলব্ধি কৰিব লাগিব। আমি মনত ৰখা উচিত যাতে আমাৰ লক্ষ্য চ্যুত নহয়। আমাৰ পৰিচয় হব "আমি অসমীয়া" আমাৰ মূল লক্ষ্য হব "অসমৰ সৰ্বাংগীন উন্নতি সাধন" আৰু আমাৰ আদৰ্শ হব "জননী জন্মভূমিশ্চঃ স্বৰ্গাদপি গৰিয়সী"।

**মহাবিদ্যালয়ৰ এটি সাংস্কৃতিক দিশঃ —**

অতি লজ্জিতাৰ কথা যে আমাৰ মহাবিদ্যালয় স্থাপন হোৱা আজি ২০ (বিশ) বছৰ হৈছে, কিন্তু আজি পৰ্যন্ত সাংস্কৃতিক দিশ এটা

পৰালৈ যুটিল। এবছৰত নিয়ম ৰক্ষা কৰিবৰ বাবেহে যেন এবাৰ বিতৰ্ক, কবিতা, আৰু সংগীত নাটক অনুষ্ঠিত কৰা হয়, কিন্তু কলা বিহীন শিক্ষা মানৱ জীৱনৰ সংকীৰ্ণ এটা দিশহে পৰিস্ফুত কৰে। সেয়েহে অধ্যাপক মহোদয় আৰু ছাত্ৰ-ছাত্ৰী সকলৈ মোৰ বিশেষ নিবেদন যাতে মহাবিদ্যালয়ৰ এইটো দিশৰ কথা চিন্তা কৰি বছেৰেকত কমেও দুবাৰ সাংস্কৃতিক আলোচনা চক্ৰ অনুষ্ঠিত কৰে।

আলোচনীখনৰ প্ৰতি :—

এখন সৰ্বাঙ্গ সুন্দৰ আলোচনীৰ বাবে জন বল আৰু ধনবল দুয়োতাৰে বৰ প্ৰয়োজনীয়। ইয়াত জনবল হৈছে ছাত্ৰ-ছাত্ৰী ও অধ্যাপক, অধ্যাপিকা সকলৰ, আলোচনী খনৰ প্ৰতি মনোযোগ নিৰন্তৰ। কিন্তু আমাৰ মহাবিদ্যালয়ৰ তেনে সুহৃদয়তাৰ অভাৱ পৰিলক্ষিত হয়। অন্যহাতে আলোচনীৰ বাবে যি "আলোচনী মাছুল" ( Magazine fees ) লোৱা হয় সি এখন উক্ত মানদণ্ডৰ কথাই নাই এখন সাধাৰণ আলোচনীৰ বাবেও উপযুক্ত নহয়। এই বিষয়ে আগৰ কেইবাজনো সম্পাদকে উত্থাপন কৰিছে, মই মাত্ৰ তুইঁকিছো আগন্তুক আলোচনী সম্পাদকে যাতে এই কাম সমাধা কৰে। আমাৰ যোজনা এইবাৰৰ সমগ্ৰ পৰিস্থিতি "আলোচনীৰ নহয় সিদ্ধি বাটৰ আসৰ কণা বিধি"। ইয়াতু এই কীৰ্তি আমাৰ গাতে কলিয়ালে। কাৰ্যকৰী সমিতিৰ উপদেষ্টা অধ্যাপক সকলক অনুনয়-বিনয়, জাননী পত্ৰাদিৰে কেইবাৰমো আমন্ত্ৰণ জনোৱাতও অৱশেষত "ছাত্ৰ একতা সভাৰ কাৰ্যকৰী সমিতিৰ" দলীয় ফটোখন লব পৰা নগ'ল। ফলত এই বাৰৰ বাবে এটি নতুন প্ৰচেষ্টাৰে প্ৰতিজন সদস্যৰ প্ৰতিবেদনৰ সন্মুখত তেখেতলোকৰ প্ৰতিছবি দিয়া পৰিকল্পনা কৰিছিলো। আপাততঃ সিও ফলৱতী হৈ নুঠিল। এই ক্ষুদ্ৰ প্ৰচেষ্টাৰ দুখ ত্ৰুটিও পাঠক সকলৰ হাততেই।

লেখেকি সুটলা :—

আলোচনীখন সম্পাদনাৰ কামত ও প্ৰকাশৰ বাবে, শিক্ষা-গুৰু আৰু ছাত্ৰ-ছাত্ৰী সকলৰ পৰা পোৱা নানা উপদেশ/পৰামৰ্শ সহায় সহযোগ নোপোৱা হলে, হয়তু আজি এই ওলগ কোনোদিনেই লবলৈ নাপালো - হেতেন।

প্ৰাচাৰ্য, অধ্যক্ষ মহোদয়কে আদি কৰি বহুকেইজন অধ্যাপকে তেখেতলোকৰ সীমিত সময় কনত আজৰি উলিয়াই এই আলোচনীলৈ প্ৰকাশৰ বাবে একোটি প্ৰবন্ধ সম্পাদকৰ হাতত দিয়া বাবে তেখেতলোকলৈ মোৰ শত সহস্ৰ প্ৰণাম যাচিলো।

লগতে ছাত্ৰ বন্ধু সকলে আলোচনীৰ ভিতৰ চ'ৰা বনদি আলোচনীখন জীপাল কৰি তুলি যি সহায় কৰিলে সি তুলনাতীত।

' ধাতেক কোঠো প্ৰণাম :—

আলোচনী সম্পাদকৰ দৰে গধুৰ দায়িত্ব এটা এই অভাজনক লবলৈ সুবিধা দিয়া বাবে ছাত্ৰ ছাত্ৰী বৃন্দলৈ মোৰ হিয়াভৰা ওলগ জনালো। মোৰ সীমিত জ্ঞানৰ বাবে আলোচনী খনৰ ভুল ভ্ৰান্তি থাকি যোৱাটো কোনো অস্বাভাৱিক নহয়।

সু-হৃদয়, পাঠক পাঠিকা সকলে এই আসোঁৱাহ বোৰ আঙুলিয়াই দিলে নৰ্থৈ কৃতাৰ্থ হম।

আলোচনীৰ বাটকটীয়া পূজনীয় অধ্যক্ষ (অধ্যাপক) মনমোহন দাস, ঘণশ্যাম অধিকাৰী এল, এন, পাঠক, দেববঞ্জন ধৰ, দেৰলৈ মোৰ সহস্ৰ প্ৰণাম জনালো। ছাত্ৰ-বন্ধু কলিন চেতিয়া, ঘণশ্যাম গগৈ, মদন ফুকন, তৰুণ হাজৰিকা আদিয়ে সকলো সময়তে সহায় কৰি মোৰ ঋণৰ বোজা দুগুণে বঢ়ালে। অতি কম সময়ৰ ভিতৰতে মনপুৰ প্ৰেছে আলোচনীখন প্ৰকাশ কৰি দি ' বাবে ছপাশালৰ স্বত্বাধিকাৰ শ্ৰীযুত জীৱেশ্বৰ হাজৰিকা আৰু তেখেতৰ কৰ্ম্মকৰ্তা সকললৈ আন্তৰিক অভিনন্দন থাকিল।

ক্ষমা প্ৰাৰ্থনাঃ —

দীৰ্ঘ দিনীয়া আন্দোল ৰ ফলত
উপযুক্ত সময়ত প্ৰৱন্ধ পাতি নোপোৱাত অ
চনীখন প্ৰকাশত বিলম্ব ঘটিল। সদৌটি
অপৰাধ ক্ষমা কৰে যেন।

শেষত বাণিজ্য মহাবিদ্যালয়ৰ
কামনা কৰিলোঁ।

" জয় আই অসম "

সেৱাৰে

শ্ৰীকমল চন্দ্ৰ ছুতী

আলোচনী সম্পাদক।

কানৈ বাণিজ্য মহাবিদ্যালয়, ডিব্ৰুগড়।

১৯৭৯-৮১ চন।



# শিকলি চিঙাৰ গান

শ্ৰীমনোজ হাতী বৰুৱা।
স্নাতক চূড়ান্ত মহলা

ঈশ্বৰৰ সন্তান, মই সৈনিক, কৃষক মই
বাওঁ হাল, শস্য চপাওঁ কোনে নেজানে ?
অস্তিত্বৰ বাবে কৰো ৰণ,
বুকুপাতি ৰণ চালি ধৰোঁ
সমৰ স্থলীত।
নেজানো কাৰ তেজেৰে ৰাঙলী হ'ল
আই তোমাৰ বুকুত
বিস্তৃত প্ৰজন্মৰ ঢৌ শঙ্কৰ শিহৰণ
ধাৰাবাহিকতা, অবিচ্ছিন্নতা
তথাপি শিকলী চিঙাৰ গান শেষ হোৱা নাই;
আমি পথভ্ৰষ্ট হোৱা নাই।
ৰজাৰ পোৱালী, আমি কৃষক
হাচুক মাটি তেজক পানীকৰা
বাওঁ হাল ৰজাৰ আদেশ ;
শস্য চপাওঁ কোনে নেজানে ?
ফিংক্স মৰিও অমৰ হয়
টিপ্লিং বৈ যায় দুৰ্দান্ত গতিত,
তেজৰ ধাৰেৰে
তথাপি আমাৰ জীৱন গতানুগতিক,
আখৰাৰ তেজেৰে ৰাঙলী হয়
সমৰ স্থলী।
অস্তিত্ব শিকলি মাথোঁ
আইৰ তপত চকুলো কৰবৰ উম
হয় — মই আজি সৈনিক কৃষক
কৰো ৰণ অস্তিত্ব সংগ্ৰাম, বাওঁ হাল
শস্য চপাওঁ কোনে নেজানে।
মাথো আমি গাই যাওঁ
শিকলি চিঙাৰ গান।

# অসম্পূর্ণ

ঃ প্ৰদীপ কুমাৰ সোনোৱাল
স্নাতক ১ম বাৰ্ষিক

নিশকে নিৰৱে আঙুৰাই গ'লো৷
জীৱনৰ আন্ধাৰ বাটত,
আহিয়েই দেখো জীৱন লগৰী
থিয় দিলে নিচেই কাষত।
জীৱন মৰুত মৰীচিকা দেখি
ঘূৰিছিলো অনাই বনাই,
আশাৰ কামনাৰ সপোন ৰচি
যাওঁ মই নিতে আঙুৰাই।
হৈছে বিয়াকুল হিয়াখনি মোৰ
কাৰোবাক পোৱাৰ আশাই,
হৃ মুনিয়াহেৰে জীৱন লগৰী
দেহ মন জ্বলি পুৰি যায়।
নোপোৱাৰ বেদনাকে গভীৰ বুলি
কৰিছিলো বহুত কামনা,
নিয়তিৰ পৰিহাস অপৰূপে
মনে কৰা বহুত বাসনা।
সময়ৰ গতিৰে উটি আহি গৈ
পালো মই তোমাৰ মৰম।
তৃদিনীয়া দিন মাথো আকোৱালী
ভাবিছিলো গঢ়িম জীৱন।
তোমাৰ কাৰণে দিলো হিয়াখনি
সাঁচি ৰখা ভাল পোৱা মোৰ,

পাহৰি যাবলৈ তুমি কিয় ল'লা
জুই দিবা হৃদয়ত মোৰ।
মোৰ অবিহনে জীৱন বৃথা
তুমিনো মোক কিয় কৈছিলা ?
বিদায় সম্ভাষণে মোক পাহৰি
অন্তৰত অগনি জ্বলালা।
সময় সোঁতত দেখো অন্ধকাৰ
নাই কোনো পোহৰৰ চিন,
অন্তৰতে প্ৰদীপ জ্বলাইছিলা
ভাবিছিলো পাম চিৰদিন।
তোমাক আদৰি যেন পালো স্বৰ্গ
আজি কিয় এনে দশা হ'ল ?
বিদায় গতিৰে মোক স্তম্ভিলা
মাথো জীৱনত স্মৃতি ৰ'ল।
কিয় তুমি গ'লগৈ আঘাত হানি
কৰি মোক অকল শৰীয়া,
হিয়াৰ জুৰেৰে নিজানত বহি
চকুলো যে টুকোঁ তুপৰীয়া।
ঘূৰি অহিবনে দিনবোৰ মোৰ
এদিন বাক আকৌ কাষলৈ ?
নাহিলে সেই দিন অতি আশাৰে
গতি কৰিম মৃত্যু দেশলৈ।

# " ঐতিহ্য "

শ্ৰীকমল চন্দ্ৰ চুতীয়া ।
স্নাতক চূড়ান্ত মহলা,
( দিবা বিভাগ )

জেঠৰ বৰ খৰত
আহুঁকৈকে কোঁছাই ধুতি
পথাৰত কাম কৰা
কৃষক মই ।
মোৰ ঘামাক্ত হৃদয়ত
শুনীয়া চমনি বান্ধে
মহাজনৰ সৌকাৰ কোবৰ দৰে
মোৰ কঠোৰা দেহত ।
তথাপি — মোৰ লক্ষ্য
ধান বোৱা, মৈ দিয়া; জাব শুছোৱা ?
বঁদ বৰষুণে আমাক নোৱাৰে টলাব
কিয়নো, আমি দেশৰ মানুহ
খামি ডাঠ লাচিতৰ দেশৰ মানুহ
তামুলী মোমাই বংশধৰ মানুহ ।
আজিও বিভিন্ন ই বুঢ়া লুইতে
কাল প্ৰবাহৰ সাক্ষী দিয়ে
জীৱন জুৰি সংগ্ৰাম কৰা
অভাৱ অনাটনৰ তাড়নাত
কচুশাক খাই জীয়াই থকা
আমি সেই দেশৰ মানুহ
পথাৰত সোণগুটি নদন-বদন
পুখুৰীত মৎস্য আৰু
বাৰীত উভৈনদী শাক পাচলি
সকতে পঢ়া শালীত পঢ়া
" শুনি আমাৰ গাওঁখনিত ; "
এদোন ধানত এপাছি মাছ
সাঁথৰ সাঁথৰ লাগে ॥
ভাবো এতিয়াও এবাৰ
সেইদিন আহিবনে ঘূৰি ?
অহোৰাত্ৰি কাম কৰা কৃষক মই,
কামৰ বিনিময়ত পাওঁ কি ?
গুটি ধানৰ বদলি দিয়ে ?
ছটা মান টকা ?
দেহা খাটি কৰা অঁত পৰিশ্ৰমৰ
কেইটা মান টকাই
জোখিব খোজে ?
আমাৰ দেহৰ মূল্য নাই
শোষকৰ দেশৰ
সৰ্ব্ব হাৰাৰ দেহৰ ।
অবাহমান কালাল পৰা
কৃষিজীৱি আমি কৃষক,
আমাৰ উন্নতি নাই
কিয়নো ! আমি শোষণৰ বাঘজৰী
ধৰি হাত থওঁ নাঙলৰ মুঠিত ।
মেট মৰা বোজা আমাৰ প্ৰাপ্য ?
যদিওবা আমি কৃষক
আমি বৃহৎ জাতি
" জয়গান গাওঁ ধৰি নাঙলৰ মুঠিত । "

# ঃস্বপ্ন নিস্বমনৰঃ

শ্ৰীদুৰ্লভ হাজৰিকা।
প্ৰাক স্নাতক ২য় বাৰ্ষিক

মোৰ তিক্ত শূন্যতাত
কুঁৱলীৰ জলা কালি ;
অনিশ্চিত নিহাৰীকা পথেদি
নতুন মনটো যদিও বাগৰি যায়
তথাপি,
এপলক থমকি ৰয়
দুস্কৃতিৰ অভিনৱ নিস্কৃতিৰ
কুৰি শতিকাৰ সোঁ-মাজত।
অগ্নিময় ভাস্কৰৰ ছবি দেখি
সমস্ত সত্বা (ও) যেন (পৃথিবীৰ),
অগ্নিময় ভাস্কৰ হৈ উঠিছে
এয়া যেন বিপ্লৱৰ এক নতুন সংজ্ঞা (দেখিছো)
যিটো, আকাশ প্ৰসাৰী আত্মাৰ বিলনীয়ে
মোক থৰ থৰ কৈ কঁপাইছে॥
মই দেখিছো
ধৰণীৰ বুকুৰ পৰা খেদাবলৈ
উৎপীড়ন, প্ৰৱঞ্চনা, অন্যায় আৰু অত্যাচাৰ
এক জ্বলন্ত পোহৰে খেদি আহিছে,
সি ছবি আগতে
কাহানিও কেতিয়াও ;
দেখা নাই
আৰু
(ভাবিবলৈ) চাবলৈ চেষ্টাও কৰা নাই॥

# অপ্ৰকাশ

হেমেন মজুমদাৰ
স্নাতক ২য় মহলা

দীপ —
টিমিকি টিমিকি জ্বলি,
মৌনতাৰে মৌলিৰে অলাই দিয়া —
মোৰ স্মৃতি
নীৰৱে অতি নীৰৱে।
আৰু ধূপৰ ধোৱাৰে
মেঘৰ ধৱল পালত
মিলি ৰম মই
তোমাৰেই অন্তহীন জ্যোতিত।

জুৰি —
লয়লাস ভঙ্গীৰে
পাৰত তৰঙ্গৰ ধ্বনিৰে থনক লগাই
বৈ থকা তুমি
নীৰৱে — !
মোৰ স্মৃতিত,
— তোমাক বিচাৰি চাম
ধৱল মেঘত — ।
পথাৰৰ সেউজী ধাননিত
আৰু বগুকাৰ ৰেখা যেদি
পাৰহৈ যোৱা —
বগলীৰ পাখীৰ কৰ্ণনিত।

পূৰ্ণেন্দু —
তুমি বিলাই থাকা
নীৰৱে — !
তোমাৰ শীতল জ্যোতিৰে
আলোকিত কৰা —
মোৰ,
ককৰা হিয়াৰ স্মৃতি।

সপোন —
তুমি সুপ্ত থাকা
নীৰৱে !
তোমাৰ কল্পনাত আদৰি আনা
মৃগাক্ষী সময়াৰ স্মৃতি ;
বুকুত মুক বেদনাৰ হলাহল লৈ
তোমোক বিচাৰি যাম
— চকুৰে নেদেখা
অন্ধাৰতীত — ।

# অশ্রু নদী

শ্ৰী ভূবন গগৈ
প্ৰাক্-স্নাতক দ্বিতীয় বাৰ্ষিক
(দিবা) ১৯৭৯-৮০ চন

এখন নদী
সহস্ৰজনৰ চকুৰ মণিয়েদি
বৈ থকা
এই খন মায়াৰ নদী
এই নদীৰ পানী বৰ উত্তপ্ত
বৰ পবিত্ৰ।
এই নদীৰ পাৰত ভৰি দি
গম পাব পাৰি জানো
এই নদীৰ গভীৰতা,
মই সাঁতুৰিছো এই নদীত
সেয়ে বুজো এই নদীৰ গভীৰতা।
এইখন নদী ব্ৰহ্মপুত্ৰতকৈও বহল
গঙ্গাতকৈও বহল 'দ' —
মানুহৰ দুৰ্ব্বাৰ শক্তি,
এই নদীৰ পাৰত
নিঃ শেষ হৈ গৈছে
শিশুৰ ক্ৰন্দন —
অসহায় আৰ্তনাদ
ইয়াতে ধ্বনি-প্ৰতিধ্বনি
ক্ষণৰ ঢৌত (চক্ৰত) হৈছে বিলীন
সহস্ৰজনৰ মায়াৰ নদী।

---

# এটি সন্ধিয়া

শ্ৰী ৰঞ্জিত বৰুৱা।
স্নাতক মহলা

গুৰুত্বপূৰ্ণ এটি
সন্ধিয়া আৰু
বৰফ ভাৰু পাহাৰৰ মাজেৰে
মহাসাগৰক অতিক্ৰম কৰি,
দেখা দিছে বুঢ়াবেলিটোৰ
স্বৰ্ণ দীপ্ত পোহৰে।
সেয়া দেখা গৈছে
সোণোৱালী আহাৰৰ
গা তেনেই উদং,
সিহঁতৰ বৰু আকাশলৈ
ঈমান মমতা,
ইমান বাতাত কিয়?
উৰণীয়া দুটি পখী
প্ৰেমৰ বান্ধোন হিঁচি
দেখা দিছে সুদূৰ পশ্চিমত,
ডাৱৰৰ আৰে আৰে
গাখীৰ ফেনৰ দৰে
চিতাচিত হৈ যায়
দুৰ্বনিৰ প্ৰান্তৰত॥
তথাপিও —
সিহঁত কিন্তু,
এক আশাবাদী ভৱিষ্যত,
আৰু —
এটা গুৰুত্বপূৰ্ণ সন্ধিয়াৰ
পিছ মুহূৰ্তত শুকৰ সমাগত।

---

# মোৰ দেশ সংগ্ৰামী দেশ

শ্ৰীমোহন চন্দ্ৰ মাজি
দ্বিতীয় বাৰ্ষিক প্ৰাক্‌স্নাতক
( সহায়ৈলে লিখা )

বিদেশী বহিস্কাৰৰ দেশ অসমদেশ
উত্তৰে নেপাল, দক্ষিণে বাংলাৰ,
শতশত। বিদেশী উজনিৰ বেলেৰে বাগৰে
ঠায়ে ঠায়ে সাজে ঘৰ কত গমুতি ঘৰ
সুন্দৰ অসমত বিদেশীৰ ঘৰ।
সেই বাবে মোৰ বাবে সংগ্ৰাম আপোন
যি সংগ্ৰামে বাৰ মাহ ধৰি,
অসম বাসীয়ে বাৰে বাৰে কৰিছে
বিদেশী খেদাৰ।
বহিস্কাৰৰ দাবীত কত যুবক যুৱতীয়ে
জীৱনক কৰিছে তুচ্ছ
জননীক কৰিছে উচ্চ।
সেই মানুহৰ দেশ
মোৰ এই অসম দেশ।
অহৰহ আহি আছে বিদেশী সকল
যাৰ অসমত উন্নতিহে হ'ল।
কিন্তু এইদৰে নহব লাগি
অসমক এৰিব লাগিব
যাবই লাগিব মেলানি মাগি।
সংগ্ৰামৰ আকুল আহ্বানে
বাৰে বাৰে মাতিছে আমাক।
উত্তৰ কামৰূপ, ভবানীপুৰ, ছুলিয়াজানৰ
মাটি সেমেকাই,
আমি সংগ্ৰাম কৰিছো গ্ৰহণ।
কেন্দ্ৰীয় চৰকাৰে মাতিছে আমাক।
আমি তাৰ আমন্ত্ৰণ প্ৰত্যাখান কৰা নাই।
সেইবাবে নতুন সংগ্ৰাম এইয়া
ৰাজ আলিয়ে আলিয়ে
বিদেশী বহিস্কাৰৰ শ্লগান,
পিকেটিং গাঁৱে ভূঁয়ে, চহৰে নগৰে।
নৱ নৱ সংগ্ৰামৰ স্বপ্ন ছুচকুত
যুৱক - যুৱতীৰ,
বাহিৰ হোৱা বিদেশী
এয়ে দাবী আমাৰ।
সাজু হোৱা সংগ্ৰামী সকল
আকৌ সংগ্ৰাম বিদেশী বহিস্কাৰৰ বাবে
স্বদেশ ৰক্ষাৰ বাবে।
আকৌ আহিছে শুনা সংগ্ৰামৰ উদগ্ৰ আহ্বান
যি সংগ্ৰাম এবছৰ ধৰি কৰিছে অসমবাসীয়ে
সেই আহ্বান কোনে নেওচিব পাৰে ?
জয় আই অসমক ৰাখিব লাগিব
এইখন অসমীয়াৰ দেশ,
এইখন শহীদৰ দেশ
এইখন মৰমৰ দেশ

# সমবেদনা

শ্ৰীৰঞ্জিত শৰ্ম্মা
স্নাতক প্ৰথম বাৰ্ষিক
১৯৮০ চন

জীৱনৰ নাওঁ খনি বুকু বুকু মোৰ
জিলিকি আছে মাথোঁ পাল সাগৰত ।
দিবানে ! এসাৰি মাথো মৌ-মিঠা মাত
জীৱনৰ অন্তিম বেলাত ।
লবহিনে কোনোবাই নাওঁৰ বোজা,
ধৰিবনে গুৰিয়াল বঠা ।
আছেনে পাৰত বৈ এনে হেন লোক
জনাবনে, আজি মোক সমবেদনা ।
নালাগে নালাগে মোক
কাৰো এষাৰি মাত, যাওঁ মই
সাগৰতে ভাহি ।
লবহি নিজেই আহি জল দেৱই
ঢুবাঁহত আকোৱালি ধৰি ।

# উক্তি

শ্ৰীঅজিত গোঁহাই
প্ৰাক স্নাতক ১ম বাৰ্ষিক
দিনৰ শাখা

শ্যামলীৰা ... ... ... ...
তুমি আৰু নজলাবা মোক
দগ্ধ হৃদয়ত তুমি নিদিবা লাগনি
মোৰ যে অশ্ৰু লো কেতিয়াবাই খৰ হৈ বল ।
সিক্ত দুচকুত মাথো উজলি উঠিছে
জলন্ত অগ্নিপিণ্ড ।
যুগৰ ফিৰিঙতিয়ে ৰাজ পথ জলাই তুলিছে
আক্ৰোশত মনৰ আকাশত মোৰ অগনি জ্বলিছে
কিন্তু ... ... ...
সিইত — ?
নিশ্চুপ নিৰ্বিকাৰ চিত্তে
সিইত পলাব খুজিছে :
খোজক ।
আমিতো হেৰাই যোৱা নাই ।
কালৰ কলা ওৰণিৰ তলত
সমস্যাৰ সহস্ৰ ফনা দেখি
এটি তেজাল দিনৰ হাবিয়াহে
আমাৰ কলিজাত অহৰহ ধ্বনিত
এক নিবিড় প্ৰতিশ্ৰুতিৰ শঙ্খধ্বনি
এক দৃঢ় উক্তিৰ —
পৰিবৰ্ত্তণৰ, মুক্তিৰ, জীয়াই থকাৰ ॥

# নবীন উদ্যোগী আৰু উদ্যোগ পৰিচালনা

ৰঘু বৰবৰা।
মুৰব্বী অধ্যাপক বাণিজ্য বিভাগ

সভ্যতাৰ ক্ৰমবিকাশত উদ্যোগী অবিহনাৰ বিষয়ে বৰ্ত্তমান আধুনিক সমাজত সকলোৱে জানে। বাণিজ্য গুৰি ধৰোঁতা হিচাপে আৰু সামগ্ৰিক ভাবে বাণিজ্যৰ প্ৰসাৰত উদ্যোগী যি অৱদান সমূহ অনুসৰি মানৱ জাতিয়ে তাক কৃতজ্ঞতাৰে সুঁৱৰি আহিছে। সেইবুলি প্ৰাচীনকালৰ পৰা বৰ্ত্তমান যুগলৈ উৎপাদন পদ্ধতিত উদ্যোগীৰ গুৰুত্বপূৰ্ণ কাৰ্য্যৱলীৰ বিষয়ে কোনো কালেই অতিৰঞ্জিত কৰা হোৱা নাই। যুগ পৰিবৰ্ত্তন আৰু বিজ্ঞানৰ উন্নতিৰ লগে লগে বাণিজ্য প্ৰসাৰ বহুত উন্নতি হৈছে। অনুকূল বাণিজ্যৰ ভাৰসাম্য ৰাখি-বৰ কাৰণে প্ৰতিজন নবীন উদ্যোগীয়ে এইক্ষেত্ৰত প্ৰাণ পণে চেষ্টা কৰাৰ আঁচনি প্ৰতিখন দেশৰে বাণিজ্যৰ সমীক্ষাত আমি দেখিবলৈ পাওঁ।

ব্যৱসায় সংগঠনত যেনেকৈ উদ্যোগীয়ে এটা গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰে ঠিক সেইদৰে উৎপাদন আৰু বাণিজ্যৰ পদ্ধতি উন্নয়ণতো উদ্যো-গীয়ে এক প্ৰধান ভূমিকা গ্ৰহণ কৰি আহিছে। শ্ৰমৰ বিস্তিৰ্ণ বিতৰণৰ কাৰণে উৎপাদন প্ৰণালী বিভিন্ন স্তৰত ভাগ হৈ যায় আৰু লগে লগে শ্ৰমৰ সহযোগিতাৰ জৰুৰী আৱশ্যক হৈ পৰে। সেয়েহে উদ্যোগীক সাংগঠনীক উপাদান হিচাবে ৰাখি ব্যৱসায় জগতত গণ্য কৰা হয়। এজন নবীন উদ্যোগীয়ে প্ৰতিযোগিতাৰ সমতা ৰাখি উপযুক্ত কৌশলেৰে সম্ভাব্য উৎপাদন নিচেই কম মূল্যত উৎপন্ন কৰি উলিওৱাটো এটা নিৰ্দ্ধা-ৰিত দায়িত্ব। তাৰোপৰি কি উৎপন্ন কৰিব? ক'ত কৰিব আৰু কেনেকৈ কৰিব? এইবোৰ সমস্যাও উদ্যোগীৰ লক্ষণীয় বিষয়। আগতীয়া আঁচনি অনুসৰি উৎপাদনৰ বিভিন্ন উপাদানক চলন্ত কৰি চুক্তিমতে উৎপাদনৰ বিভিন্ন গৰাকীক কি হিচাবত দৰ্ম্মহা দিয়া হব। উদ্যোগীৰে দায়িত্ব আৰু এইদৰে লগত ব্যয় সমূহ ভগাই দিয়াৰ পিছত বাকী থকা অৱশিষ্ট অংশই হৈছে উদ্যোগীৰ লাভ। এই লাভ নিৰ্ভৰ কৰে উদ্যোগীৰ দক্ষতাৰ ওপৰত।

উদ্যোগীৰ এটা বিশেষ গুৰুত্বপূৰ্ণ কাম হৈছে — পৰিকল্পিত উৎপাদনৰ কাৰণে উৎকৃষ্ট কাৰ্য্যক্ৰম আৱিষ্কাৰ কৰা। তাৰ অৰ্থ হ'ল পৰি-কল্পিত উৎপাদনৰ বিভিন্ন উপাদান অনুপাতে কাম্য গঠন ( Optimum Combination ) বিচাৰি উলিওৱা। আকৌ নিৰ্দিষ্ট পদবীত উপযুক্ত কৰ্ম্মীক নিযুক্ত দিয়াৰ প্ৰতিও যথেষ্ট সচেতন হব লগীয়া হয়। যিহেতু অবিছিন্ন সংস্কাৰৰ মাজেদি উৎপন্নৰ চাহিদা বেথাক উৰ্দ্ধগতিলৈ অৱশ্যকীয় ব্যয়ৰ বেথাক নিম্নগতিলৈ অনাৰ প্ৰচেষ্টা কৰিব লগীয়া হয়। অন্যথাই নানান ক্ষতিৰ সম্মুখীন হোৱাৰ সম্ভাৱনা থাকে।

আধুনিক উৎপাদনৰ পদ্ধতি বিপদজনক আশঙ্কা বাৰুকৈয়ে জড়িত। সেয়েহে উৎপাদনৰ দায়িত্ব সুচাৰুৰূপে বহন কৰিব লগীয়া হয়। এটা

দ্রব্য উৎপাদন কৰিবলৈ হলে আৰম্ভ কৰাৰ পৰা উৎপন্ন কৰি উলিওৱালৈকে সময়ৰ এটা বিশেষ ব্যৱধানৰ আৱশ্যক হয়। এই ব্যৱধানৰ অন্তৰালত উৎপন্ন কৰিবলৈ আৰম্ভ কৰা দ্রব্যৰ নানান ৰূপে সালসলনি ঘটিব পাৰে। উদাহৰণ স্বৰূপে ভোগকাৰীৰ অভিৰুচি, নতুন দ্রব্যৰ আবিৰ্ভাৱ, আৰু বজাৰৰ সঙ্কটাৱস্থা বা শ্রীবৃদ্ধি ইত্যাদি। এই পৰিৱৰ্তন সমূহৰ অনুকুলে লাভ হয় আৰু প্ৰতিকুলে উদ্যোগীৰ লোকচান হোৱাৰ সম্ভাৱনা থাকে। প্ৰকৃততে এই বিলাক উদ্যোগীৰ অনিশ্চিত কিছুমান দায়িত্ব।

আনহাতে সুচিন্তিত ভাৱে উদ্যোগ স্থাপন নকৰিলে কোনো অৱস্থাত জনসংখ্যাৰ বৃদ্ধিয়েও নানান সামাজিক সমস্যাৰ সৃষ্টি কৰিব পাৰে। সুবিধাজনক স্থানত শিল্প বা উদ্যোগ স্থাপিত নহলেও পিছত প্ৰতিযোগিতাত বিফল হৈ পৰা দে পোৱা যায়। এইক্ষেত্ৰত যাতায়তৰ সুগম ব্যৱস্থা আৰু কম খৰচত হলেহে ব্যৱসায় ফলপ্ৰদ হব। তদুপৰি কাৰখানা আদি চলোৱা শক্তিৰ উপাদান সমূহো যাতে সহজতে পোৱা যায় সেই বিষয়ত সৰ্তক হব লগীয়া হয়। এই অসুবিধা বিলাকৰ যাতে সম্মুখীন হব লগীয়া নহয়। উদ্যোগীয়ে তাৰবাবে যথেষ্ট দৃষ্টি ৰাখিব লাগে।

উদ্যোগ শৃংখলাবদ্ধ ভাৱে আৰু মিতব্যয়িতাৰে কাম কাজ চলাই সৰ্বাধিক দক্ষতা অৰ্জন কৰিবৰ কাৰণে সুবিধা অনুযায়ী উদ্যোগীয়ে ফলপ্ৰদ সংগঠন প্ৰস্তুত কৰি লয়। এটা উদ্যোগৰ সৰ্বাংগীন উন্নতি নিৰ্ভৰ কৰে ব্যৱসায়টোৰ সংগঠন আৰু পৰিচালনাৰ ওপৰত। উৎপাদন আৰু বিতৰণ ব্যৱস্থা বিভিন্ন সংগঠনৰ দ্বাৰা সম্পন্ন কৰা হয়। এই সংগঠন বিলাকৰ গঠন আৰু মালিকীস্বত্বও বেলেগ বেগেল ধৰণৰ। উদ্যোগীৰ সংগঠন বিষয়ে জ্ঞান থাকিলেহে প্ৰয়োজনীয়তা পূৰণ কৰিব পাৰিব। ই এটা গুৰুত্বপূৰ্ণ বিষয়। ব্যৱসায় প্ৰতিষ্ঠানৰ সংগঠন বিভিন্ন ভিত্তিত স্থাপন কৰিব পাৰে। যেনে — ব্যক্তিগত বা এক স্বত্বাধিকাৰী ভিত্তিত অংশীদাৰী বা যুটীয়া ব্যৱসায়ৰ ভিত্তিত; যৌথ ব্যৱসায় প্ৰতিষ্ঠান বা জইন্টষ্টক কোম্পানীৰ ভিত্তিত আৰু সমবায় প্ৰতিষ্ঠানৰ ভিত্তিত। উদ্যোগীৰ ৰুচি অনুযায়ী যি কোনো এটাৰ আহিতে ব্যৱসায় স্থাপন কৰিব পাৰে। কিন্তু তাৰ বাবে কেইটামান উপাদানলৈ লক্ষ্য ৰাখিব লগীয়া হয়। সেই কেইটা হল — ১) সংগঠনৰ ওপৰত ধাৰণা। ২) আৰম্ভ কৰিব লগা ব্যৱসায়ৰ আকৃতি আৰু প্ৰকৃতি। ৩) মূলধনৰ পৰিমাণ আৰু সংগ্ৰহ সুবিধা। ৪) ব্যৱসায়ৰ ম্যাদ। ৫) ব্যৱসায়ৰ লগত জড়িত কাৰিকৰী ব্যৱস্থা। ৬) উৎপাদিত আৰু বিক্ৰী দ্রব্যৰ প্ৰকাৰ। ৭) উৎপাদনৰ পৰিমান আৰু ৮) বজাৰ ব্যৱস্থা। ৯) প্ৰতিযোগিতা পৰিস্থিতি। ১০) লাভ বিতৰণ ব্যৱস্থা আৰু ব্যৱসায়ৰ দায়িত্ব আৰু ১১) চৰকাৰৰ আইনৰ প্ৰভাৱ।

গঠন মূলক সম্পৰ্কৰ ওপৰত ভিত্তি কৰি উদ্যোগীয়ে কাৰ্য্যকলাপৰ সমন্বয় স্থাপন কৰা টোৱেই হল সংগঠনৰ কৰ্তব্য। এখন প্ৰতিষ্ঠান ব্যৱসায়িক, শিক্ষামূলক, সাংস্কৃতিক বা চৰকাৰী যি ধৰণৰেই নহওক এই গঠন মূলক সম্পৰ্ক বা সংগঠনৰ অবিহনে প্ৰতিষ্ঠানৰ কাৰ্য্যকলাপ সুচাৰু ৰূপে চলাব নোৱাৰে। যিকোনো ধৰণৰ ব্যৱসায় পৰিচালনাৰ বাবে একোটা দক্ষ সংগঠনৰ অতিশয় প্ৰয়োজন, ইয়াৰ অবিহনে ব্যৱসায় কৃতকাৰ্য্যও হব

নোৱাৰে। আনহাতে গোটেই ব্যৱসায়ৰ কাম কাজ চলোৱাটো মাত্ৰ এজন ব্যক্তিৰ পক্ষে সম্ভৱ পৰ হব নোৱাৰে। সংগঠনৰ মৌলিক নীতিৰ ওপৰত লক্ষ্য ৰাখি যেতিয়া ব্যৱসায়ৰ কাম কাজ বিলাক বিশেষীকৰণ আৰু শ্ৰেণী বিভাগ কৰা হয়। তেতিয়া বৃহত্ আকাৰৰ উৎপাদনৰ মিতব্যয়িতা ( Economics of large scale production ) আহৰণ কৰা হয়। প্ৰকৃত জ্ঞান থকা বিভিন্ন বিভাগৰ মানুহক সেই অনুযায়ী সংশ্লিষ্ট কাম ভাগ কৰি দিলেহে সংগঠনৰ আৰু পৰিচালনাৰ পৰিসৰ বৃদ্ধি কৰাত সহায় কৰে। ব্যৱসায়ৰ গঠনমূলক আৰু কাৰ্য্যকৰী দিনত মনোযোগ দি বিভিন্ন উপাদান সমূহক সেই বিলাকৰ কাম কাজৰ সৈতে প্ৰয়োজনীয় সমন্বয় স্থাপন কৰে। অন্যান্য সকলো বিলাক কাৰ্য্যক্ৰমৰ বাদেও সংগঠনৰ ব্যৱসায়ৰ বিভিন্ন অৱস্থান সমূহৰ ফালেও দৃষ্টি ৰাখি পৰিচালনাত যথেষ্ঠ ইন্ধন যোগায়। গীতশীল আৰু কাৰ্য্যকৰী অৱস্থানৰ দ্বাৰা ব্যক্তি সকলৰ স্বভাৱ, মনোভাৱ মনৰ আবেগ। অনুভূতি ইচ্ছা আৰু অনিচ্ছা, কৌশল আৰু অভিজ্ঞতাৰ ফালে বিশেষকৈ গুৰুত্ব আৰোপ কৰা হয়। ইয়াৰ দ্বাৰাই প্ৰতিষ্ঠানৰ পৰিবৰ্ত্তনৰ ফালেও দৃষ্টি ৰাখে। এখন প্ৰতিষ্ঠানৰ কাম-কাজ আদি ইয়াৰ মূল উদ্দেশ্যৰ পৰাই সৃষ্টি হয়। গতিকে উদ্যোগীয়ে সকলো ব্যক্তিৰ মনোভাৱ আৰু মনোযোগে সমায় প্ৰতিষ্ঠানৰ সমূহীয়া উদ্দেশ্যৰ পিনে আকৰ্ষিত কৰিব পাৰিলেহে স্বাৰ্থ ৰক্ষা হয়।

অষ্টাদশ শতাব্দীৰ শেষৰ ফালে ইংলেণ্ডত শিল্প বিপ্লৱৰ সূত্ৰপাত হয়। তাৰ পিচৰ পৰাই উৎপাদনৰ ঐতিহাসিক পাত মেল খায় আৰু কুটিৰ শিল্পৰ সীমিত উৎপাদনৰ স্বল্প উপকৰণ বিলাক তুলি ৰখাৰ সন্দৰ্ভত ইংলেণ্ড জাৰ্মেনী, ফ্ৰান্স আৰু আমেৰিকা আদি দেশ আধুনিক শিল্প সম্ভাৰেৰে সুসজ্জিত হৈ উঠিল। আনহাতে এচিয়া আফ্ৰিকাৰ কেচামাল লুণ্ঠনৰ কাৰণে যুদ্ধ জাহাজৰ চলাচল আৰম্ভ হয়। তাৰ ফলস্বৰূপেই ভাৰতবৰ্ষত ইংৰাজৰ ২০০ (দুশ) বছৰৰ শাসনত শিল্প বিপ্লৱৰ বিলম্বিত হল। ভাৰতৰ শিল্পায়ণৰ এটা প্ৰধান অন্তৰায় হল ইয়াৰ কৃষি সৌভাগ্য। ভাৰতবৰ্ষৰ লাখ লাখ বিঘা মাটি কৃষিযোগ্য আৰু মৌচুমী প্ৰবাহৰ কাৰণে দেশবাসীক এহাতে কৃষি নিৰ্ভৰ কৰিছে আৰু আনহাতে কৰিছে শিল্প বিমুখ। কিন্তু যুগ পৰিবৰ্ত্তনৰ লগে লগে পৰিস্থিতি ও বেলেগ হৈ আহিল আৰু লগে লগে উদ্যোগীয়ে নানান দিশৰ পৰা পথ বিচাৰি উলিয়ালে। দেশ স্বাধীন হোৱা পিচত চৰকাৰেও এই ক্ষেত্ৰত যথেষ্ট উদগনি দি আহিছে। ১৯৭৭ চনৰ ২৩ ডিচেম্বৰ তাৰিখে লোকসভাত সমগ্ৰ ভাৰতত উদ্যোগিক বিকাশৰ বাবে যি ঘোষনা জাৰি কৰিলে তাৰ সন্দৰ্ভতে কেন্দ্ৰীয় চৰকাৰে বিশেষভাৱে অনুন্নত পিচ পৰা গাঁৱলীয়া অঞ্চল আৰু সৰু সৰু চহৰ সমূহত কুটিৰ শিল্প আৰু ক্ষুদ্ৰ উদ্যোগ গঢ়ি তুলিবলৈ জিলা উদ্যোগ কেন্দ্ৰৰ আঁচনি গ্ৰহণ কৰাত গুৰুত্ব আৰোপ কৰে। এই আঁচনিৰ অধীনত গাঁৱলীয়া অঞ্চলত যাতে কেঁচামাল, বিজুলি সৰবৰাহ, যন্ত্ৰপাতি মাটি ঘৰ পাওঁকতে পাব পৰাকৈ কাৰিকৰী আৰু প্ৰশাসনীয় কাম-কাজ সুচাৰুৰূপে কৰিব পৰা যায় তাৰ ব্যৱস্থা কৰিছে। এনে জিলা উদ্যোগ কেন্দ্ৰ সমূহে গাওঁ অঞ্চলৰ মানুহক সকলো ধৰণৰ সা সুবিধা দি নিয়োগৰ ব্যৱস্থা কৰা গাঁৱলীয়া কাৰি-

কৰক প্ৰশিক্ষণ দিয়া আৰু উদ্যোগ বিকাশৰ সকলো দিশ অনুধাৱন কৰা গাৱঁৰ সম্পদ ব্যক্তি মূল উদ্ধাৰন কেনেকৈ হব পাৰে তাৰ বুজলোৱা আৰু তাৰ যোগেদি সমগ্ৰ জিলাখনক কেনেকৈ উদ্যোগিক পৰ্যত আগবঢ়াই লৈ যাব পৰা যাব তাৰ প্ৰতি কাৰ্য্যকৰী মনোযোগ দিয়াটোৱেই হৈছে এই কেন্দ্ৰ সমূহৰ মূল উদ্দেশ্য। অকল সেয়ে নহয় গাঁৱত স্থাপন হোৱা উদ্যোগৰ জৰিয়তে বস্তুৰ উৎপাদন বিতৰণ আৰু বিক্ৰী বস্তুৰ গুণাগুণ নিয়ন্ত্ৰণ গবেষণা; সম্প্ৰসাৰণ আৰু নবীন উদ্যোগী সকলক প্ৰশিক্ষণ দিয়াৰ সকলো ব্যৱস্থা এই জিলা উদ্যোগ কেন্দ্ৰ সমূহৰ দ্বাৰাই কৰিবলৈ ভাৰ অৰ্পন কৰা হয়।

উদ্যোগৰ কিছুমান সামাজিক দায়িত্ব আছে। ভোগাকাৰী যোগানদাৰ, সন্নিকট, নাগৰিক, পৰিশাসন সস্থা আৰু অভিভাৱক হিচাবে চৰকাৰকলৈ উদ্যোগৰ সামাজিক দায়িত্ব বিস্তাৰিত হৈ (হ'ল) আছে। গ্ৰহণযোগ্য মূল্যত দ্ৰব্য পাবলৈ ভোগকাৰীয়ে বিচাৰে। বজাৰ দৰ হস্তচালন নকৰাকৈ যোগানকাৰীয়ে বিচাৰে উচিত মূল্য; পানী বা বায়ু দূষিত ( **Water or Air Pollution** ) নকৰাকৈ লাভ সহযোগ কৰি নাগৰিকে আশা কৰে সমাজৰ কল্যাণ! পৰিচালনা সংঘই বিচাৰে উপজীৱিকা বা বৃত্তি ৰক্ষা কৰি উন্নয়ণ কৰা আৰু তদাৰককৰ্ত্তাৰ জ্ঞান আগ্ৰহৰ বাবে নিৰ্পুনতা। ব্যৱসায় চলাবলৈ সমাজে চৰকাৰৰ যোগেদি বিচাৰে যাৱতীয় অৰ্থনৈতিক পৰিবেশ, আৰু লগে লগে আশা কৰে ৰাজহুৱা স্বাৰ্থ পূৰণৰ বাবে কৰ্ম সংস্থান; যাৱতীয় দ্ৰব্য সেৱা আৰু সম্পদ ৰাজীৰ সম্পূৰ্ণ ব্যৱহাৰ ইয়াৰ জৰিয়তে চৰকাৰৰ কাৰ্য্যক্ৰম

ব্যয় মিতাবলৈ কিছু ৰাজহ যাতে পোৱা য
সেইটোও সমাজে বিচাৰে। প্ৰবল সামাজিক স
স্থাপন হিচাপে পৰিচালনা ক্ৰমোন্নতিয়ে জ
সাধাৰণৰ বৈসয়িক জীৱনৰ তদাৰকতাৰ দায়িত্ব
সজাগ কৰি তুলিছে। পৰিচালনা বুৰঞ্জীৰ প
লুটিয়াই চালে দেখিবলৈ পোৱা যায় যে ১৭৬০
মানৰ পৰাই বৈজ্ঞানিক পৰিচালনা দুই এক নী
নিয়ম উদ্যোগত প্ৰয়োগ কৰা হৈছিল।

এইদৰে ১৮ শতিকাৰ শেষৰ ফালে শি
বিপ্লৱে বহুতো নতুন পৰিচালনাৰ সুবিধা আ
ছিল। এই সুবিধা সমূহৰ ভিতৰত অন্যতম আছি
পূৰ্বৰ ক্ষুদ্ৰ উৎপাদনৰ ঠাইত উদ্যোগক বৃহ
উদ্যোগত উৎপাদনৰ ব্যৱস্থা ( **Large Sca**
**Production** ) আৰু উদ্যোগত উৎপাদ
পৰিমান বৃদ্ধিৰ লগত কিছুমান পৰিচালন
সমস্যা উদ্ভাৱিত হৈছিল। সেইবোৰ হৈছে
১) উদ্যোগৰ আয়তন বৃহৎ হোৱা হেতু স্ব
হোৱা সমস্যা।

২) বৃহদাকাৰ উদ্যোগৰ বাবে প্ৰয়োজনীয় সা
গাঠনিক দক্ষতা আৰু সতৰ্কতামূলক পৰিচালন
সমস্যা।

বৃহদাকাৰ উদ্যোগৰ সমস্যা সমূ
সমাধান কৰোঁতে বৈজ্ঞানিক পৰিচালনা পদ্ধতি
প্ৰয়োগ কৰা হয়। উদ্যোগত কঠিন যন্ত্ৰপাতি ব
হাৰ অধিক পৰিমানৰ কৰ্মীৰ নিযুক্তিকৰণ, ক
আৰু যন্ত্ৰপাতিৰ বিশেষকৰণ হিচাপে প্ৰতিস্থাপ
সংগঠনৰ আৰু সকলো উৎপাদনৰ মাজত প্ৰ
পৰিচালনাৰ জৰিয়তে সমন্বয় সাধনেই হৈ
বৈজ্ঞানিক পৰিচালনাৰ ভিত্তি। পৰিচালনা কা
পৰা গুণক এক বিশেষ কাৰ্য্য ক্ষমতা বুলি পৰি

ৰ পাৰি ; যাৰ জৰিয়তে কৰ্ত্তৃপক্ষ আৰু কৰ্ম্ম ৰ মাজত এক মধুৰ পৰিবেশ গঢ়ি উঠিব ৰে আৰু ব্যৱসায়ৰ সুফল কৃতকাৰ্য্যতা লাভ ৰ পাৰে । ১৭৬০ চনত ফৰাচীৰ পেৰনেট Perronet ) নামৰ বিশেষজ্ঞই আলপিন নৰ ক্ষেত্ৰত বৈজ্ঞানিক পৰিচালনাৰ সময় ৰ পৰীক্ষা নিৰীক্ষা চলাইছিল যদিও েৰিকা যুক্তৰাষ্ট্ৰৰ এজন ইঞ্জিনিয়াৰহে বৈজ্ঞানিক লনাৰে আন্দোলনৰ পথ পদৰ্শক । তেওঁ ডাঃ ফ্ৰেডেৰিক উইনশ্লু টেইলৰ ( Dr Frerick winslew tayler 1856 1915 ) েহাম ষ্টিল কোম্পানীত P. G Iron া কাৰ্য্যৰ ওপৰত বৈজ্ঞানিক পৰিচালনা ি প্ৰয়োগ কৰি এজন উপযুক্ত কৰ্মীৰ লোহা া মাত্ৰা দিনে ১২½ টনৰ পৰা ৪৮ টনলৈ হৈছিল যাৰ ফলত কৰ্মীজনৰ মজুৰি ১·১৫ ৰ পৰা ১·৮৫ ডলাৰলৈ বৃদ্ধি পাইছিল জিৰণিৰ বাবেও যথেষ্ট সময় পাইছিল । নীৰ কৈ হৈছিল আৰু কৰ্ম্ম প্ৰতি মানুহজনে প্ৰেৰণা পাইছিল । তাৰ পিচৰে পৰা ডঃ ৰে বৈজ্ঞানিক পৰিচালনা পদ্ধতিক বিভিন্ন ত প্ৰয়োগ কৰি সাফল্যমান আৰু প্ৰবন্ধ প্ৰকাশৰ দ্বাৰা সকলোৰে কাৰণে জনপ্ৰিয় আৰু গ্ৰহণযোগ্য কৰি তুলিছিল সেয়ে ডাঃ টেইলৰক বৈজ্ঞানিক পৰিচালনাৰ উদ্যোক্তা আৰু প্ৰতিস্থাপক ৰূপে জনা যায় । পৰিচালনাৰ নীতি নিয়ম আৰু আচৰণ বিধি সম্পৰ্কে ডাঃ টেইলৰ দৃষ্টি ভঙ্গিৰ ব্যাখ্যা — তেওঁৰ প্ৰকাশিত পুথি Stop Management 1003 and the Principles of Sciendifie Managemient-1911 ত ভালদৰে সন্নিবিষ্ট কৰিছে ।

শিল্প বিপ্লৱৰ পটভূমিত ইংলেণ্ডৰ বৈজ্ঞানিক পৰিচালনাৰ অন্দোলনে আমেৰিকা যুক্তৰাষ্ট্ৰৰ দৰে বিস্তৃতি লাভ কৰা নাছিল । ১৯৩০ চনৰ অৰ্থনৈতিক সংকটৰ পাচৰ পৰাহে ইংলণ্ডত ক্ষিপ্ৰ বেগেৰে ইয়াৰ প্ৰসাৰতা লাভ কৰে । উদ্যোগ পৰিচালনা বৰ্তমানে নতুন উদ্ভাৱনৰ দ্বাৰা আধুনিক পৰ্য্যায়লৈ উন্নীত হৈছে ।

কৰ্ম্মচাৰীৰ প্ৰশিক্ষণ পদ্ধতি, বিষয়া পৰিচালনা পদ্ধতি, উদ্যোগিক মনোবিজ্ঞান উৎপাদন, চালন আৰু নিয়ন্ত্ৰণ আদি নানা দিশত নিত্য নতুন কাৰ্য্যদক্ষ পদ্ধতিৰ উদ্ভাৱনে পৰিচালনা প্ৰণালীক উন্নত স্তৰলৈ আগবঢ়াই নিছে । বৰ্ত্তমান ইউৰোপ অ মেৰিকাৰ বাহিৰেও পৃথিৱীৰ উন্নতশীল আৰু উন্নয়নমুখী ৰাষ্ট্ৰত ইয়াৰ সম্প্ৰসাৰণ ঘটিছে । ভাৰতবৰ্ষও এই বিষয়ত ব্যতিক্ৰম নহয় ।

---

" ব্যক্তিগত জীৱনৰ সমষ্টিগত ত্যাগ দেশ-গঠনৰ শ্ৰেষ্ঠতম আদৰ্শ । "

মহাত্মা গান্ধী

" যি দেশত তেওঁলোকৰ জন্ম, যি দেশত তেওঁলোকৰ জীৱিকা, যি দেশৰ মাটিত তেওঁলোকে দেহা এৰিবলৈকো আশাপালি আছে, সেই দেশৰ সাংস্কৃতিক জীৱনৰ লগত তেওঁলোকৰ সুকীয়া হৈ থাকিবলৈ ইচ্ছা নকৰাটোৱেই অতি স্বাভাৱিক প্ৰেৰণা ।

মিত্ৰ দেৱ মহন্ত

একত্ৰিংশ অধিবেশন ।

শিৱসাগৰ ১৯৬৪

## ঃ কলা সমন্ধীয় প্ৰবন্ধ ঃ

# আধুনিক শিল্প এক্সপ্ৰেছনিজম্

মঃ চেহিদুল হাচান ব৹।
স্নাতক মহলা

এক্সপ্ৰেছনিজম্ আধুনিক আধুনিক চিত্ৰ আন্দোলন সমূহৰ এটা অন্যতম অঙ্গ আৰু প্ৰায় যোৱা অৰ্দ্ধশতাব্দী ধৰি এইবিভিন্ন শিল্পৰ ওপৰত প্ৰভাৱ বিস্তৰ কৰি আহিছে । প্ৰথম এক্সপ্ৰেছনিজম্ আন্দোলন আৰম্ভ হয়, ১৮৮৫ চনত আৰু চাওঁতে চাওঁতে ১৯০০ চনৰ ভিতৰতেই এই আন্দোলন গৌৰৱৰ স্থান অধিকাৰ কৰে, ভেনগগ; টলজলট্ৰে; এনচৰ, মান্স, হদলাৰ আদি কেইজন মান বিখ্যাত শিল্পীৰ অনুপ্ৰেৰনাত ।

সাহিত্য, স্থাপত্য, নৃত্য আৰু অভিনয়ত এক্সপ্ৰেছনিজম্ প্ৰভাৱ আজি সুস্পষ্ট । এই আন্দোলনৰ পুৰোহিত সকলে তেওঁলোকৰ অন্তৰৰ গভীৰ অনুভূতিক প্ৰকাশ কৰাৰ বাহিৰে আন একোতেই নিৰ্ভৰ নকৰে । এওঁলোকৰ প্ৰকাশ ভঙ্গীত নিকত্তৰ অমূৰ্ত্ত আকাৰৰ চিন-চাব নাই আৰু ছন্দ অথবা সৌন্দৰ্য্য সাধনৰ তৃষ্ণাও নাই

বুলিব পাৰি । মানৱ দেহৰ ৰূপ প্ৰকা
গভীৰতম অনুভূতিৰ বাহিৰে একোকেই
নিদিয়ে । এই প্ৰকাশভঙ্গীত পোৱা নাযায়
শিল্পৰ চেচা বতাহচাটি, ইমপ্ৰেছনিষ্ট সকলৰ
প্ৰাচুৰ্য্য বা আনকোনো আধুনিক প্ৰকৃতিত
গনিত শাস্ত্ৰৰ গভীৰ সমস্যা । ইয়াৰ উ
গভীৰ অনুভূতি প্ৰকাশ কৰিবৰ কাৰণে
লোকে শাৰীৰিক ভঙ্গীত নাটকীয় ই
ব্যৱহাৰ নকৰে । মূৰ্ত্তত কৰ্মলৈ হলে
ভাবাবেগেৰে অকাটোৱেই হৈছে তেওঁল
মূল উদ্দেশ্য । আনকোনো ক্ৰিয়াতেই তাৰ স
নহয় । এক্সপ্ৰেছনিজমৰ জন্ম হয় আধ্যাত্মিক
সামাজিক বিশৃংখলাৰ মাজত আৰু সেই কা
এওঁলোকৰ শিল্প পদ্ধতিক কোনো এটা ধৰ
'ফৰমূলা'ৰ ভিতৰত পেলাব নোৱাৰে ।

( সহায় লৈ লিখা )



# সমাজৰ প্ৰতি ব্যক্তিৰ দায়িত্ব বোধ

শ্ৰীটংকেশ্বৰ চাংমাই
স্নাতক মহলা ১ম বাৰ্ষিক ।

ব্যক্তিৰ সমষ্টিয়েই সমাজ । বহুতো ব্যক্তিৰ সমষ্টিয়েই এখন সমাজৰ গঢ় দিয়ে । মানুহৰ ব্যক্তিগত জীৱন বেয়া হলে সামাজিক জীৱনো বেয়া হয় । অসংযমী আৰু উশৃংখল মানুহৰ সংখ্যা গৰিষ্ঠ হলে সামাজিক জীৱনৰ সুখ শান্তি ক্ৰমান্বয়ে নাইকীয়া হৈ আহে । সমাজ অধঃপতন মুখী হয় । সমাজত যে অহৰহ চুৰি, ডকাইতি, নৰহত্যা, নানান ব্যভিচাৰে ভৰি পৰিছে তাৰ মূলতে হ'ল সমাজৰ প্ৰতি জনব্যক্তিৰ কাম, ক্ৰোধ, লোভ, আৰু মোহ আদি ৰিপুবিলাকক দমনৰ অক্ষমতা । সমাজৰ প্ৰতিজন ব্যক্তিয়ে এই ৰিপুবিলাকক নিয়ন্ত্ৰণ কৰি নিজ বিবেকৰ দ্বাৰা বুদ্ধিৰ দ্বাৰা পৰিচালিত হলে সমাজৰ ভৱিষ্যত উনকিয়াল হ'ব । মনৰ এই শত্ৰুৰূপ ৰিপুবিলাকক নিয়ন্ত্ৰণ কৰিব নোৱাৰিলে কি সমাজ কি ব্যক্তি সুখ শান্তিৰে থাকিব নোৱাৰে । অৰ্থাৎ এখন সুস্থ সমাজ গঢ় দিয়াত নানান অন্তৰায়ে দেখা দিব ।

আজি কুৰি শতিকাৰ আধুনিক যুগত মানৱ জাতিৰ উদ্‌গতিৰ চৰম সীমাত উপনীত হৈছে । বৈজ্ঞানিক সকলে নানা আবিষ্কাৰ উদ্‌ভাৱন কৰি মানুহক বিবিধ বস্তু দিছে, মানুহৰ দৈহিক সুখ শান্তিৰ বিধান কৰিছে, নানান ৰোগৰ আজাবৰ ঔষধ আবিষ্কাৰ কৰি মৃত্যুৰ পৰা ৰক্ষা কৰিছে । কিন্তু মানুহৰ মনত এই ৰিপুবিলাক শক্তিশালী হৈ থকাৰ কাৰণে বিজ্ঞানৰ এনে দান বৰঙনিয়েও মানুহক শান্তি দিব পৰা নাই । জ্ঞানীলোকে কয় " জগত জয় কৰাতকৈ নিজক জয় কৰাটান " । এই ধৰণৰ ৰিপুবিলাকক দমন কৰিব পাৰিলেই নিজক জয় কৰিব পৰা হ'ব । এই ৰিপুবিলাকে যেতিয়া মানুহৰ মন বিক্ষুব্ধ কৰি তোলে তেতিয়া মানুহে কৰ্তব্য স্থিৰ কৰিব নোৱৰা অৱস্থাত পৰি প্ৰবল ভাবাবেগৰ হেঁচাত কোনো এটা কাম অনিষ্ট বুলি জানিও কৰিব লগাত পৰে । ফলস্বৰূপে দেশৰ তথা জাতিৰ বহুতো অপূৰ্ণীয় ক্ষতি হয় । মানুহৰ মনৰ শত্ৰু বিলাকেই মানুহৰ অহিংসাৰ পথত আগবাঢ়িবলৈ বাধা দিয়ে । চমুতে কবলৈ গলে সমাজত অহিংসা প্ৰতিষ্ঠা নহলে, মানুহে অহিংসা ধৰ্মক অনুসৰণ কৰিবলৈ নিশিকিলে, কি ব্যক্তি, কি সমাজৰেঁই কাৰো প্ৰকৃততে কল্যান হব নোৱাৰে ।

মন প্ৰবৃত্তিৰ আবেগক নিয়ন্ত্ৰণ কৰি ৰাখিবলৈ হলে আমাৰ বিচাৰ বুদ্ধি বা বিবেকক বিকাশ কৰিবলৈ হলে উপযুক্ত পৰিবেশ তথা উপযুক্ত সমাজ অপৰিহাৰ্য্য । সমূহীয়া জীৱনত প্ৰত্যেকজন ব্যক্তিয়ে দায়িত্বৰ নিজ নিজ অংশ বহন নকৰিলে সমূহীয়া জীৱন ভালকৈ গঢ় দি উঠিব নোৱাৰে আৰু সমাজৰ ঐক্য বন্ধন ঢিলা হৈ পৰে; ফলস্বৰূপে সমাজ তথা জাতিৰ আগত নানান সমস্যাই দেখা দিয়ে । সমাজৰ প্ৰতিজন ব্যক্তিয়ে সমূহীয়া কৰ্তব্য পালন কৰিবলৈ অপাৰগ হলে সমাজ অধঃপতনৰ ফালে ঢাল খায় ।

শাৰীৰিক সৌন্দৰ্য্য বা শক্তিয়েই প্ৰকৃত পৰিচয় নহয় । প্ৰতিজন ব্যক্তিৰ নিজৰ মানসিক বিকাশ আৰু নিজকে দেহৰ গৰাকী আত্মা বুলি ভবাটোৱেই শ্ৰেষ্ঠতাৰ পৰিচয় ।

সমাজ এখনক এটা পৰিয়ালৰ লগত তুলনা কৰিব পাৰি। কোনো এটা পৰিয়ালৰ এজন লোকৰ ক্ষতিগ্ৰস্থ হলে গোটেই পৰিয়ালটোৰেই ক্ষতি হয়। ঠিক তেনেদৰে সমাজৰ কোনো এক ব্যক্তি ক্ষতি হলে গোটেই সমাজৰে ক্ষতি। গতিকে এখন সমাজৰ অংশীদাৰ হিচাপে আমাৰ দায়িত্ব অসীম। গতিকে প্ৰত্যেকেই নিজ নিজ কৰ্তব্য পালন কৰা উচিত। যদিহে আমি প্ৰত্যেকে সেই দায়ীত্ব পালন কৰিবলৈ অক্ষম হওঁ তেন্তে সমাজৰ দুৰ্নীতিয়ে শিপা মেলিব।

কুৰি শতিকাৰ আধুনিক যুগৰ সমগ্ৰ পৃথিবীখনেই এখন দেশৰ দৰে হব লাগিছিল আৰু গোটেই মানৱ জাতিয়েই এটা জাতিৰ ৰূপেৰে বান্ধ খাব লাগিছিল, কিন্তু যিমানেই বিজ্ঞানে অগ্ৰগতি লাভ কৰিছে যিমানেই মানুহৰ মনত সঙ্কীৰ্ণতাই ঠাই পাইছে। এখন দেশে আনখন দেশক আক্ৰমন কৰিছে, ইটো জাতিয়ে সিটো জাতিক ধ্বংস কৰিবলৈ চেষ্টা কৰিছে, ইজনে সিজনক শোষণ কৰিছে। ইয়াৰ মূলতে হল ব্যক্তি স্বাৰ্থ, সামূহীক স্বাৰ্থ বা অন্যকোনো স্বাৰ্থ জনীত কাৰণৰ ফলতেই অশান্তিৰ সূত্ৰপাত হৈছে। এইদৰে দেখা যায় স্বাৰ্থ ত্যাগ কৰিব নোৱাৰিলে পৃথিৱীত শান্তি শৃংখলা হোৱাটো টান। সাময়িক ভাৱে শান্তি শৃংখলা বজাই ৰাখিব পাৰিলেও কিছু দিনৰ মূৰত পুনৰ অশান্তি হব। আনহাতে মানুহৰ মানৱীয় গুণ সমূহ প্ৰত্যেক ব্যক্তিৰ বিবেকত বিকাশ হলেহে সুখ শান্তিয়ে বিৰাজ কৰিব।

"আজি কালি দেশৰ প্ৰচলিত আইন কানুনবোৰ হৈছে মকৰা জালৰ দৰে" (জনাথন চুইফট)। মকৰাজালত যেনেকৈ সৰু সৰু পোক পৰুৱা ধৰা পৰে, কিন্তু ডাঙৰ ডাঙৰ পোক বা মাখী জালভেদ কৰি তলায় যায় ঠিক সেইদৰে সৰু সৰু দুৰ্নীতি তথা অন্যায় অবিচাৰ বোৰহে আইনৰ চকুত ধৰা পৰে। গতিকে দেশত প্ৰচলিত আইনকানুন বোৰেই যে মানুহক শুদ্ধ পথত দেখুৱাব পাৰিব ই অসম্ভৱ। কিয়নো প্ৰতিজন ব্যক্তিৰ নিজ বিবেকৰ বিচাৰ বুদ্ধিৰ দ্বাৰা পৰিচালিত হবলৈ চেষ্টা কৰিলেহে প্ৰকৃত শা[ন্তি] ঠন ধৰি উঠিব।

আজি কালি মানুহ আগতকৈ [...] স্বাৰ্থপৰ হোৱাহেতুকে বহুক্ষেত্ৰত ন্যায় পৰ[...] হব পৰা নাই। ফলস্বৰূপে সমাজ আৰু ব্য[ক্তি] জীৱনত দুৰ্নীতিয়ে বাহ লৈছে। বৰ্তমানৰ স[...] সংখ্যক ব্যক্তিয়েই কৰ্তব্য পথৰ অন্তৰায় প্ৰলো[...] বিলাকক অৱহেলা কৰিব নোৱাৰে বাবেই সমা[জৰ] সকলো স্তৰতে দুৰ্নীতিয়ে শিপা মেলিছে।

আজিৰ সমাজত মুকলি মূৰীয়া পৰিবে[শৰ] অভাৱ হৈছে। প্ৰত্যেক জন ব্যক্তিৰ মনত [...] এচমকা ক'লা ডাৱৰে আৱৰি আছে। মানু[হৰ] মনৰ পৰা দয়া মমতা প্ৰেম-ভক্তি, ক্ষমা না[...] স্নেহ আদি গুণবোৰক যেন কোনোবাই ম[...] দিছে। সময়বোৰ অতিবাহিত হৈ গৈ আছে[...] সময়ৰ সমষ্টিয়েই এই এটা জীৱন সৃষ্টি কৰে[...] প্ৰকৃত মানুহৰ জীৱনটো বৰ চুটি। কৰ্মময় জী[ৱ]নৰ মূল্য বেছি। জীৱনৰ দীৰ্ঘতা কামেৰেহে জো[খা] হয়, বয়সেৰে জোখা নহয়। কিন্তু মানুহে হিচা[পে] সমাজ তথা দেশৰ কল্যাণ সাধন কৰিবলৈ হ[...] এখন নিখুঁত সমাজ এটা উপযুক্ত পৰিবেশ আ[...] আৱশ্যকীয়। গতিকে বৰ্তমানত উঠি অহা ক[...] কন ছাত্ৰ-ছাত্ৰী সকল আৰু উঠি অহা যুৱক যুৱ[তী] সকলৰ গাত গধুৰ দায়ীত্ব আহি পৰিছে। আনহা[তে] সমাজৰ প্ৰতিজন ব্যক্তিৰ দায়ীত্বক দূৰৈ কৰি[ব] নোৱাৰি।

আমি এনে এখন সমাজ গঢ়িবলৈ চে[ষ্টা] কৰিব লাগিব যত নাথাকিব হিংসা, দ্বেষ, অসু[য়া] অপ্ৰীতি যত নাথাকিব অন্যায় অবিচাৰ। সকলো[...] সম্প্ৰদায়ৰ মাজত ঐক্য স্থাপন কৰি পৰস্পৰ ভেদা[...] প্ৰাচ্যভেদ কাৰ মানৱ ধৰ্মৰ ধ্বজা উৰুৱা[...] আমাৰ জীৱনক সুন্দৰ আৰু মধুৰ কৰাৰ লাগি[...] বিশ্বৰ ভেটিত বন্ধুত্বই মনক তেজোদীপ্ত আ[...] প্ৰতিভা ময় কৰিব লাগিব আৰু আমাক পৰি[...] জ্যোতিৰে উদভাসিত কৰি মঙ্গলময় সৃষ্টি কৰ্তা[ৰ] মহত্বৰ শাৰীলৈ তুলি নি "মৃত্যুৰ্মা অমৃতং গময়[...]" মৃত্যুৰ মুখৰ পৰা অমৰত্ব দান কৰিব লাগিব।

# উদ্যোগীক বিকাশৰ পৰিচালনাৰ ভূমিকা।

অধ্যাপক এচ্ আগৰৱলা

কোনো এখন দেশৰ বিকাশ নিৰ্ভৰ কৰে ইয়াৰ অৰ্থনৈতিক, সামাজিক ৰাজনৈতিক অৱস্থাৰ ওপৰত। অৰ্থনৈতিক আৰু সামাজিক অৱস্থা নিৰ্ভৰ কৰে।

ইয়াৰ উদ্যোগীক বিকাশৰ ফলত। আকৌ কোনোদেশৰ উদ্যোগীক বিকাশ নিৰ্ভৰ কৰে বিদ্যমান আভ্যন্তৰীণ আধাৰৰ ওপৰত। উদ্যোগীক বিকাশৰ প্ৰধান আধাৰ ( Base) সমূহ হল। ১) পুঁজি ২) কেঁচামাল ৩) শ্ৰম ৪) পৰিচালনাৰ কৌশল ৫) ৰাজনৈতিক বাতাৱৰণ ৬ যোগাযোগ ৭) শক্তি ( Power) ৮ যানবাহনৰ ব্যৱস্থা ৯) উদ্যোগী বা বিনিয়োগ কৰ্তা ১০) বজাৰ।

উপৰুক্ত আধাৰ সমূহৰ যিকোনো এটা বা ততোধিক আধাৰৰ অভাৱ যদি কোনোদেশত থাকে সেইদেশ উদ্যোগৰ সৰ্বাত্মক বিকাশ (Development) কৰিব নোৱাৰে। তাৰোপৰি আৰু এটা আৱশ্যকীয় কথাহল যে দেশৰ উদ্যোগীক বিকাশ ভাৰসাম্য ( Balance) হব লাগিব। ইয়াত ভাৰসাম্য বিকাশ বুলি কোৱাৰ এটাই অৰ্থ হলযে দেশৰ সকলো অঞ্চলতে উদ্যোগ স্থাপন কৰোতে এই মন কৰিব লাগিব যে কোনো এটা অঞ্চল উদ্যোগত পিচ পৰি থাকে নে ( Industrial Development ত অভাব অসমতা (Imbalance) সৃষ্টি নহয়। এনেকুৱা বৈষম্য মূলক উদ্যোগীক বিকাশৰ ফলত দেশৰ যিকোনো এটা অঞ্চল অনুন্নত হলে সামাজিক বৈষম্য আৰু বিদ্বেষ ভাৱৰ সৃষ্টি হয়। যাৰ ফলত বহুত জটিল সামাজিক আৰু ৰাজনৈতিক পৰিস্থিতি সৃষ্টি হোৱাটো নিশ্চিত। আকৌ এনেকোনো সামাজিক, ৰাজনৈতিক পৰিস্থিতি এবাৰ সৃষ্টিহলে তাক সোনকালে আতৰ কৰাটো অত্যন্ত কঠিন হৈ পৰে। তেনে পৰিস্থিতিত সিয়েই উদ্যোগ বিকাশৰ পথত এটা প্ৰধান অন্তৰায় হৈ পৰে। ( Retarding factor )

ইয়াত এটা কথা উল্লেখ কৰাটো ভালহব যে দেশৰ সকলো অঞ্চলত সকলো ধৰণৰ উদ্যোগ স্থাপন কৰিবলৈ সম্ভৱ নহয় আৰু অৰ্থনৈতিক ভাৱে সুবিবেচনাৰ কামও নহয়। যেনে:— যদি বিহাৰত বা উত্তৰ প্ৰদেশত থাকৰা তেল শোধনাগাৰ স্থাপন কৰাটো একেবাৰে অৰ্থনৈতিক জ্ঞানৰ অপৰিপক্কতা পৰিচায়ক হব, যদি কোনো চৰকাৰে এনে সিদ্ধান্ত লয় তেন্তে সি অৰ্থনৈতিক ভিত্তিত নহৈ ৰাজনৈতিক ভিত্তি কৰা সিদ্ধান্তহে হব। কাৰণ তেলে শোধনাগাৰ পাতিব খুজিলে নিতান্তই সেই অঞ্চলতেই পাতিব লাগিব য'ত খাৰুৱাতেল যথেষ্ট পৰিমাণে উৎপন্ন হয়। গতিকে ইয়াৰ পৰা এইটো কব পাৰি যে সকলো অঞ্চলৰ সকলোধৰণৰ উদ্যোগ স্থাপনৰ কাৰণে উপযোগী নহয় অৰ্থনৈতিক দৃষ্টিত। কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে কোনো এটা অঞ্চলত কেচামাল একেবাৰে অভাৱ, গতিকে তাত

কোনো শিল্প উদ্যোগ স্থাপন কৰিব নেলাগে। কাৰণ বহুতো উৎপাদন আছে যিবিলাকৰ অৱশিষ্ট সম্ভাৰ ( Fini…ng Product ) কেইবাটাও প্ৰক্ৰিয়া শিল্প (Processing Industry) অতিক্ৰম কৰাৰ পিছতহে হয়। তেনে উৎপাদনৰ কাৰণে সেইবোৰ অঞ্চলত উদ্যোগ স্থাপন কৰিব পাৰি যত কেচামালৰ অভাৱ পৰিলক্ষিত হয়।

কোনো উদ্যোগ বিকাশৰ কাৰণে, পুজি, শ্ৰম, শক্তি, যোগাযোগৰ ব্যৱস্থা, যানবাহনৰ ব্যৱস্থা, বজাৰ আদিৰ অত্যন্ত প্ৰয়োজন। এই সকলোবিলাক আধাৰ যথেষ্ঠ পৰিমানে আৱশ্যকতা অনুসৰি উপলব্দ হব লাগিব। পুজি ব্যৱস্থা কৰিবৰ কাৰণে পুজি পতি সকলে, চৰকাৰ, বেংক আৰু অনান্য বিত্তীয় সংস্থা বিলাকে উদাৰতা অবলম্বন কৰিব লাগিব। পুজিপতি· সকলে নিৰ্ভৱে যথেষ্ট পুজি খটুৱাই অঞ্চলটোৰ বিকাশৰ কথা চিন্তা কৰিব আৰু চৰকাৰেও সমভাৱে আগবাঢ়ি আহিব লাগিব য'ত ব্যক্তিগত পুজিৰ অভাৱ তাত চৰকাৰে সম্পুৰ্ণ সজাগতা অৱলম্বন কৰি পুজি বিনিয়োগ কৰিব লাগিব (Investment)

শ্ৰম [ Labour) ও সহজ উপলব্দ বা অলপ ত্যাগ কৰি পোৱা বিধৰ হব লাগিব।

শক্তি [Power) হল আন এটা আৱশ্যকীয় উপাদান। কাৰণ শক্তিৰ অভাৱ হলে উদ্যোগ স্থাপন কৰা অতি কঠিন। শক্তি বিভিন্ন উৎসৰ পৰা পাব পাৰি। যেনে ঃ— ক) কয়লা (খ) জল-বিদ্যুৎ (গ) গেছ বা অনান্য ইন্ধন ( Debris) যোগাযোগ আৰু যানবাহনৰ ব্যৱস্থা কেৱল

উদ্যোগীক নগৰৰ আশে পাশে অৱস্থিত হলেও
নহব ই যথেষ্ট সম্প্ৰসাৰিত আৰু সুবিধাজনক
হব লাগিব তেতিয়াহে উৎপাদন খৰচ কমা
পৰা যাব আৰু বজাৰত প্ৰতিযোগিতাত টিকি
বা স্থান দখল কৰিব পৰা হব। আকৌ এটা
উন্নত বজাৰ থাকিব লাগিব য'ত নেকি উৎপাদি
সামগ্ৰী সহজে আৰু Reason ible Pric
ত বিক্ৰী কৰিব পৰা হয়। লাগিলে সি দেশী
বজাৰেই হওক বা বিদেশী বজাৰেই হওক।

ওপৰত কৰা আলোচনাত যিবোৰ বিষ
সামৰি লোৱা হৈছে উদ্যোগীক বিকাশৰ কাৰ
তাৰ ভিতৰত আধুনিক সময়ত আটাইতকৈ
আৱশ্যকীয় হৈছে পৰিচালনৰ কৌশল। যদি
কোনো দেশত আধুনিক প্ৰশিক্ষণ প্ৰাপ্ত আ
আধুনিক উদ্যোগীক জগতৰ জটীলতা আৰু
সমস্যাৰ লগত সন্মুখীন হবপৰাকৈ যোগ্যতা
আৰু মানসিকতা ( attitude ) থকা পৰিচালন
গোটালে মুক্ত পৰিচালনাৰ অভাৱ থাকে তেন্তে
সেই দেশৰ উদ্যোগ বিকাশ মুখী হোৱাটো অ
কঠিন হৈ পৰে। উদ্যোগ স্থাপন হোৱাটোৱে
প্ৰধান কথা নহয়। কাৰণ উদ্যোগ উন্নয়ন মুখী
ৰাখি তাত স্থিৰতা বজাই ৰখাটোৱেই প্ৰধান ক
কাৰণ আমি বৰ্তমান সময়ত দেখিবলৈ পাইছ
যে, বহুত শতত মূলধন বিনিয়োক্ত উদ্যো
পৰিচালনা কৌশলৰ অভাৱত ( Skilli
managment ) ৰুগ্ন উদ্যোগত ( Sic
Indus ry ) ত পৰিণত হব লগীয়া হৈছে।

এই খিনিতে আৰু এটা কথা উ

কৰিব পাৰি যে পৰিচালক সদায় বাহিৰা হস্তক্ষেপৰ পৰা মুক্ত হব লাগিব। যেনে ঃ— ৰাজহুৱা খণ্ডত থকা উদ্যোগ সমূহ ৰাজনৈতিক প্ৰভাৱৰ পৰা আৰু ব্যক্তিগত খণ্ডত থকা উদ্যোগ সমূহৰ মালিকৰ অনুচিত আৰু অনিয়মিত হস্তক্ষেপৰ পৰা। এটা মুক্ত পৰিচালনাৰ সুযোগ পালে সুদক্ষ আৰু কাৰ্যক্ষম পৰিচালকে উদ্যোগৰ উদ্যোগীক বিকাশ বহুতখিনি সাধন কৰিব পাৰে।

এতিয়া প্ৰশ্ন হল কাৰ্যক্ষম আৰু সুদক্ষ পৰিচালক কত পোৱা যায় বা কেনেকৈ পোৱা যাব। এই কথা চিন্তা কৰা যুগ উকলি গ'ল। যে মেনেজাৰ বা পৰিচালক জন্মহে হয় বনাব নোৱাৰি ( Managers are bron but not made ) এই ধাৰণ আৰু ধৰি বখাতো একেবাৰে অবৈজ্ঞানিক আৰু অযুক্তি সঙ্গত হব। কাৰণ যিকোনো শিল্পৰ উন্নত দেশৰ বুৰঞ্জী পঢ়িলে আমি জানিব পাৰো যে এইবোৰ দেশত পৰিচালনাৰ শিক্ষাৰ আৰু প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা যথেষ্ঠ উন্নত আৰু সহজ প্ৰাপ্য ব্যৱস্থা আছে। যিকোনো অৰ্হতা সম্পন্ন ইচ্ছুক ব্যক্তিয়ে তেনে উন্নত পৰিচালনা শিক্ষা আৰু প্ৰশিক্ষণ লাভ কৰি নিজকে প্ৰস্তুত কৰি তুলিব পাৰে। এজন কাৰ্যক্ষম আৰু সুদক্ষ পৰিচালক আজি আমেৰিকা, ইংলণ্ড ফ্ৰান্স, ইটালী, চীন, ৰুচ আৰু জাৰ্মান আদি দেশত সুদক্ষ আৰু কাৰ্যদক্ষ পৰিচালকৰ কোনো অভাৱ নাই। বৰঞ্চ তেওঁলোকে অন্যান্য দেশলৈ নিজৰ দেশত প্ৰস্তুত কৰা ৰুফিশন প্ৰাপ্ত পৰিচালকক ৰপ্তানিহে ( export ) কৰে গতিকে আৱশ্যকীয় প্ৰশিক্ষন আৰু শিক্ষা ব্যৱস্থা থাকিলে পৰিচালকৰ অভাৱ কেতিয়াও দেখা নিদিয়ে।

আমাৰ ভাৰতবৰ্ষত আজিও প্ৰত্যেকটো উদ্যোগতে সুদক্ষ আৰু কাৰ্য্যক্ষম পৰিচালকৰ অভাৱ অনুভব কৰা হয়। ইয়াৰ কাৰণ হৈছে ভাৰতৰ নিচিনা দেশত পৰিচালকৰ প্ৰশিক্ষন আৰু শিক্ষা দিয়া ব্যৱস্থা তেনেই নগণ্য। ভাৰত এনেই উদ্যোগত পিছ পৰা তাতে পৰিচালকৰ অভাৱ হোৱাত বৰ্ত্তমান যিবোৰ স্থাপিত হৈছে তাকে প্ৰসাৰ আৰু উন্নত কৰাৰ সম্ভৱ হোৱা নাই। ইয়াৰ মূল কাৰণ হ'ল উদ্যোগ পৰিচালনাৰ শিক্ষা আৰু প্ৰশিক্ষন কেন্দ্ৰৰ অভাৱ। গোটেই ভাৰতবৰ্ষত কেৱল তিনিটা প্ৰশিক্ষণ কেন্দ্ৰ আছে। ইয়াৰ নাম হল ১) India Institute of Management at Ahmedabad ; At calcutta and At Bengalore। গতিকে এই তিনিটা কেন্দ্ৰৰ বছৰি তিনিশতকৈ ( ৩০০ ) অধিক প্ৰাৰ্থী লোৱা নহয়। তাৰোপৰি বিশ্ব বিদ্যালয় বিলাকতো যিবোৰ পৰিচালনাৰ পাঠ্যক্ৰম ( Management Course ) চলোৱা হয় সেইবোৰত পৰিচালনাৰ কাৰিকৰী দিশৰ যতান দিয়া তেনেই বিফল হৈছে। কেৱল পাঠ্য পুথিৰ যতানেৰে এনে কৌশল আহৰণ কৰা সমীচীন নহয়। গতিকে যথেষ্ট পৰিমানে বিভিন্ন অঞ্চলত বহু সংখ্যক প্ৰাৰ্থাক স্থান দিব পৰাকৈ উন্নত প্ৰশিক্ষণ কেন্দ্ৰ খোলাতো নিতান্তই আৱশ্যকীয় আৰু অগ্ৰাধিকাৰ ভিত্তিত স্থাপন কৰিব লগীয়া বিষয়। দেশৰ যি পঞ্চবাৰ্ষিক পৰিকল্পনা তৈয়াৰ কৰা

বা হৈছে তাত কেতিয়াও আৱশ্যকীয় বিষয়টো অগ্ৰাধিকাৰ দিয়া হোৱা নাই। গতিকে সচেতন নাগৰিক আৰু চৰকাৰৰ কৰ্ত্তব্য যে এই বিষয়ত অগ্ৰাধিকাৰ ভিত্তিত গুৰুত্ব দিয়া উচিত। ইয়াৰ অবিহনে দেশৰ পৰা বিদেশত পঠিয়াই প্ৰশিক্ষণ দিয়াই অনাটো ব্যয়বহুল আৰু অবিবেচনীয়। কাৰণ উদ্যোগ [illegible]কাশ কৰাত প্ৰধান গুৰুত্ব পূৰ্ণ বিষয়।

আকৌ ভাৰতৰ ভিতৰত আমাৰ অসম উদ্যোগীক বণত অতি পিচপৰা। ভাৰতৰ ভিতৰতে আকৌ আমাৰ উত্তৰ পূৰ্বাঞ্চল একেবাৰে অৰ্থ-নৈতিক আৰু সামাজিক দিশত অনগ্ৰসৰ হৈ আছে। উদ্যোগৰ নামত হাতৰ আঙুলি মূৰত লেখিব পৰাকৈ উল্লেখযোগ্য উদ্যোগ সাতভনী দেশত নথকাতো অতি পৰিতাপৰ কথা। যি দুই এটা আছে সিও উন্নতিৰ কোনো লক্ষণ দেখুৱাব পৰা নাই। তাৰোপৰি স্থাপিত উদ্যোগতো স্থানীয় পৰিচালন শূন্য বুলি কলেও অত্যোক্তি কৰা নহয়। অপ্ৰিয় সত্য যে ভাৰতৰ উত্তৰ পুৰ্বাঞ্চল প্ৰাকৃতিক সম্পদত অতিশয় চহকী। ইয়াত আছে খাৰুৱা তেল, কয়লা, চুনশীল, মূল্যবান বনজ সম্পদ, বাঁহ কাঠ, বেত, চাহ, আদি, চিমেণ্ট, শিল, মেঙ্গানিজ কৃষিজ সম্পদ আৰু শক্তিৰ অপৰিসীম উৎস। তথাপি উদ্যোগ বিকাশ কৰিবলৈ প্ৰয়োজন হোৱা মানৱ প্ৰদত্ত সুবিধা সমূহৰ অভাৱ হোৱা কাৰণেই ইয়াত উদ্যোগী কৰণ হব পৰা নাই। তাৰোপৰি আৰু এটা প্ৰধান অভাৱ হ'ল ইয়াত কোনো উদ্যোগমুখী পৰিচালনা শিক্ষাকেন্দ্ৰ বা প্ৰশিক্ষণৰ ব্যৱস্থা একেবাৰে নাই। কাৰণ Proffessional কোনো Managment Institute এই পূৰ্বা-ঞ্চলৰ সপ্তপ্ৰদেশত শূণ্য। কিন্তু পৃথিৱীৰ কোনো

বিদেশী দেশত এনে দৃশ্য দেখা নাযায়। কৰ্
গ'লে " পূৰ্বাঞ্চল চহকী কিন্তু পূৰ্বাঞ্চলবাসী দুখ
অনুন্নত কাৰণ ইমান উদ্যোগ স্থাপন কৰিব
সুযোগথকা এটা অঞ্চলত কোনো উল্লেখযে
আৰু প্ৰয়োজন অনুসৰে উদ্যোগ স্থাপন
নাই।" সেই কাৰণে এই অঞ্চলৰ অৰ্থনৈতিক
হোৱা নাই ফলত জনসাধাৰণ দাৰিদ্ৰ পৰা
দ্ৰুতলৈ নামি গৈছে। এই অঞ্চলৰ আটাই
ডাঙৰ অভাৱ হ'ল স্থানীয় প্ৰশিক্ষণ অ
নথকাত এই অঞ্চলৰ বাহিৰত যি দুই চ
Managm[illegible] training institu
আছে তাত এই অঞ্চলৰ প্ৰাৰ্থীয়ে স্থান নে
Mangement Training Course
কোনো উপযুক্ত প্ৰচাৰ আৰু জাননী এই অ
প্ৰশিক্ষাৰ্থীয়ে নেপায়। গতিকে ইয়াত যে
থাকিও উপযুক্ত সুবিধা অভাৱত এনেয়ে
গৈছে। গতিকে ইয়াৰ প্ৰা[illegible]ীক উদ্যমি
কাৰণে এই শিক্ষাৰে যথেষ্ট প্ৰসাৰ এই
হব লাগে। অনতি পলমে এই অঞ্চলত অ
আৰু উন্নত ধৰণৰ এটা Managment
ning institute এই অঞ্চলৰ কেন্দ্ৰত
কৰাৰ দিহা [illegible] চৰকাৰ আৰু কেন্দ্ৰীয়
উভয়ে মিলিত হৈ এই অভাৱ দূৰ কৰ
কৰিব লাগে। ইয়াৰ দ্বাৰাই এই অঞ্চল
বিকাশত অনগ্ৰসতাৰ যথেষ্ট পৰিমাণে দূ
বুলি ধাৰণা কৰিব পাৰি। কাৰণ আ
অঞ্চলক লাগে পৰিচালনাৰ কৌশল
প্ৰশিক্ষণ। তেহে এই সম্পদ-শালী
উদ্যোগ বিকাশ কৰি অৰ্থনৈতিক আৰু
দেশৰ টনকীয়াল কৰি জন সাধাৰণৰ উন্নি
কৰাই ইয়াৰ মূখ্য উদ্দেশ্য হব আৰু উ
শিক্ষিত নিবনুৱা যুৱক যুৱতীয়ে উপযু
সংস্থান লাভৰ কৰি দেশৰ তথা নিজক
অথলাত আগুৱাই নিবলৈ সক্ষম হ'ব

# ফকৰা যোজনা

সংগ্ৰাহক
শ্ৰীদেবেন্দ্ৰ নাথ গগৈ
স্নাতক ১ম বাৰ্ষিক

ফকৰা যোজনা অসমীয়া জাতি আৰু সাহিত্যৰ অমূল্য সম্পদ। ফকৰা যোজনাৰ পৰা মহত্বপূৰ্ণ উপদেশ, কৃষিপদ্ধতি, বাণিজ্যিক নীতি ব্যঙ্গোক্তি আদিৰ অনেক জ্ঞান আহৰণ কৰিব পৰা যায়। এই যোজনা সমূহ এক প্ৰকাৰ লৌকিক সাহিত্য। যোজনা সমূহত ডাক পুৰুষৰ প্ৰভাৱ অধিক যদিও অনেক লোকৰ অৱদান বিৰাজমান। আমাৰ দৈনন্দিন জীৱনত ফকৰা যোজনা হাড়ে-হিমজুৱে সোমাই আছে। এজন পাশ্চাত্য মনীষীৰ মতে, A proverb is one man's with and wisedom of ma·y;" (Earl Kussil)

ফকৰা যোজনা অনেক আছে, তাৰে কেইটা মান সংগ্ৰহ কৰি দিয়া হ'ল —

১। ডাকৰ বচন বেদৰ বাণী।
মোলগা তিৰী ঘৰলৈ নানি॥

২। বৌৰ চিনি কাণত।
তিৰোতা চিনি টানত॥
গৰু চিনি শানত॥

৩। অসমীয়া হলেই সোণ নহয়।

৪। বিবেক বোলে ভোক ভোক।
চৈনীয়েকে বোলে পুৰাগধুলি
ভুজোসাজি একে লগে হোক॥

৫। জনি পকৰাৰ অলপ বৰষুণেই বাণ।
সোনামুখৰ একেচৰেই টান॥

৬। গৰু নষ্ট হয় লোকৰ ঘৰত থলে।
খেতি নষ্ট হয় মাজে বাট ললে॥

৭। গছত কঠাল ওঁঠত তেল,
নৌ খাওঁতেই চেলবেল॥

৮। খেতি কৰিবা বাওৰে।
বাণিজ্য কৰিবা নাওৰে॥

৯। খেনোক দেখি বাঙ্কে বাটে।
খেনোক দেখি ছুৰাৰ মাৰে।

১০। কামেৰেহে সহ প্ৰমাণ কৰিব পাৰি।

১১। কাককো বুলিম ককা॥
আটাইবে দাড়ি চুলি পকা॥

১২। কাক কম কোনে পতিয়াব।
যাকে কম সেয়ে লঠিয়াব॥

১৩। চকু লাল বুকু খাল।
সেই পুৰুষৰ লক্ষণ ভাল॥

১৪। ওঁঠৰ ওপৰে গোফৰ শাৰী॥
সেইজনী জানিবা বিধবা নাৰী॥

১৫। আহোমৰ চকলং হিন্দুৰ বেই।
তোমাৰ প্ৰচলিত পৰিছো যেইকথাসেই॥

১৬। আহিনে কাতিয়ে বাখিবা পানী।
ৰজাই যেনেকৈ ৰাখে ৰাণী॥

১৭। থলত থল ৰজা।
পোতা পুথুৰীত বাকেই ৰজা॥

১৮। দহ-ঠাই ফুৰে যি।
দহ কথা শিকে সি॥

১৯। দিনৰ পৰ্ব্বত ৰাতিৰ জুই।
তাক নেখেদি থাকিবা শুই ॥

২০। দুবৈৰ বৌ বৰালি।
ওচৰৰ পুঠি খলিহনা ॥

২১। ধন যাৰ বল তাৰ ॥

২২। নাই পো গোফে, নাইপো মুখে।
নাইপো লনি, নাইপো ধনী ॥

২৩। পাপীৰ পিঠাত মন ॥

২৪। ঐশ্বৰ্য্যি জোপা বোবা বল।
মাহেকে পষেকে টিপুনাবা তল ॥
পাতি পছলা লাভত খাবা।
লক্ষীৰ বণিজ হাততে পাবা ॥

২৫। সাতত সেৰেভা পাঁচত ঘন।
ছয়ত তামোল নদন বদন ॥

২৬। বাটত দেখিবা বৰ চুৰীয়া ফেৰ।
ধৰলৈ চালে দেখিবা চকুৱা বেৰ চায়

২৭। মাটি কিনিবা মাজ থাল।
ছোৱালী আনিবা মাক ভাল ॥

২৮। মিতিৰৰ ঘৰলৈ মাহে পষেকে যাবা।
বলপীৰাধন বহিবলৈ পাবা ॥
যদি ঘনে ঘনে যোৱা।
বৈঠৈবা ভেতৰা খবিলৈ পাবা ॥

২৯। সুবাট দূৰগমন তেও নাযাব ছাৰি
সৰু ছোৱালী আনিবা তেও নানিবা বাঁ

৩০। আহুচাবা পৰুলি শালি চাবা পুৰা
ভাকৈ বাইতে ছোৱালী চাবা কোন কেনে

" লিখা পঢ়া শিকি নিজে শিক্ষিত হলেও নহব, নিজে পোৱা শিক্ষাৰ মহান আদৰ্শ আনকো বিলাই দিব পাৰিব লাগিব নহলে শিক্ষাৰ কোনো মূল্য নাই। তেনে শিক্ষা ব্যক্তি কেন্দ্ৰীক — সি সমাজৰ হিত সাধন কৰিব নোৱাৰে।

( ভলটেয়াৰ )

# অসমৰ সাম্প্ৰতিক গণ আন্দোলনত ভাৰতীয় ৰাজনীতি দলবোৰৰ ভূমিকা

শ্ৰীবিৰাজ মোহন দত্ত
প্ৰাকস্নাতক ২য় বাৰ্ষিক

বৰ্ত্তমান অসমৰ অভূতপূৰ্ব্ব গণআন্দোলনৰ ফলত অসমৰ চুকে কোণে থকা ভাষা, ধৰ্ম্ম, জাতি নিৰ্ব্বিশেষে সকলো অসমীয়াই নিজৰ জাতিটোৰ প্ৰতি অধিক সজাগ হোৱাটো গৌৰৱৰ কথা। ঠিক সেইদৰে আজি প্ৰত্যেকজন অসমীয়াই সজাগ হব লাগিব ভাৰতীয় ৰাজনৈতিক দলবোৰৰ কাৰ্য্যকলাপৰ প্ৰতি। কাৰণ অসমৰ বিদেশী নাগৰিকৰ সমস্যা ৰাজনৈতিক পৰ্য্যায়তহে সমাধান হব লাগিব। কোনো দলীয় পৰ্য্যায়ত বা কোনো ব্যক্তিগত পৰ্য্যায়ত নহয়। এই কথা আমাৰ আন্দোলনৰ নেতাসকলেও একমত। কিন্তু বৰ্ত্তমানে ৰাজনৈতিক দলবোৰে চলিত আন্দোলনত যি ভূমিকা লৈছে সেইয়া অতিশয় নিন্দনীয়। প্ৰথমে ৰাষ্ট্ৰীয় পৰ্য্যায়ত ভাৰতীয় জনতা পাৰ্টি আৰু জনতা (J.P) দলে আমাৰ চলিত আন্দোলনলৈ পূৰ্ণ সমৰ্থন দিছে। ইয়াৰ উপৰিও এই দলটোৱে বিভিন্ন কাৰ্য্যসূচীৰে আন্দোলন কৰি অসমৰ আন্দোলনলৈ থকা তেওঁলোকৰ সমৰ্থন ৰাইজৰ আগত দৃঢ়তাৰে প্ৰকাশ কৰিছে। এই ৰাজনৈতিক দল দুটাৰ বাহিৰে বাকী আটাইবোৰ ৰাজনৈতিক দলেই এই আন্দোলনৰ বিৰোধিতা কৰাই নহয়, বিভিন্ন ঠাইত এইদলবোৰে সাম্প্ৰদায়িক সংঘৰ্ষ লগাই হিংসাত্মক কামত জড়িত হৈছে। ইয়াৰ ফলত বহুজনৰ প্ৰাণহানি হৈছে, আৰু বহুজন চিৰদিনৰ বাবে দুখীয়া হৈছে। (এইয়াই হৈছে গান্ধীৰ আদৰ্শৰে অনুপ্ৰাণিত হোৱা ৰাজনৈতিক দলবোৰৰ কাৰ্য্য।)

যিহেতু আজি অসমীয়া ৰাইজে এইৰাজনৈতিক দলবোৰৰ ওপৰত বিশ্বাস হেৰুৱাই পেলাইছে। অথচ এইদলবোৰেই নিৰ্ব্বাচনৰ সময়ত হোজা অসমীয়া ৰাইজৰ ওচৰত গান্ধী, মাৰ্ক্স, লেলিন আদি মহাপুৰুষৰ আদৰ্শৰ কথা দোহাৰে। কিন্তু গান্ধী আদৰ্শৰে কৰা আন্দোলনক এটাইলে তেওঁলোকৰ সমৰ্থন নাই। ইয়াৰ পৰাই বুজিব পাৰি যে এই ৰাজনৈতিক দলবোৰ প্ৰকৃততে ৰাইজক ভুৱা প্ৰৱঞ্চনা কৰা একো একোটা সংগঠন।

"বিশ্বৰ সমগ্ৰ শ্ৰমিক, কৃষক এক হওক" বুলি চিঞৰি ফুৰা বামপন্থী, চি,পি এম দলে আন্দোলনৰ বিৰুদ্ধে লোৱা ভূমিকা উল্লেখযোগ্য। নিৰ্ব্বাচনৰ সময়ত স্বেচ্ছাচাৰী শক্তি বুলি ইন্দিৰা কংগ্ৰেছক দোষাৰোপ কৰা চি, পি, এম দলে অসমৰ সমস্যা ক্ষেত্ৰত ইন্দিৰা কংগ্ৰেছে লোৱা ভূমিকাকে গ্ৰহণ কৰিছে। ঠিক সেইদৰে চি, পি, আই, দলেও অসমৰ আন্দোলনৰ বিৰুদ্ধে নানা মন্তব্য দিছে। বিৰোধ মন্তব্যই এই বামপন্থী দল দুটাৰ কৌপোলা নীতি সমূহ ৰাইজৰ আগত উদঙাই দেখুৱাইছে। অসমৰ আন্দোলন দমন কৰাৰ ক্ষেত্ৰত কি সোঁপন্থী, কি বাওঁপন্থী সকলো দলেই এক। গতিকে সমগ্ৰ অসমীয়া ৰাইজ ঐক্যবদ্ধ হোৱাতহে আমাৰ ভৱিষ্যত নিৰ্ভৰ কৰিছে।

বৰ্ত্তমান কেন্দ্ৰত শাসনত অৱস্থিত ইন্দিৰা চৰকাৰে আন্দোলনত লোৱা ভূমিকা বিষয়ে কলে মই ভুল কৰা হব। এই দলে নিজকে গান্ধী বাদী বুলি চিঞৰি ফুৰে। কিন্তু কাৰ্য্যত গান্ধী আদৰ্শৰ কথা মনত নপৰে। সদৌ অসম ছাত্ৰ-সন্থাই কৰৰ দৰে "নাথুৰামে মহাত্মা গান্ধীক হত্যা কৰিছে"। নহলে মহাত্মা গান্ধীৰ অহিংসা নীতিৰে কৰা অসম আন্দোলনক এই দলে নিশ্চয় সমৰ্থন জনালেহেঁতেন। (ই) কংগ্ৰেছদলৰ নেত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীয়ে ভাৰতৰ প্ৰধান মন্ত্ৰী হিচাপে শপত খাইছিল দেশৰ সংবিধান ৰক্ষাৰ নামত। অতি দুখৰ কথা অসম সমস্যা সমাধানৰ কাৰণে এই সংবিধানৰ সহায় নলয়। বৰ্ত্তমান অসম চৰকাৰেও ইন্দিৰা গান্ধীৰ মুখৰ কথাকেই দেশৰ আইন বুলি ভাবিলে তাক কাৰ্য্যত লগাইছে। দেশৰ ৰাজনৈতিক দলবোৰৰ এনে কাৰ্য্যবোৰৰ সমালোচনা নকৰি আমাৰ অসমৰ স্বৰ্গদেউ সকলে তাক আদৰণি হে জনাইছে। তেতিয়া হলে অসমীয়া একতা ব'ল ক'ত। অলপতে কংগ্ৰেছ (ই) দলে অসমত এখন পুতলা চৰকাৰ গঠন কৰিছে। যি দলৰ চৰকাৰে আমাক ভাবিবলৈ বাধ্য কৰাইছে, যে আমি অসমীয়া সকল ভাৰতীয় হয়নে নহয়? যদি অসমীয়া সকল ভাৰতীয় হয়, তেনেহলে আমি কিয় আজি বাটে-ঘাটে ভাৰতীয় পুলিচ সেনাবাহিনীৰ মাৰ খাব লগা হৈছে, গুলি খাব লগা হৈছে! ভাৰতীয় সৈনাই নাগৰিক অসমীয়াৰ ওপৰত অমানুষিক অত্যাচাৰ চলোৱা কোনো অধিকাৰ নাই। এই প্ৰশ্নবোৰ যদি আমি ৰাজনৈতিক দলবোৰক সোধো, তেতিয়

এই দলবোৰে আমাক (অসমীয়াক) আৰু আন্দো-
লনটোক বিচ্ছিন্নতাবাদী আখ্যা দিয়ে। অসম
বিভিন্ন ৰাজনৈতিক দল তথা বিধায়ক সকলে
নিজে আজি এই আন্দোলন পৰিচালনা কৰিব
লাগিছিল আৰু ছাত্ৰ-ছাত্ৰী সকলক অধ্যয়ণ
সময় উলিয়াই দিব লাগিছিল। কিন্তু এনেকুৱ
এটা সময়ত অসমৰ ছাত্ৰ-সকলেহে আন্দোলন
পৰিচালনা কৰিব লগীয়া হল। এইটো অসম
ৰাজনীতিবিদ্ সকলৰ বাবে অতি পৰিতাপ
কথা। অসমৰ এই ৰাজনীতিবিদ্ সকলে এবাৰো নি
জাতিতো আৰু দেশখনৰ কথা ভাবি নাচালে
এসময়ত অকণ অকণ শিশুৰ পৰা আদৰ বুঢ়া
লৈকে সকলো অসমীয়া জাতিটোক তথা অসম
বিদেশীৰকবাল গ্ৰাসৰ পৰা মুক্ত কৰিবলৈ
প্ৰতিজ্ঞাবদ্ধ হ'ল, সেই সময়ত তথাকথিত ৰাজ-
নৈতিক দল সমূহৰ নেতাসকলে গাদীলৈ খো
কামোৰাত ব্যস্ত থাকিল। ৰাষ্ট্ৰীয় ৰাজনৈতি
দলসমূহৰ প্ৰায়েই এই আন্দোলৰ বিৰোধি
কৰি ক্ষান্ত নাথাকি বৰঞ্চ বৃহত্তৰ অসমী
জাতিৰ মাজত সাম্প্ৰদায়িকতাৰ ভাৱ জগ
তুলি ভাই-ভাইৰ মাজত সংঘৰ্ষৰ বীজ ৰোপ
কৰিছে। ফলস্বৰূপে বিভিন্ন ধৰ্ম্ম, জাতি, ভা
জনজাতি আৰু অজনজাতিৰ মাজত মত বিৰো
হোৱা দেখা গৈছে। ই আমাৰ বাবে অ
দুৰ্ভাগ্যজনক কথা। এই ৰাজনৈতিক
বোৰৰ ছত্ৰছায়াত অসমত আন্দোলন বি
বিভিন্ন সংগঠনৰ জন্ম হল। এই জাতি দ্ৰো

ৰাজনৈতিক দলবোৰে কিছুমান লোকক সংখ্যালঘু বুলি নামাকৰণ কৰিলে যাৰ ফলত আমাৰ একতা কিছু সোলোক-ঢোলোক হৈ পৰিল। বৃহৎ অসমীয়া জাতি গঠন হৈছে বিভিন্ন ধৰ্ম্ম, ভাষা, বৰ্ণ, জাতি, উপজাতি আদি সম্প্ৰদায়ক লৈ। গতিকে ইয়াত কোনো সংখ্যালঘু বা জনজাতিৰ, অজনজাতিৰ প্ৰশ্ন নুঠে। ভাষা ধৰ্ম্ম নামত আমাৰ জাতিটোক টুকুৰা টুকুৰ কৰিব বিচৰা এই ধুৰন্ধৰ ৰাজনৈতিক দলবোৰে যথা সময়ত যোগ্য উত্তৰ পাব। এনেকুৱা এটা সময়ত ছাত্ৰ সমাজ আৰু জনসাধাৰণ অধিক সতৰ্ক হ'ব লাগিব যাতে এই ৰাজনৈতিক দলবোৰে কোনো সুবিধা নেপায়। বৰ্ত্তমান ছাত্ৰ সমাজে অধ্যয়ণৰ লগতে দেশ সেৱা কৰিব লাগিব।

বিদেশী নাগৰিকৰ দৰে এটা জ্বলন্ত সমস্যাক ভাৰতীয় সংবিধানিক গণ্ডিৰ ভিতৰত ৰাখি এটা আশু সমাধানৰ পথ অসমৰ বাইজে বিচাৰে আৰু এই সমস্যা সমাধান ভবিষ্যতেও সংবিধানিক ৰক্ষাকবচৰ দ্বাৰাহে মীমাংসা কৰা উচিত।

জয় আই অসম।

অনেকৰ এটি ভুল ধাৰণা আছে যে সাহিত্য মাত্ৰ কবি সাহিত্য লেখক লেখিকা সকলৰ এক চেতিয়া সম্পতি। এই ধাৰণা নিতান্ত ভ্ৰান্তিমূলক। প্ৰকৃত সাহিত্য নিখিল বিশ্বৰ যাউতিযুগীয়া সম্পতি। সাহিত্য চৰ্চা আৰু আলোচনা কৰিবলৈ, সাহিত্যৰ অমৃত পান কৰিবলৈ, কি কবি, অকবি, কি গাৱলীয়া, কি নগৰীয়া, কি বিশ্বয়া, কি ব্যৱসায়ী, কি ধনী দুখীয়া সকলোৰে সমান অধিকাৰ আছে।

পদ্মধৰ চলিহা।
ষড়বিংশ অধিবেশন
তিনিচুকীয়া ১৯৫৮।

# অসমীয়া সাহিত্যলৈ শ্ৰীমন্ত শঙ্কৰদেৱৰ অৱদান

শ্ৰীমতী কমী দে
প্ৰাকস্নাতক ২য় বাৰ্ষি

অসমীয়া সাহিত্যলৈ আগবঢ়োৱা অৱদানৰ ভিতৰত সকলোতকৈ সমৃদ্ধিশালী অৰু প্ৰাচুৰ্য্য পূৰ্ণ যুগ হল বৈষ্ণৱ যুগ। সেই বৈষ্ণৱ যুগৰ প্ৰৱৰ্তক হল অৱতাৰী মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ। অসমীয়া সাহিত্যত মহাপুৰুষ শঙ্কৰদেৱৰ এখন স্বকীয় আসন আছে কিন্তু অসমীয়া সাহিত্য ভঁৰাল টনকীয়াল কৰাৰ উদ্দেশ্যৰে মহাপু ষ জনাই সাহিত্য ৰচনা কৰা নাছিল ? তেওঁ সাহিত্য ৰচনা কৰিছিল ধৰ্ম্ম প্ৰচাৰৰ উদ্দেশ্যৰে। তথাপিও আনুষঙ্গিক ভাৱে তেওঁ যিখিনি সাহিত্য সম্ভাৰ দি থৈ গ'ল সি আজিও অসমীয়া সাহিত্যত অদ্বিতীয় হৈ আছে আৰু আগলৈও থাকিব।

মহাপুৰুষ মাধৱদেৱৰ সুৰত আমিও কওঁ —

“জয় গুৰু শঙ্কৰ সৰ্ব্ব গুণাকৰ
যাকেৰি নাহিকে উপাম,
তোহাৰি চৰণক ৰেণু শতকোটি
বাৰেক কৰোহোঁ প্ৰণাম ॥”

— গুৰুভটিমা

চতুৰ্দশ আৰু পঞ্চদশ শতাব্দী অসমীয়া জাতিৰ প্ৰহেলিকা যুগ। যি সময়ত গোটেই দেশ অন্যায় অত্যাচাৰ, ব্যভিচাৰ, ধৰ্ম্মবিৰোধ ভাৱ আদি নানা কুসংস্কাৰে ঢাকি থৈছিল আৰু সেই সময়ত দেশৰ ব্যভিচাৰ বিলাকক বিলোপ কৰি সমাজক একতা ডোলেৰে বান্ধিবলৈ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ অৱতাৰী পুৰুষ ৰূপে আৱিৰ্ভাৱ হয়।

১৪৪৯ খৃষ্টাব্দৰ আহিন মাহত বৰদোৱা
বাৰভূঞাঁৰ বংশত জাতিৰ জনক মহাপুৰুষ শঙ্ক
দেৱ জন্ম হয়। জন্মৰ পিছতেই তেওঁ মাতৃৰ বিয়ো
ঘটে আৰু শিশুকালতে এওঁ পিতৃ কুসুম্বৰ ভূঞা
কো হেৰুৱাই। বুঢ়ীমাক খেৰসোঁতিৰ তত্ত্বাৱধান
শঙ্কৰদেৱ ডাঙৰ হয়। বাৰ বছৰ বয়সত তে
পঢ়াশালীলৈ যায় আৰু তেতিয়াই “কৰতল কমল
নামৰ বিখ্যাত কবিতাটো ৰচনা কৰি তে
অসীম কবি প্ৰতিভাৰ পৰিচয় দিয়ে। ‘হৰিচ
উপাখ্যান’ যদিও গুৰু গৃহতে ৰচনা কৰে।
১৪৭০ চনত তেওঁ সূৰ্য্যাৱতীক বিয়া কৰাই আ
কিছু দিনৰ পিছতেই এটি কণ্যাসন্তান এ
সূৰ্য্যাৱতী ঢুকোৱাত — শ্ৰীমন্ত শঙ্কৰদেৱৰ ম
বৈৰাগ্য ভাৱ জন্মে আৰু ১৪৮১ চনৰ পৰা ব
বছৰ কেইজন মান সঙ্গীৰ সৈতে শ্ৰীক্ষেত্ৰ, পুৰী
আদি কৰি উত্তৰ ভাৰত ভ্ৰমন কৰে।

কীৰ্ত্তন, ঘোষা, পুথিৰেই শঙ্কৰদেৱৰ ভ
প্ৰচাৰৰ প্ৰথম বাণী ঘোষনা কৰে। ব্ৰহ্ম পুৰা
পৰা কীৰ্ত্তন ঘোষা উৰেষাবৰ্ণন আৰু পদ্ম পুৰা
পৰা নাম অপৰাধ খণ্ড ৰচনা কৰিছে। পাষণ্ড
খণ্ড ভাগৱত, বিষ্ণু ধৰ্ম্মোত্তৰ, বিহন্নাৰদীয় অ
পদ্ম পুৰাণ (সহস্ৰ নাম খণ্ড) আৰু সুত-সংহি
শ্লোকৰ অৰ্থ সন্নিৱেশ কৰি প্ৰকৰণৰ দৰে ৰ
কৰা হৈছে। ৰসৰাজ বেজবৰুৱাৰ ভাষাত “ভা
ললিত্য, ছন্দৰ ঝঙ্কাৰ, সুৰৰ লাৱণ্য, কি
আৰু দৃঢ়তা; চিন্তাৰ উচ্চতা আদি সমষ্টিৰে শ

দেৱৰ কীৰ্ত্তন ৰচিত। কীৰ্ত্তনৰ ভাষা কবিত্বময় সৌন্দৰ্য্য ক্ষিপ্ৰতা আৰু দৃঢ়তা বৰ্ণনাৰ সৌন্দৰ্য্য আৰু জটিল কথা সৰ্ব্বজন গ্ৰাহ্য সৰল অথচ সুক্ষ্ম প্ৰকাশৰ লক্ষণীয় বিষয়। " মহাপুৰুষ জনাৰ অপ্ৰগতিৰ কুসুম " মালাছন্দৰ " " গুণমালা " পুথিখনো কীৰ্ত্তন ঘোষাৰ শ্ৰেণীৰ।

তীৰ্থ ভ্ৰমণ কৰি আহি অসমৰ বিভিন্ন ঠাইত সত্ৰ পাতে। এইদৰে কেইবা ঠাইতো ঘোৰাৰ পিছত মাজুলীৰ ধুৱাহাটা বা বেলগুৰিত সত্ৰ পাতে। তাতে ১৫২২ চনত শঙ্কৰদেৱ আৰু মাধৱদেৱৰ মিলন হয়। ইয়াকে মণি " কাঞ্চন সংযোগ " বোলা হয়। দুয়োৰে মাজত ঘোৰ বিতৰ্ক হয়। বিতৰ্কৰ ফলত মহাপুৰুষ মাধৱদেৱে গুৰুজনাৰ চৰণত শৰণমানে আৰু শিষ্যত্ব গ্ৰহণ কৰে। সেইদিনাৰে পৰা শঙ্কৰ আৰু মাধৱ দুয়ো এক হৈ পৰিল।

শঙ্কৰদেৱৰ বিপুল সাহিত্যৰাজি মূলতঃ পদ্য প্ৰধান অৰ্থাৎ কবিতাময়। শঙ্কৰদেৱৰ সাহিত্য-ৰাজিৰ ত্ৰিধাৰা মিলন ক্ষেত্ৰ। সেই ত্ৰিধাৰাই হল :— কাব্য, নাট, আৰু গীত। শঙ্কৰদেৱৰ কাব্যৰাজি বিষয় বস্তুৰ ফালৰ পৰা তিনি প্ৰকাৰৰ :— আখ্যান মূলক, অনুবাদ মূলক, আৰু ভক্তিৰ গুঢ়াৰ্থ ব্যঞ্জক।

আখ্যান মূলক কাব্যবিলাকৰ ভিতৰত :- হৰিচন্দ্ৰ উপাখ্যান, গজেন্দ্ৰ উপাখ্যান, অজামিল উপাখ্যান, ৰুক্মিনী হৰণকাব্য, বলিছলন, অমৃত মন্থন, আৰু কুৰুক্ষেত্ৰ। বিষ্ণুৰ শ্ৰেষ্ঠত্বৰ দেখুৱাই এই কাব্য সমূহৰ মূল লক্ষ্য। ভক্তিবাদৰ সুগন্ধ বিয়পাই একদেৱ বিষ্ণুময় ভাৱ সমুদ্ৰত অৱগাহন কৰি এক সেৱ এক দেৱ ভগৱানৰ ওচৰত নিজক সমৰ্পণ কৰাই এই কাব্য সমূহৰ মূখ্য উদ্দেশ্য।

অনুবাদ মূলক কাব্য সমূহৰ ভিতৰত পৰে :— " উত্তৰাকাণ্ড ৰামায়ণ," প্ৰথম, দ্বিতীয়, তৃতীয়, সপ্তম, অষ্টম, নৱম, দশম আৰু দ্বাদশ স্কন্ধ ভাগৱত। ইয়াৰ ভিতৰত তেওঁৰ আদি দশমখনেই অধিক জনপ্ৰিয়।

শঙ্কৰদেৱৰ ভক্তিগুঢ়াৰ্থ ব্যঞ্জক বা তৃতীয় শ্ৰেণীৰ কাব্য বিলাকৰ ভিতৰত পৰে - " ভক্তি প্ৰদীপ, " " ভক্তি ৰত্নাকৰ, " " নিমিনৱসিদ্ধ সংবাদ "। ইয়াৰে দ্বিতীয়খন পুথি সংস্কৃত ভাষাত ৰচিত। তিনিওখন পুথিৰ লক্ষ্য একোটা গধুৰ দাৰ্শনিক ভক্তিবাদৰ সৰল প্ৰকাশ।

মহাপুৰুষ জনাৰ নাট সমূহৰ ভিতৰৰ পুথি " পত্নি প্ৰসাদ, " কালিদমন, " " কেলিগোপাল, " " ৰুক্মনী হৰণ, " " পাৰিজাত হৰণ, " আৰু " ৰামবিজয়, "। নৃত্যগীত আৰু অভিনয় দ্বাৰা সৰ্ব্বসাধাৰণৰ মাজত বিষ্ণুৰ ভক্তিৰ বীজ ৰোপন কৰি তাৰ শ্ৰীবৃদ্ধি কৰাই আছিল শঙ্কৰদেৱৰ নাট সৃষ্টিৰ, তথা ভাওনাৰ লক্ষ্য। " চিহ্নযাত্ৰা " ৰ সাতদিন সাতৰাতি জুৰি অনুষ্ঠিত হোৱা অভিনয় মূলতে আছিল সেই উদ্দেশ্য। সুদীৰ্ঘ তীৰ্থ ভ্ৰমন তথা পদব্ৰজে ভাৰতবৰ্ষ ভ্ৰমনৰ সময়ত সঞ্চয় হোৱা অভিজ্ঞতাৰ পৰা পোৱা প্ৰেৰণাও ইয়াত সন্নিবিষ্ট আছিল। সম্ভৱতঃ সেই যুগত নাটকক চাৰিভাগে অংগ বিভাগ কৰা হৈছিল এইদৰে, — গীত, শ্লোক, ভটিমা, কথা আৰু নাট বা নাচ।

শঙ্কৰদেৱৰ ৰচনা নাটত দুবিধ গীত আছে - এবিধ ৰ গৰ গীতৰ অন্তৰঙ্গ আৰু আনবিধ সাধাৰণ পয়াৰ সাধাৰণতে " সিন্ধুৰা " ৰাগত গোৱা প্ৰৱেশৰ গীততে গীতাংশৰ আৰম্ভণ। ইয়াৰ পিছত বিভিন্ন চৰিত্ৰৰ মনৰ ভাৱ, অনুভূতি প্ৰকাশক আৰু চাল-চলন বুজোৱা গীতবোৰো সংলাপৰ মাজে মাজে খোল তালেৰে গোৱা হয়। পয়াৰ বিলাক সাধাৰণতে করুণ ৰসৰ, বিলাপৰ বাবেহে যেন নাটত পয়াৰ সন্নিবেশ, এইদৰেই বহুত ভাগৰ ভাগ কৰি নাট ৰচনা কৰি থৈ গৈছে মহাপুৰুষ জনাই।

শঙ্কৰদেৱৰ নাটৰ আনএটা মনকৰিব লগীয়া কথাহ'ল তেখেতৰ কাব্য ৰাজিত গদ্যৰ প্ৰয়োগ। শঙ্কৰদেৱ মাধৱদেৱৰ আদি নাটৰ নাটকীয় গদ্যই অসমীয়া গদ্যৰ প্ৰথম নিদৰ্শণ। শঙ্কৰদেৱৰ

গীত সমূহ সমসাময়ীক আনবোৰ গীততকৈ নানা বিষয়ত পৃথক । বিষয় বস্তু ৰচনা ভঙ্গি শাস্ত্ৰীয় সুৰৰ সমাবেশ আৰু কল্পনাৰ গাম্ভীৰ্য্য কাৰণেই এই গীত ৰাজিক ডঃ বাণীকান্ত কাকতিয়ে "Noble number" বুলিবলৈ প্ৰয়াস পাইছে । এইবিলাক শঙ্কৰদেৱে অসমীয়া সাহিত্য লৈ দিয়া অতুলনীয় দান । অঙ্কীয়া নাটৰ অন্তভুক্ত গীত, চপয়, ভটিমা আদি বৰগীতৰ সমপৰ্য্যায়ৰ সৃষ্টি । এই আটাইবোৰতেই প্ৰতিভাত হৈছে ঈশ্বৰৰ বস্তুৰ মহিমা আৰু ভক্তিৰ প্ৰাড়তা । মহাপুৰুষজনাৰ এই নাট আৰু গীত সমূহৰ ভাষা অসমীয়া নহয় আচলতে ব্ৰজাৱলীহে । ব্ৰজাৱলী ভাৰতৰ পুবপ্ৰান্তীয় বৈষ্ণৱ কবি সকলৰ কৃত্ৰিমতাপূৰ্ণ এটা সাহিত্যিক ভাষা । অসমীয়া আৰু মৈথেলি ভাষা । অসমীয়াৰ আধ্যাত্মিক, সাংস্কৃতিক, সামাজিক জীৱনলৈ মহাপুৰুষৰ যি দান তাৰ মূল্যানিৰুপন কৰিব লগীয়া হয় কিছু পৰিমাণে তেওঁৰ ৰচিত সাহিত্যৰ যোগেদি । বহু দেৱতাৰ মাজত প্ৰধান দেৱতা সন্ধান দানৰ যোগে বহু সত্যৰ ভিতৰত সনাতন সত্যৰ উপলব্ধি প্ৰতি সামাজিক চৈতন্য জাগৰণ, কৰ্ম্ম, ধৰ্ম্মৰ বিভিষিকা নিবাৰণ, বাহিক অনুস্থানৰ ৰহিত বিশুদ্ধ অন্তৰক আধ্যাত্মিক উপলব্ধি প্ৰধান লীলাক্ষেত্ৰ বুলি ভাঠকৈ কৰা প্ৰতিপাদন; বৈষ্ণৱ সাহিত্যই অসমৰ জাতীয় সাহিত্যৰূপে প্ৰতিষ্ঠা লাভ কৰে । শ্ৰীমন্ত শঙ্কৰদেৱে ধ্বংসত পৰিণত হব খোজা অসমীয়া জাতি উন্নতিৰ পথলৈ আগু-

ৱাই নিয়ে । অসমীয়া জাতীৰ প্ৰাণ
প্ৰবিত্ৰ বৈষ্ণৱ ধৰ্ম্ম তীব্ৰ বীজ ৰোপন কৰি
বৰ্ণ, নিৰ্বিশেষে সকলোকে একতাৰ ডো
বান্ধি এক বৃহৎ অসমীয়া জাতি আৰু সমাজ
তুলিলে । তেৰাই ধৰ্ম্ম প্ৰচাৰৰ যোগেদি অস
জাতীয় চেতনা জগাই তুলি অসমীয়াক ধৰ্ম্ম
কৰিলে । মহাপুৰুষ জনা কেৱল মাত্ৰ
গুৰুৱেই নহয় - অসমীয়া সমাজ - ভাষা,
সাহিত্য সংস্কৃতিৰো গুৰি ধৰোতাঁ জাতীয় জন
গাওঁকতে " কীৰ্ত্তন, " দশম, " নাট, " "ভাও
সবাহ আদি তেওঁ আমাক দান দিয়ে । মহাপ
জনাৰ দান সীমিত নহয় অসীম । বৈষ্ণৱ
প্ৰচাৰৰ মাধ্যম হিচাপে তেওঁ নাট, বৰগীত
ৰচনা কৰিলে । যি বিলাক অসমীয়া ভাষা সা
ভৰাঁলৰ আপুৰুগীয়া আৰু অমূল্য সম
মৌচাক । প্ৰকৃত পক্ষে গুৰুজনাই অস
সাহিত্যৰ বৰ ভেটি নিগাজিকৈ বান্ধি থৈ গ
তেৰাৰ হাতত অসমীয়া জাতীয় সাহিত্য সংস্কৃ
এক নিৰ্দিষ্ট গঢ় ললে । মহাপুৰুষ জনাৰ ৰ
অসমীয়া সাহিত্যৰ লাইখুটা আৰু শিৰোভূষণ

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ তেওঁৰ
আগলৈকে লেখনীৰ বন্ধ কৰা নাছিল ।
চনত মাধৱ দেৱৰ ওচৰত বৈষ্ণৱ সম্প্ৰদায়ৰ
ছকুৰি বছৰ বয়সত এইজনা মহাপুৰুষ
গামী হয় ॥

জয়তু শ্ৰী শ্ৰীশঙ্কৰদেৱ ।

[ প্ৰবন্ধটো যুগুত কৰোঁতে তলৰ গ্ৰন্থ কেইখনৰ সহায় লোৱা হল :
১) পাৰিজাত হৰণ ।
২) চিহ্নযাত্ৰা ।
৩) ডিব্ৰুগড় চৰকাৰী ল'ৰাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় আলোচনী " তৰুণ " । ]

# নিষ্ঠুৰ

শ্ৰীহিৰণ্য কুমাৰ নেওঁগ।
স্নাতক মহলা।
দ্বিতীয় বাৰ্ষিক।

ঘৰটোৰ হালি থকা চালিখনৰ কাষত ৰণাই বহি আছে জোন কলৈ চাই চাই। চাইছে জ্যোৎস্নাময়ী আকাশখন। কিমান ধুনীয়া কিমান ভাল লগা। অথচ কোনো এটা সময়ত এই সুন্দৰ আকাশখন কিমান ভয়ঙ্কৰ হৈ পৰে। ক'লা-ক'লা মেঘবোৰে তৰ্জন-গৰ্জন কৰে। এটা মুকলি মুৰীয়া ভাব জনাবলৈ বুলিয়ে ৰণাই চাই পঠাইছে দূৰ দিগন্তলৈ। কেতিয়াবা আকৌ চাইছে ঘৰৰ আগৰ সমান চাহ বাগিচাৰ ওপৰে ওপৰে, শাৰী শাৰী ছাঁ গছবোৰৰ মাজেৰে - দূৰলৈ বহু দূৰলৈ। প্ৰকৃতিৰ এই সৌন্দৰ্য্যত ডুবাই ৰাখি ৰণাই নিজকে এটা বেদনাচিত ভাবৰ পৰা আঁতৰাই ৰাখিবলৈ বিচাৰিছে যদিও সি ব্যৰ্থ হৈছে। লক্ষ্য কিমান আঁতৰলৈ গৈছে, তাৰ মনৰ কোনোবা এচুকৰ ঠাই যেন সিমান ওচৰ চাপি গৈছে এখন অতি মনমৰ ভাল লগা ছবিৰ কাষলৈ। হৃদয়েও যেন সিমানেই আঘাট অনুভব কৰিছে - অন্তৰ ভাগি পৰিছে। ৰণাৰ ভাব হৈছে সি কান্দি দিব কিন্তু কান্দিবয়ে পৰা নাই। সমবেদনা জনাওঁতাও কোন নাই। তাৰ মন উৰা মাৰি গৈছে কিছু বছৰৰ আগলৈ। সকলো কথা তাৰ মনৰ দৃশ্য পটত ভাঁহি উঠিছে।

সিহঁতৰ ঘৰৰ আগৰ ৰাস্তাৰে স্কুললৈ যোৱা সুনীক প্ৰথম দিনা দেখাৰ কথা। তাৰ আজি মনত আছে স্পষ্টকৈ। মুখমণ্ডল তেজাল বগা বগা ৰঙটো গৰমৰ বাবেই আৰু তেজাল হৈ পৰিছে। পকা বিলাহীৰ দৰে গাল। নাকৰ জোডা আগটোৰ পৰা যেন তেজৰ ঘাম বাহিৰ হব বিচাৰিছে। নাহৰ গুটিৰ দৰে ডাঙৰ দীঘল সুন্দৰ চকুদুটিৰ সৌন্দৰ্য্য ঘন ক'লা চেলাউৰিয়ে দুগুণে চৰাইছে। গাৰ চাদৰ কমলা ৰঙৰ পাৰিৰে বগা। সুস্থ শৰীৰৰ, যৌৱন পূৰ্ণা সুনীৰ বুকুৰ ওপৰৰ আচঁলত দৃষ্টি পৰাৰ লগে লগে ৰণাৰ অন্তৰত যেন এক হাহাকাৰ লাগি প'ল। সেই তৃপ্তিৰ জোৱাৰৰ মাৰ নিওৱাৰ সি কোনো পাৰ বিচাৰি নাপালে। মাথো চায়ে ৰ'ল। সুনীৰো দৃষ্টি ৰণাৰ ফালে অ দিতে মুহোৰ্ত্তকৈ থকা নাছিল। সেয়ে দুয়োৰে দুয়োৰ নয়নৰ মিলন হৈছিল একস্থলত। এইদৰে দুয়ো সময়ৰ লগে লগে আগবাঢ়ি গৈ সহজ হৈ আহিছিল ইজনে সিজনক মিচিকিয়া হাঁহিৰে সম্ভাষণ জনাই। ইয়াৰ বাহিৰেযে আৰু উপায় নাছিল। ৰণাৰ চেঙেলীয়া মনে কিবা এটা অভাৱ অনুভব কৰিছিল। সুনীক পোৱাৰ আশাৰে তাৰ মনে ৰচিছিল এক সুন্দৰ সপোন।

এখন বিয়াৰ নিমন্ত্ৰণীয়ে সিহঁত দুয়োটাকে লগ হোৱাৰ আৰু প্ৰথম চিনাকি হোৱাৰ সুযোগ দিলে। আৰু সিদিনাই ৰণাই প্ৰথম জানিব পাৰিছিল তাইৰ নাম সুনী। সুনীয়ে সিদিনা বিয়ালৈ গৈছিল স্কুলৰ বান্ধৱীবোৰৰ সৈতে। সিদিনাই দুয়ো দুয়োকে জানিছিল। বুজিছিল

হুয়োঃ হুয়োৰে অন্তৰ কিমান ব্যাকুল। হুয়ো-ইজনে সিজনক কিমান বিচাৰে। সিদিনাৰ প্ৰতিটো কথাই তাৰ আজিও স্পষ্টকৈ মনত আছে। এয়া যে দুবছৰ আগৰ কথা।

এইদৰেই লাহে লাহে দিনবোৰ পাৰ হৈ গ'ল, ৰাণা আৰু সুনীৰ প্ৰেমৰ মধুৰালাপৰ মাজেৰে প্ৰতিদিনৰ কিছু সময়, আবেগৰ অশেষ তৃপ্তিৰ মাজেৰে। সিহঁতৰ প্ৰেমৰ আবেগে দিন বোৰ চেৰপেলাই গৈছে। দুয়ো পৰস্পৰে কৈছে, জীয়াই আছো মাথো তোমাৰ বাবেই-আকোৱালি লোৱা, সোনকালে লোৱা পলম নকৰিবা, কি জানি বাধা আহি পৰে। দিনৰ গতিৰ লগে লগে প্ৰেমৰো গতি বৈ গৈ বহুদূৰ পালেগৈ। সেয়ে এদিন সুনীৰ দেউতাকে সিহঁতৰ প্ৰেমৰ কথা গম নেপোৱাকৈ নেথাকিল।

সুনীৰ দেউতাক আছিল সম্ভ্ৰান্ত ঘৰৰ। সেয়ে তেওঁ জীয়েক সুনীৰ লগত এজন প্ৰাথমিক স্কুলৰ শিক্ষকৰ পুতেক ৰাণাৰ প্ৰেমৰ কথাটো শুনি ভাল নাপালে আৰু সুনীক তাৰ পৰা আঁতৰি আহিবলৈ আদেশ দিলে। কিন্তু এয়া সুনীৰ দেউতাকে ভবাৰ দৰে সহজ নাছিল। প্ৰেমৰ বান্ধোন হয়তো সিমান শিথিল নহয়। পৰিস্থিতিৰ ব্যৱধান থকা স্বত্বেও প্ৰেম সম্ভৱ হয় - যদিহে দুয়ো জনৰ মনৰ দিগন্ত এক ৰেখাত উপনীত হয়। সেয়ে সুনীয়ে ৰাণাৰ পৰা আঁতৰি থাকিব নোৱাৰিলে, নিবিচাৰে আৰু নোৱাৰে। বাপেকৰ বাধা নামানি সুনীয়ে ৰাণাক লগ কৰে, সকলো পাহৰি।

ৰাণাৰে আজি মনত পৰিছে সুনীৰ

দেউতাকে তাক মাতিপঠোৱা সেই দিনটোৰ কথ
সি পাহৰিব পৰা নাই। পাহৰিবই বা কেনেকৈ
সুনীৰ দেউতাকৰ কথা ৰাখি সি গধূলি হো
আগেয়ে সিহঁতৰ ঘৰলৈ গ'ল। ড্ৰইং ৰুমৰ দু
চকীত সুনীৰ দেউতাক আৰু ৰাণা বহিছে
সুনীৰ দেউতাকে নিজৰ পৰিস্থিতিৰ কথাৰ লগ
সুনীৰ পৰা আঁতৰি থকাৰ কথাটো তাক ক
অনুৰোধও কৰিলে। সি কিন্তু এনে এটা পৰিস্থি
এনে এষাৰ কথা শুনিবৰ বাবে প্ৰস্তুত নাছিল
সেয়ে তাৰ মনত এক প্ৰবল ধুমুহাই প্ৰলয়ৰ স
কৰি গ'ল। তাৰ খং উঠি গৈছিল। সি কি কৰি
শুচি যাব নে কিবা কব! তেনে সময়তে দুৱ
পৰ্দাৰ ফাকেৰে তাৰ চকুত পৰিছিল - ঔল
আছিব বিচৰা চকুলোক বান্ধ দি ৰাখিব নোৱা
ছক্ ছকৈ কান্দি পালেহত বহি থকা সুনীক
তাই প্ৰকাশ কৰিব পৰা নাই। তাই যে উপ
হীন। সুনীৰ বৈ পৰা দুধাৰি চকুলোৱে ত
অন্তৰত এক অবুজ বেদনাৰ জোৱাৰ তুলি গ'ল
সি গুচি আহিল নিৰৱে। তাৰ মুখৰ মাত কেইব
যেন এক অদৃশ্য শক্তিয়ে গ্ৰাস কৰি পেলালে
এই কথা ভাবি ভাবি সি এতিয়াও বৰ ক্লা
বোধ কৰিছে। সি বাগানৰ ওপৰৰ সেউজ বৰ
পৰা দৃষ্টি আঁতৰাই চাই পঠাইছে আকাশৰ
দিগন্তলৈ। আকাশত জোনবায়ে সৰু সৰু ভ
ৰৰ টুকুৰাবোৰৰ লগত যেন খেলাহে কৰিছে-
ওলাইছে সকলো পোহৰাই আকৌ আঁৰ হৈ
ধৰাতল অলপ আন্ধাৰ কৰি। ৰাণাই
আছে স্থিৰ দৃষ্টিৰে।

ঘৰৰ ভিতৰত মাক ৰান্ধনি ঘৰৰ ব্যস্ত। ভায়েক আৰু ভনীয়েকে আজিৰ অসমীয়াৰ ব্যৱহাৰ পৰিপ্ৰেক্ষিতত সমাজ সংস্কাৰৰ দিশত আলোচনা কৰাত মগ্ন। সৰু ভনীয়েক দুজনীয়ে ... আছে ধেমালি কৰি কৰি। ৰাণাৰ ভায়েক ... নৱম মান শ্ৰেণীত আৰু ভনীয়েকে মেট্ৰিক ... কৰি ঘৰতে বহি আছে। চাকৰীও নাই ... তে টকাৰ অভাৱত পঢ়াও নাই। ৰাণাই ... দেওনাখনকে পাৰ হ'ব নোৱাৰি বৈ ... ছে।

ৰাণাৰ বাপেক আছিল এখন প্ৰাথমিক ... শিক্ষক। পাঁচটা লৰাছোৱালী আৰু ... কে নৈতে তেওঁ কোনোমতে সংসাৰ ... ইছিল। দৰিদ্ৰতাৰ লগত সংগ্ৰামেৰেই তেওঁ ... নিয়াইছিল। জীৱন কালত অলপো টকা ... নোৱাৰি শেষমুহূৰ্ত্তত নিজকে দোৰাৰে.প ... চলুপানী ট্ৰাকৰ লগা হৈছিল। জীৱনৰ বিৰাট ... লগত যুজ কৰি কৰি তেওঁৰ শৰীৰ ভাগি ... ছিল আৰু বেমাৰৰ চেপাত বিচনাত পৰি বব ... হৈছিল। তেতিয়া ৰাণা হৈ পৰিছিল উপায়- ... । কি কৰিব ? বাপেকৰ চিকিৎসাৰ বাবে ক'ত ... বিচাৰিব। ইফালে বাপেকৰ অৱস্থা শোচনীয় ... পৰিছে। উপায়হীন হৈ ৰাণাই প্ৰথমে হাত ... ছিল নিজৰ আত্মীয় স্বজনৰ ওচৰত, কেইটা ... টকাৰ বাবে। কিন্তু তাৰ সেই অসহায় ... সিহঁতে সহানুভূতিৰ বাহিৰে তাক একো ... লে। হয়তো সিহঁতৰ সামৰ্থ্যৰো অভাৱ ... ছিল। এয়েতো আজিৰ অসমীয়া সমাজৰ অৱস্থা। এনে দুৰ্বলতাৰ সুযোগ জানো বিদেশীয়ে নোলোৱাকৈ আছে ? তাক সকলোৱে বুজিও হয়তো বুবুজাৰ ভাও লৈছে। ৰাণাই হতাশা-বেদনাৰে ঘৰলৈ ঘূৰি আহিছিল মাথো। ঘূৰি আহি মাকৰ হাতত এটাও টকা তুলি দিব নোৱাৰি মাথো দুচকুত বাগৰি পৰিব বিচৰা দুটোপা চকুলোৰে ৰাণাই মাকক কৈছিল - " সচায় আজি সমাজত আমাৰ দৰে মানুহৰ কোনো স্থান নাই মা-কোনো স্থান নাই। "

উপায়ান্তৰ ৰাণাই ওচৰৰে এজন সম্ৰান্ত লোক পৰশ বৰুৱৰ ওচৰত ধাৰ হিচাবে অলপ টকাৰ সহায় বিচাৰিলে। বৰুৱে টকা দিবলৈ মান্তি হ'ল ৰাণাহঁতৰ একমাত্ৰ আশ্ৰয়স্থল ঘৰলৈ থকা মাটি ভোখৰৰ বিনিময়ত। কিন্তু ৰাণাই সেয়া কৰিব নোৱাৰিলে। ঘৰৰ আটাইকেইটা প্ৰাণীৰ একমাত্ৰ আশ্ৰয়ৰ স্থলভোখৰ বাৰু সি দিয়ে কেনেকৈ ?

ৰাণাই উপায় পোৱা নাই। সি কেনেকৈ টকা উলিয়াব। কাৰোবাক ঠগ কৰিব, চুৰ কৰিব নে গুণ্ডামি কৰিব-ভাবি সি পাৰ পোৱা নাই। আজি তাৰ মনত পৰিছে প্ৰেমৰ কথা। যাক সি এদিন নিষ্ঠুৰ বুলিছিল। প্ৰেমই টকা দুশৰ বাবে বিনোদ মহাজনক অনুৰোধ কৰিছিল, হাত যোৰ কৰি ভৰিত ধৰিছিল-মাতৃক মহলাৰ শেষ পৰীক্ষা দিবৰ বাবে প্ৰয়োজন হোৱাৰ বাবে। মহাজনে কোনোমতে সন্মত নোহোৱাত পৰি থকা দা এখনেৰে সি মহাজনক কাটি ছুচেও কৰি পেলাইছিল। আজি ৰাণাৰ ভাব হৈছে, প্ৰেম জানো সচাই নিষ্ঠুৰ !

তেনে সময়তে দেউতাকৰ স্কুলতে শিক্ষকতা কৰা এজন ডেকা শিক্ষকে ৰাণাইহঁতৰ ঘৰলৈ আহি পৰিস্থিতি বুজিব পাৰি ঘৰলৈ পঠাবলৈ থৈ দিয়া টকা দুশ সিহঁতৰ হাতত তুলি দিলে। ৰাণাই তাক গ্ৰহণ কৰিলে অনিচ্ছা স্বত্বেও। ৰাণাই অনুভৱ কৰিলে সেই শিক্ষকজনৰ হৃদয় কিমান কোমল। সমাজত সম্ভ্ৰান্ত বুলি স্বীকৃতি পোৱা নিষ্ঠুৰ মৰমহীন দ.লাল মহাজন, ধনী লোকসকলৰ মাজতো কেনেকৈ এজন বহল অন্তৰৰ লোক থাকে হয়তু যি সকলৰ সহায় কৰিবলৈ সামৰ্থ্যৰ অভাৱ।

সেই টকাৰে দেউতাকৰ চিকিৎসা আৰম্ভ কৰিলে। কিন্তু ফল নধৰিল। টকাৰ অভাৱৰ বাবেই চিকিৎসা পলম হোৱাত বেমাৰ বাঢ়ি গৈ শেষ সীমা পাইছিলগৈ। তেওঁক ঘৰৰ সকলোৰে মৰম আৰু চিকিৎসাই জীয়াই ৰাখিব নোৱাৰিলে। নিয়তিৰ প্ৰকোপত ৰাণাৰ দেউতাকে এই সংসাৰ এৰি যাব লগা হ'ল ভগৱানৰ ইচ্ছাৰ হকে। কিন্তু পৰমাত্মাৰ লগত জানো তেওঁৰ আত্মা মিলন হ'ল ? তেওঁতো বিচৰা নাছিল নিজ ভৰিৰ ওপৰত থিয় হবলৈ নোপোৱা ৰাণা আৰু ঘৰৰ সকলোকে এৰি যাবলৈ। কিন্তু সকলোকে এৰি তেওঁ চিৰকাললৈ চকু মুদিলে।

ছমাহৰ আগৰ সেই দৃশ্যপটত আজি ৰাণাৰ মন ডুব যাব লাগিছে। জোনাকলৈ গতি কৰি তাৰ দৃষ্টিয়ে, তাত এই বোৰযে বিচাৰিব লাগিছে। তাৰ মনৰ দৃশ্যপটত ভাহি উঠিছে বিৰৱা কৰি থৈ যোৱা মাকে কিদৰে ৰাউলি হৈ কান্দিছে।

দেউতাকৰ মৰমৰ পৰা বঞ্চিত হৈ পৰা ৰা
ভনীয়েকে বগা কাপোৰেৰে ঢাকি ৰখা দেউত
মৰা শটোৰ ওপৰত মুখ গুজি কিমান যে চিএ
কান্দিছে। তাই এৰিব বিচৰা নাই ইমান
মৰম দি অহা দেউতাকক। কিদৰে এৰিব
ৰাণাই একেথৰে বৈ আছে দেউতাকৰ মৰা
টোলৈ চাই। মাথো চায়ে আছে, কিমান স
সি নাজানে। তাৰ অন্তৰত দুখ লাগিছে
কান্দিব, কিন্তু কান্দিবযে পৰা নাই। বু
কোনোবা এডোখৰত যেন বাৰে বাৰে বেদ
প্ৰবল চাপে খুন্দিয়াইছে তাৰ চকু চলচলীয়া
পৰিছে। অজানিতে দুগালে দুধাৰি চকুলো
পৰিছে ওঁঠ যোৰ কঁপি উঠিছে।

ইয়াৰ পিছত ৰাণাৰ দেউতাকৰ
দেহটোক পবিত্ৰ জলেৰে ধুৱাই বগা কাপোৰে
ঢাকি, চাঙিত তুলি চাৰিজন মানুহে কান্ধত
শ্মশানলৈ লৈ গ'ল। চিতাৰ জুই ৰাণাই প্ৰথ
দিলে। ৰাণাই কান্দি কান্দি নিজৰ মৰমৰ দে
তাকক কিদৰে জুই দিলে তাক বেদনাৰ চাপ
সকলো পাহৰি গ'ল। ঘৰলৈ ঘূৰি আহিল উদ
মনেৰে। ঘৰখন যেন উদাস, একোনাই; মা
বেদনাত হুমুনিয়াহেৰে হৃদয় বিদাৰি যে
কান্দোন। ভিতৰ সোমাই সি অসহ্য বেদনা অ
কৰিলে, তাৰ দেউতাকৰ অভাৱ। সিয়ে শ্মশা
নিজে জুই দি আহিলে। ৰাণাই সেই দিনা ৰা
বিচনাত বাগৰি গাৰুত মুৰ গুজি মাথো কান্দি
এইদৰে এদিন দুদিন কৰি দিনবোৰ পাৰহৈ গ'
আত্মাৰ সদগতিৰ বাবে সমাজৰ নিয়মানুসাৰে শ্ৰ
আদি হৈ গ'ল।

এতিয়া ৰাণা হৈ পৰিল খবৰ শুনি পৰেতো, ধৰিব লগা হ'ল। খৰখন চলাই নিবলৈ প্ৰয়োজনীয় টকাৰ অভাৱে তাক মুকলা কৰি পেলালে। নিজৰ জীৱনৰ অনুপযুক্ততা চিন্তাই তাক বেদনাতুৰ কৰি পেলালে। চাৰিওফালৰ পৰা অনুপযুক্ততাৰ ধ্বনিয়ে তাক ভৰাই তুলিছে পৃথিৱীত জীয়াই থকাৰ বাবেই সি উপযুক্ত নহয়। তেন্তে সুনীৰ লগত ভাল পোৱাৰ সম্বন্ধ ৰখাৰ জানো সি উপযুক্ত? সেই বাবেই সি আঁতৰি আহিব বিচাৰিলে সুনীৰ কাষৰ পৰা। যদিও এদিন সুনীয়ে ৰাণাৰ ওচৰত প্ৰকাশ কৰিছিল, এইদৰে -"ৰাণাদা, মই নিবিচাৰো ধনৰ সুখ, যদি মোক আপুনি অন্তৰৰ মৰম দিয়ে। আপোনাৰ মৰম বিচাৰিছে মোৰ অন্তৰ আকুল"। কিন্তু ৰাণাই আজি জানো এয়া মানি লব পাৰিছে? সি ভাবিছে-সুনীৰ দৰে এজনী সৰল মনৰ ছোৱালীৰ অন্তৰ বান্ধি ৰাখি ভবিষ্যতত তাইৰ জীৱন দুখময় কৰি নুতুলিব। সি সুনীক বিদায় দিব তাৰ জীৱনৰ পৰা। ৰাণাই এই সময়ত ভাবে নিষ্ঠুৰভাৱে। ৰাণাই জানে যে বিদায় বেলাত সুনীয়ে কিমান আঘাট পাব! কিন্তু ৰাণাই ভাবিছে যেন সুনীয়ে তেওঁৰ ভবিষ্যতে কটোৱা দিনবোৰ বিদায়ৰ দিনটোতকৈ বেচি দুখৰ হব। সিহঁত দুয়ো লগ হৈছিল এজোখৰ ঠাইত কেইদিনমান।

দুয়ো বৈছে নৈৰ কাষৰ এখন বহল সমান ঠাইডোখৰ যথেষ্ট গহীন। সময়ে সময়ে দুই এটা চৰাইৰ মাত, মনৰ ভাববোৰে ৰাণাক ঠাইডোখৰ যেন আৰু গহীন কৰি তুলিছে। ৰাণাই বহিছিল পৰি থকা এটুকুৰা কাঠৰ ওপৰত। সুনীয়ে বহিল মৰমৰ পৰশ বুলাই ৰাণাৰ নিচেই কাষতে। ৰাণাই চাইছে সুনীৰ মুখলৈ। সুকুমল মুখমণ্ডলত লাজুক ভাবৰ ছুটি হৰিণাৰ দৰে ধুনীয়া চকুৱে তাইৰ সৌন্দৰ্য্য পৰিস্ফুত হৈছে। বহলকপালৰ ওপৰৰ দুই এডাল অসংযত চুলিয়ে সৌন্দৰ্য্য আৰু বঢ়াই তুলিছে। সুনী যেন ৰাণাৰ দৃষ্টিতআৰু ধুনীয়া হৈ পৰিছে এই ক্ষণত। ৰাণাই ভাবিছে, বিদায়ৰ কথাটো সি কেনেকৈ সুনীৰ আগত প্ৰকাশ কৰিব। দুয়ো নিমাত। সুনীয়ে চাই আছে আকাশলৈ, বহু সময়। আকাশত তৰাবোৰে চলাচল কৰি আছে; বেলিটোক অলপকৈ লুকাই ৰাখি বতৰটো সেমেকাই ৰাখিছে। তৰাবোৰে এনেদৰে আনডোখৰক ঢাকি আকৌ আঁতৰি গৈছে, এনেদৰে বহু সময়।

ইয়াৰ পিছতে নিস্তব্ধতা আঁতৰ কৰি ৰাণাই কৈ গৈছিল তাৰ মনৰ কথা। সুনীক তাৰ জীৱনৰ পৰা আঁতৰি গৈ এক নতুন জীৱন গঢ়াৰ কথা। ৰাণাই স্পষ্টভাৱে, অতি নিষ্ঠুৰ ভাবে প্ৰকাশ কৰি গ'ল-কথাখিনি। যদিও তাৰ অন্তৰত এক বেদনাই হাহাকাৰ লগাই গ'ল-কিবা এটা পাই হেৰুৱাৰ বেদনাত, কিবা এটা শেষ হৈ যোৱাৰ বেদনাত।

সুনীয়ে তাক বাৰে বাৰে অনুৰোধ কৰিলে এনে নকৰিবলৈ। কিন্তু ৰাণাই এয়া মানি লব নোৱাৰিলে।

তাই উপলব্ধি কৰিলে ইমান দিনে ভাবি

অহা তাইৰ মৰমৰ, কোমল অন্তৰৰ ৰাণাদা যে কিমান নিষ্ঠুৰ। তাই কান্দি দিলে, তাই উচুপিলে। আৰু কৈ গ'ল আপুনি এয়া কি কৰিলে এই অভিনয় আপুনি কিয় কৰিলে ? আপুনি বিশ্বাস-ঘাটক। আপুনি ……… !

ৰাণাই মাথো শেষ বাৰলৈ কলে-মই যে উপায়হীন সুনী ! মোক বিশ্বাস কৰা।

সুনী আঁতৰি গ'ল উচুপি উচুপি। ৰাণাই বিৰহ বেদনাৰে বহি ৰ'ল বহু সময়। মাথো শুনি ৰল' বতাহত উটি ভাঁহি থকা সেই উচুপনি-বহুসময় প্ৰতিধ্বনিত হৈ থাকিল তাৰ কাণত। ভাঁহি ৰ'ল বহু সময় সেই ছবি তাৰ দৃষ্টিপটত।

বহু সময়ৰ পিছত মাৰ গৈছিল বদালিৰ বেলি পশ্চিমৰ আকাশত। আকাশৰ বুকুলৈ নামি আহিছিল আন্ধাৰ। তেতিয়া ৰাণাই বাওনা হৈছিল নদীৰ পাৰৰ পথাৰখনৰ পৰা ঘৰলৈ বুলি।

এয়াই নিয়তিৰ পৰিহাস, পৰিস্থিতিৰ অসমৰ্থ-তাৰ বাস্তৱতা। এয়া জানো সঁচাই আশা কৰিছিল ৰাণাই ? ৰাণাই জানো উপলব্ধি কৰা নাই সুনীৰ অন্তৰৰ সেই বেদনা।

এদিনৰ পিছত ৰাণাই পাইছিল এ
চিঠি সুনীৰ পৰা এয়ে আছিল শেষ চিঠি। ত
বাৰে বাৰে অনুৰোধ কৰিছিল, ৰাণাক এ
নকৰিবলৈ। কিন্তু প্ৰত্যুত্তৰ দি'ছিল ৰাণাই অ
দৰেই, অনিচ্ছা স্বত্বেও চকুত তুপাৰি চকুপানী
সেয়া জানো সুনীয়ে বুজিলে। তাই বুজি
বুজিব কেনেকৈ ? তাই মাথো বুজিলে-
বিশ্বাসঘাটক, সি নিষ্ঠুৰ।

আৰু আজি হঠাতেই ৰাণাই শুনি
পাইছিল-সুনীয়ে আত্মহত্যা কৰিলে। এয়া বি
কৰিব পৰা নাই ৰাণাই, যদিও ই সত্য। ত
সি মানি লব লগা হ'ল, মানি ললে। কিন্তু ব
অন্তৰত এই বেদনা বেদনা হৈয়ে ৰ'ল। ৰা
জোনাকত জিলিকি উঠা বিভীষিকাময় আক
ক'লা ডাৱৰবোৰ চাই চাই মাথো ভাবিছে-
কি হৈ গ'ল ? কিয় সুনীয়ে এই পথ বাচি ল
কিয় তাই এনে নিষ্ঠুৰ কাম কৰিলে ??
প্ৰশ্ন প্ৰশ্ন হৈয়ে ৰল।

---

" ভাষা সংস্কৃতিৰ, সমাজ, অৰ্থনীতিৰ ঘোৰ দুৰ্দিনত কঠোৰ সেৱাব্ৰতেৰে কৰ্মক্ষেত্ৰত জপিয়াই পৰক, যাওক, এনে সেৱাব্ৰতী শৃংখলিত এদল আমাৰ পৰ্বতীয়া ভাই সকলৰ ঘৰে ঘৰে, যাওক এদল থকা মিলা-খোৱা লোৰাত, অনভিজ্ঞ অশিক্ষিত, এন্ধাৰত পৰি থকা প্ৰত্যেক খনগাৱৰ চোতালে পদুলীয়ে যাওঁক এদল অসমৰ হাটে বজাৰে, ধৰক এদলে একাগ্ৰতাৰে সাহিত্য সেৱাত, যাওঁক এদল পতিত হৈ পৰি থকা মাটি কেইডোখৰলৈ। পৰ্বতীয়া অসমীয়া সকলৰ নিজৰ বুকুলৈ টানি, আনক গাঁৱলীয়া সকলৰ মনত শিক্ষাৰে জাতীয় চেতনা জগাইতোলক, নিজ দেশৰ মাটি থিনিন লগত ভাইভনী কিটিৰ নাড়ীৰ সমন্ধ স্থাপন কৰি একপ্ৰাণৰে বিৰাট সাহিত্য সৃষ্টি কৰক। বেহাবেপাৰ হাতত লওক।

অম্বিকাগিৰী ৰায়চৌধুৰী।

# দুটি জীৱন

বৰ্তমান আন্দোলনৰ পটভূমিত লিখা ।

মোহন ৰাজ কোঁৱৰ ।
স্নাতক মহলা
চূড়ান্ত বাৰ্ষিক

বহল ভাৰতীয়া । পুৰাবে পৰা এজাক নেপা নেপেৰ ববযুগ পৰিছিল । বিদ্যা এখন কলেজৰ চৌহদলৈ সোমাই আহি বাৰাণ্ডাত বৈ ৰ'ল । প্ৰায়বোৰ ছাত্ৰ-ছাত্ৰীৰ চকু বিদ্যাখনত কোন সেইয়া যাত্ৰী । বিদ্যা খনৰ পৰা নামি আহিল এহাল যুৱক-যুৱতী সকলোৰে পৰিচিত অৰূপ আৰু অৰূপা মুখত এমোকোৱা বিজয় গৌৰবৰ হাঁহিলৈ । সিহঁত দুয়ো বৃথা চেষ্টা কৰিছিল বন্ধু বান্ধবীৰ আগত সিহঁতৰ গোপন প্ৰণয়ৰ কথা লুকাই ৰাখিবলৈ । কিন্তু, সূৰ্য্যই নিজানেই সুন্দৰ কিৰণ চটিয়াই নিদিয়ক ।কয় সি জন্ম বাবেই । ই চিৰন্তণ সত্য । একোখো জ্বলা জুইক কাপোৰেৰে ঢাকি ৰাখিব নোৱাৰাৰ দৰে এহাল প্ৰেমিক প্ৰেমিকাই ও লুকোৱাই ৰাখিব নোৱাৰিলে সিহঁতৰ গোপন অভিসাৰৰ কথা । কানৈ বাণিজ্য মহাবিদ্যালয়ৰ আলোচ্য বিষয় হৈ পৰিল অৰূপ আৰু অৰূপা ।

গাঁৱৰ ল'ৰা অৰূপ বকৰাই উচ্চ শিক্ষাৰে নিজক প্ৰতিষ্ঠা কৰিবলৈ কানৈ বাণিজ্য মহাবিদ্যালয়লৈ আহিছিল । মহাবিদ্যালয়ত প্ৰথম যোগ দিয়েই অৰূপৰ ভৰি পিচলৈ গল সহপাঠী অৰূপা চলিহাৰ সান্নিধ্যই । প্ৰথম পৰিচয়তে দুয়োৰে হৃদয়ত এক অজান শিহৰণ জাগে । নামৰ সাদৃশ্যই অজানিতে দুয়ো দুয়োৰ কাষ চাপি যায় । যৌৱনৰ বলিয়া বানে উটাই নিয়া দুটি প্ৰাণীয়ে বিচাৰিছিল এটি মাথো উপকূল । সৃষ্টি কামী মনে ৰচনা কৰিছিল এখন ৰঙীন সপোন । দিনবোৰ বাগৰি যায় নদীৰ সোঁতৰ দৰে অবিৰাম গতিত আৰু সেই দৰে বৈ যায় অৰূপ আৰু অৰূপাৰ প্ৰেমৰ নিজৰা । অনাবিল এই প্ৰেমৰ নিজৰা একাকাৰ হৈ এক বিশাল সমুদ্ৰত মিলিত হোৱা প্ৰতিশ্ৰুতিয়ে ......

সেউজ পুৰৰ নিবাসী ইঞ্জিনিয়াৰ উপেন চলিহা আৰু কল্যানী চলিহাৰ আদৰৰ কন্যা অৰূপাই প্ৰকৃতিৰ পৰা পাইছিল সৌন্দৰ্য্যতা খনিকৰে তাইক গঢ়িছিল অদ্বিতীয়া কৰি । মুঠতে তাই নামে কামে অপৰূপা আছিল । অৰূপ? অৰূপ যদিও গাঁৱৰ ল'ৰা, গাঁৱৰ পৰিবেশত ডাঙৰ হোৱা তথাপি তাৰ সাজ পোছাক চাল চলন দেখিলে তাক গাঁৱৰ ল'ৰা বুলি কোনেও কব নোৱাৰে । অৰূপৰ পুৰুষ সুলভ চেহেৰা, এযাৰ মৌৱৰষা মাতে অৰূপাক আকৃষ্ট কৰিছিল । আনকি প্ৰতি গৰাকী ছাত্ৰীয়ে অৰূপক নিজৰ কৰি লোৱাৰ ভাৱ মনতে পোষণ কৰি ৰাখিছিল । এইদৰে দিনান্তত সন্ধিয়া নামে আৰো সূচনা হয় নতুন দিনৰ । লগৰ বন্ধু

বান্ধবীয়ে নিতৌ নতুন জ্ঞানেৰে আগ বাঢ়ি যায় আৰু অৰুপ; অৰুপই মহান উদ্দেশ্য পাহৰি আগ বাঢ়ি যায় প্ৰেমৰ বোজালৈ ছুয়ো ছুয়োকে পাহৰি নোযোৱাৰ প্ৰতিশ্ৰুতিয়ে। অৰুপৰ সান্নিধ্যই অৰুপাই পালে যৌৱনৰ সাৰ্থকতা প্ৰথম প্ৰেমৰ মাধুৰ্য্য। পাৰহৈ যোৱা পোন্ধৰতা বসন্তত অৰুপাই কোনো পুৰুষৰ সংস্পৰ্শলৈ অহা নাছিল। অহা নাছিল মানে মাক দেউতাকৰ চোকা দৃষ্টিত থাকি বালিকা বিদ্যালয়ত পঢ়িছিল বাবে সুবিধা পোৱা নাছিল। মহাবিদ্যালয়ত ভৰি দিয়াৰ লগে লগে তাই পালে বয় ফ্ৰেণ্ড আৰু বন্ধুটো। সদায় এৰালত থকা গাই এজনীয়ে ৰচী চিঙিলে যি দৰে আনন্দত ইফালে সিফালে দৌৰ মাৰে ঠিক সেইদৰে মহাবিদালয়ৰ প্ৰথম খোজতে অৰুপাই যৌৱনৰ বলিয়া বানত গা এৰি দিলে। তাই নাজানে এই বানে নি তাইক ক'ত উঠ বগে। তাই মাথো জানে অৰুপ আৰু অৰুপ।

এনেতে আহিল এটি ছুৰ্যোগ, আই অসমীৰ বুকুলৈ নামি আহিল এক প্ৰলয়ংকাৰী ধুমুহা। অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ ধুমুহা। বিদেশীৰ কড়াল গ্ৰাহৰ পৰা আই অসমীক উদ্ধাৰ কৰিবলৈ সদৌ অসম ছাত্ৰ সন্থাই মহাত্মাৰ আদৰ্শৰে গণতান্ত্ৰিক আন্দোলন গঢ়ি তুলিলে। ছাত্ৰ সন্থাৰ এই আন্দোলন সমগ্ৰ অসমীয়াৰ আন্দোলনলৈ ৰূপান্তৰিত হল। আৰম্ভ হল আন্দোলনৰ কাৰ্যসূচী নিৰ্বাচন বন্ধ কৰা। এই কাৰ্যসূচী সফল কৰিবলৈ গৈ অসমৰ সুযোগ্য সন্তান "খৰ্গেশ্বৰ তালুকদাৰে" আৰক্ষী বাহিনীৰ হাতত প্ৰাণ হেৰুৱালে। খৰ্গেশ্বৰৰ মৃত্যুৱে অসম বাসীৰ মনত হতাশা আনিব নোৱাৰিলে। বৰঞ্চ হাজাৰ জন খৰ্গেশ্বৰ আগবাঢ়ি আহিল প্ৰাণদি হলেও আই অসমীক উদ্ধাৰ কৰিবলৈ। আন্দোলনৰ জুই চাৰিও ফালে বিয়পি পৰিল। উপায়হীন হৈ প্ৰশাসনীয় বিভাগে শিক্ষানুষ্ঠান বোৰ বন্ধ কৰি দিলে। ঘৰৰ ল'ৰা ঘৰলৈ উভতিব লগা হল।

আমাৰ আন্দোলনৰ ওচৰ চুবুৰীয়া ৰাজ্যই ও সহাৰি জনালে। কিন্তু অৰুপাৰ মনত জাগিল প্ৰেমৰ শোকাগ্নি। অৰুপৰ পৰা চিঠি পত্ৰ নাপায় তাইৰ অৰুপলৈ খুবেই খং উঠে। তাই ভাৱ পুৰুষ জাতিটো খুবেই নিষ্ঠুৰ। অৰুপাৰ একেবাৰে অকল শৰীয়া যেন অনুভৱ হয়। অৰুপৰ মনতো অৰুপাৰ চিন্তা নহাকৈ নাথাকে কিন্তু আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰা বাবে এইবোৰ তলপৰি যায়। আন্দোলনৰ কাৰ্যসূচীলৈ অৰুপ গল হুলীয়াজানলৈ তেল অৱৰোধ কৰিবলৈ। হুলীয়াজান তেলনগৰীত লোকে লোকাৰণ্য হৈছিল। অগনন আবাল, বৃদ্ধ বনিতাৰ একে মাত অসমৰ পৰা বিদেশী বহিস্কাৰ নহলে অসমৰ তেল বাহিৰলৈ যাব নোৱাৰে। সেই সময়তে আৰিভাৱ হল কাল মূৰ্ত্তি ধৰি এচ, পি; যম; নিৰ্দ্দেশ আহিল গুলী চালনাৰ। আৰক্ষী বাহিনীয়ে উন্মাদহৈ শান্তিপ্ৰি নিৰস্ত্ৰ সত্যাগ্ৰহীৰ ওপৰত গুলী চলালে। অজিত নৃপেন আদি বহুতৰ প্ৰাণ বায়ু উৰি গল। প্ৰাণ মমতাত পালোৱা সকল খালে দোঙে পৰি ৰ'ল আৰু সেই সকলৰ ওপৰত পৰিল লাঠি, চৰ আ

বহুতো লাঞ্চনা। বহুতো চিৰদিনৰ বাবে পঙ্গু হল। ছুলীয়াজান তেলনগৰীত তেজৰ নৈ বৈ গল। সাক্ষী হৈ ৰ'ল দেৰালত তেজৰ চেকুৰা। এনে বীভৎস ঘটনা যি দেখিলে সিও থমকি ৰব লগা হল। জীৱশ্ৰেষ্ঠ মানুহেই ক্ষমতাৰ ৰাজদণ্ডলৈ মানুহকেই এনে নিৰ্মম অত্যাচাৰ কৰিব পাৰে, এইয়াই কি মানৱতা?

পিচদিনা ডাঙৰ ডাঙৰ হৰফেৰে বাতৰি কাকতত প্ৰকাশ পালে আকৌ ছুলীয়াজান তেল নগৰীত জালীয়না-বাগৰ হত্যা কাণ্ড। হতা-হতৰ নাম ও প্ৰকাশ পালে। আহত সকলক অসম মেডিকেল কলেজলৈ স্থানান্তৰ কৰা হল। আহত সকলৰ ভিতৰত "অৰূপৰ" নাম ও আ‍ছিল। অৰূপৰ ভৰিতও গুলী লাগিছিল। অৰূপৰ নাম দেখিয়েই অৰুণা প্ৰায় মুৰ্চ্ছা গৈছিল। মাক দেউতাকে তাইৰ কি হৈছিল সোধাত তাই বাতৰি কাকত খন দেখুৱাইছিল। সেইদিনাই এই নিৰ্মম হত্যা কাণ্ডৰ প্ৰতিবাদ জনাই ডিব্ৰুগড়ৰ চৌকিডিঙ্গি খেল পথাৰত ছাত্ৰসন্থাই এক গণ সমাবেশৰ আয়োজন কৰিছিল। সেই গণ সমবেশত হাজাৰ হাজাৰ মানুহৰ সমাবেশ ঘটিছিল। আৰু তালৈ অৰুণাৰ দেউতাক উপেন চলিহাও গৈ তেজস্বী ভাষাৰে বক্তৃতা দি ৰাইজক এই আন্দোলনত দ্বিগুণ উৎসাহেৰে জপিয়াই পৰিবলৈ আহ্বান জনাই ৰাইজৰ পৰা বাঃ বাঃ লৈছিল। আহত সকলক চাবলৈ বহুতো ঠাইৰ মানুহৰ মেডিকেললৈ লানি নিছিগা সোঁত বব ধৰিছিল। সেউজপুৰৰ পৰাও আহত সকলক চাবলৈ ৰাইজ গৈছিল। কিন্তু দেউতাকক কাতৰ অনুৰোধ কৰিও আহত সকলক চাবলৈ অৰুণাই অনুমতি নাপালে। তাই হিয়া উজাৰি কান্দিলে। কোনে বুজিব তাইৰ বেদনাৰ উৎস ক'ত। এই বেদনাৰ অন্তৰালত কি নিহিত আছে। ইফালে অৰূপে কেজুৱেলিটিৰ ৫নং বেড্‌ত কেকাই কেকাই ইফালে সিফালে চাই আছে। তাৰ প্ৰাণৰ আপোন অৰুণাই তাক নিশ্চয় চাবলৈ আহিব। কিন্তু তাৰ আশা মনতে মাৰগল। অৰুণা এদিনও নগ'ল। কিছুদিনৰ পাচত অৰূপ আৰোগ্য হল যদিও গোটেই জীৱনৰ কাৰণে পঙ্গু হ'ল।

আন্দোলন থমা নাই, তীব্ৰৰ পৰা তীব্ৰতৰ হৈছে। সমগ্ৰ অসমীয়াই আন্দোলনত জপিয়াই পৰিছে। অৰুণাৰ লগত সকলো যোৰ আন্দোলনলৈ যোৱাত তাইও যাবলৈ দেউতাকৰ পৰা অনুমতি বিচাৰিছিল। কিন্তু তাইৰ দেউতাকে উত্তৰ দিছিল এইবোৰ আন্দোলন তাইৰ বাবে নহয়। আন্দোলন কৰিব লগীয়া বোৰে কৰিব। আৰু লগতে তাইক কৈছিল যে, কিছুদিনৰ পাছত তাই অসমৰ বাহিৰৰ কলেজলৈ পঢ়িবলৈ যাব লাগিব। এই কথা শুনি তাইৰ সৰগ ভাঙি মাটিত পৰা যেন অনুমান হল। তাইৰ প্ৰাণৰ আপোন অৰূপক এৰি যাব লাগিব। তদুপৰি মাক দেউতাকক এৰি তাই অকলে কেনেকৈ থাকিব। তাই ভগৱানক প্ৰাৰ্থনা কৰিলে তাই যেন বাহিৰৰ কলেজলৈ যাব লগা নহয়।

আমাৰ এই আন্দোলন বিৰোধিতা কৰা সকলে নিকাহুঠান যোৰাৰ নামত হিংসাত্মক কাৰ্য্য

কৰিবলৈ ধৰিলে। এনে কাৰ্য্য বন্ধ কৰিবলৈ ছাত্ৰ সন্থাই শিক্ষানুষ্ঠান বোৰ খুলিবলৈ আদেশ দিলে। শিক্ষানুষ্ঠান বোৰ খোলাত অৰুপা বাহিৰৰ কলেজলৈ যাব লগা নহল। তাই খুবেই ভাল পালে।

শ্ৰেণী সমূহ এটা দুটাকৈ আৰম্ভ হবলৈ ধৰিলে। অৰুপো কলেজলৈ আহিল। কিন্তু অৰুপ একেবাৰে গহীন হৈ গল। অৰুপাৰ পৰা সি আঁতৰি থাকিব বিচাৰিছিল। অৰুপে নিজৰ পঙ্গু জীৱনটো লৈ অৰুপাৰ জীৱনটোও পঙ্গু কৰিব নিবিচাৰিছিল। কিন্তু অৰুপে জানো আতৰি থাকিব পাৰিলে। অৰুপাৰ দৰদী হৃদয়ে অৰুপক আঁতৰাই নপঠায় আকোঁৱালিহে ললে। পুনৰ দুয়ো আগৰ দৰে মিলি গল। অৰুপে পাহৰি গ'ল সি যে এটা পঙ্গু। দুয়োৰে মন উৰা মাৰিলে দুৰ-দূৰণিলৈ দুটি পক্ষী এক হৈ। দুয়ো কল্পনাৰে ৰাজ কাৰেং নিৰ্মান কৰি এখন সুখৰ সংসাৰ ৰচনা কৰিছিল। য'ত বাস কৰিব অৰুপ আৰু অৰুপা। কল্পনা কি মধুৰ বাস্তৱ যে কঠোৰ। কেই জনে এই মধুৰ কল্পনাক বাস্তৱত ৰূপায়িত কৰিব পাৰিছে? অৰুপ অৰুপাই ও নোৱাৰিলে। বাস্তৱ ৰূপায়নত দুৰ্ভেদ্য প্ৰাচীৰ দৰে প্ৰতিবন্ধকতা সৃষ্টি কৰিলে অৰুপাৰ দেউতাকে নজনাকৈ থকা নাছিল। আনকি সিহঁতক স্ব চক্ষুৰে "জোৎস্না" চিনেমা হলৰ পৰা উলাই অহা দেখিছে। এই বিষয়ে দেউতাকে অৰুপাক কেইবা দিনৰ সাৱধানেও অৰুপাক বিচলিত কৰিব পৰা নাছিল। কাৰণ প্ৰেমে যে কাৰোৰে বাধালৈ ভ্ৰূক্ষেপ নকৰে। দিন বোৰ পাৰ হৈ গৈ থাকে।

এনে এদিনৰ ক'থা, কটনৈ বাণিজ্য মহাবিদ্যালয়ত বাৰ্ষিক সপ্তাহ চলিছে। বিভিন্ন খেলত ছাত্ৰ ছাত্ৰী সকলে প্ৰতিযোগিতা চলাইছে, কিন্তু অৰুপ আৰু অৰুপাই খেল পথাৰৰ পৰা আতৰি গৈ "মমতা" হোটেলৰ চুকৰ চিট এটা দখল কৰি দুয়ো আপোন পাহৰা হৈ কথা পাতি থকা অৰুপাৰ দেউতাকে দেখিছিল। সেই সময়ত চলিহাৰ খং চুলিৰ আগ পাইছিল গৈ কিন্তু নিজৰ সন্মানহানি হোৱাৰ কথা চিন্তা কৰি সিহঁত হালক একো নকৰি ঘৰলৈ ঘূৰি আহিল। গধূলি সময়ত অৰুপা ঘৰ পালত দেউতাকে তাইৰ চুলিত ধৰি আনি বেয়াকৈ মাৰধৰ কৰিলে। অৰুপাৰ এনে অৱস্থা দেখি মাকে তাইক ৰক্ষা কৰিবলৈ যাওঁতে চলিহাৰ পৰা মাৰহে খালে। আৰু অৰুপাক সাৱধান কৰি দিছিল যে সেই দিনৰ পৰা তাই একখোজ ও বাহিৰ ওলাব নোৱাৰিব। আনকি কলেজলৈ যোৱাও বন্ধ। মইনা চৰাই সজাত বন্দী হোৱাৰ দৰে তাই ঘৰৰ ভিতৰত বন্দী হব লগা হল। তাই নীৰবে চকুলো টুকিলে।

কলেজত অৰুপা নাই। অৰুপৰ মন কলেজত বহা নাই। সকলো থাকিলেও অৰুপা নাথাকিলে অৰুপৰ মন নবহে, বহিব নোৱাৰে। লগৰ ছোৱালীক সুধিও অৰুপে, অৰুপাৰ কোনো খবৰ নাপালে। এনেদৰে কেইবা দিনো পাৰ হল, তথাপিও অৰুপা কলেজলৈ অহা নাই। অৰুপ নিশ্চিত হল যে তাইৰ নিশ্চয় কিবা অসুখ, সেয়ে কলেজলৈ অহা নাই।

সেয়ে অৰুপে তাইৰ ঘৰলৈ গৈ অহাটোকে

ঠিক কৰি অৰুপাৰ ঘৰত ওলালেগৈ। সেই সময়ত অৰুপাৰ দেউতাকেও তাইৰ কথাকে চিন্তা কৰি বাহিৰ চ'ৰাতে বহি আছিল। অৰুপক দেখাৰ লগে লগে চলিহা খণ্ডত অগ্নি শৰ্ম্মা হৈ বিচনাৰ কাষৰ পৰা বন্দুকটো আনি অৰুপক শেষ কৰি দিব বিচাৰিলে। ঘৰখনত এক হুলস্থুলৰ সৃষ্টি হল। অৰুপা আৰু মাকে চলিহাৰ পৰা বন্দুকটো বেনে তেনে কাঢ়ি ৰাখিলে। অৰুপে একো ভুবুজি ভেবা লাগি চাই আছিল। অৰুপাই, অৰুপক ঘৰৰ অনুৰোধ কৰিলে যেন অৰুপ তৎক্ষণাত ঘৰৰ পৰা আতৰি যায়। অৰুপে সকলো বুজিলে। চলিহাই অৰুপক নানা কটু ভাষাৰে গালি পাৰিলে। আৰু সাৱধান কৰি দিলে যে অৰুপ তাইৰ ঘৰলৈ দ্বিতীয় বাৰ আহিলে ত সমাধি লভিবই হ'ব। অৰুপে বেজাৰ মনেৰে ঘৰৰ পৰা আতৰি আহিল। অৰুপাই তালৈ চাই হুক হুকাকৈ কান্দিলে।

মানুহৰ মহিমা অপাৰ। মানুহে নিজ স্বাৰ্থৰ খাতিৰত কি কৰিব নোৱাৰে। ইঞ্জিনিয়াৰ চলিহাই নিজৰ জীয়েকৰ বাবে অৰুপক খুনী কৰিব লৈকো কুণ্ঠাবোধ কৰা নাছিল। কিন্তু চলিহাই জীয়েকক যিমানেই বান্ধোনত নাৰাখক কিয় তাইৰ মনটো জানো বান্ধি ৰাখিব পাৰিব ? অৰুপ আৰু অৰুপাৰ আন্তৰিক মিলন কেতিয়াবাই হৈ গল। এই দৰে আৰু বহুদিন পাৰ হ'ল।

ইঞ্জিনিয়াৰ চলিহাই চিন্তা কৰি পাৰ পোৱা নাই: কি কৰিব গাৱলীয়া পঙ্গু অৰুপলৈ নিজৰ একমাত্ৰ কন্যাক কি দৰে বিয়া দিব। চলিহাই ঠিৰাং কৰিলে পঙ্গু এটালৈ জীয়েকক বিয়া দি নিজৰ মান সন্মান নাশ কৰিব নোৱাৰে। কিন্তু এতিয়া অৰুপাক কাক গটাব। এইবোৰ আকাশ পাতাল চিন্তা কৰি থাকোতে হঠাৎ মনত পৰিল নতুনকৈ অহা ওচৰতে থকা ডেকা ডঃ অবিনাশ গোহাঁই-লৈ। ডঃ গোহাঁই যদিও দেখনিয়াৰ নহয় তথাপিও তাৰ মান সন্মান আছে। এই বিষয়লৈ অৰুপাৰ মাকৰ লগত ও আলোচনা কৰিলে। অৰুপাৰ মাকেও হয়ভৰ দিলে। চলিহাই ডঃ গোহাঁইৰ লগত বুদ্ধিৰে চিনা-পৰিচয় হৈ জীয়েকক গোহাঁইৰ হাতত তুলি দিবলৈ প্ৰস্তাৱ তুলিলে। ডঃ গোহাঁইয়ে ও এই সুবিধাকে বিচাৰিছিল। এই সুবিধা ডঃ গোহাঁ-ইয়ে লগে লগে গ্ৰহণ কৰিলে। বিয়া হৈ গল অৰুপাৰ। তাই প্ৰতিবাদ কৰিব নোৱাৰিলে। অৰুপক দিয়া প্ৰতিশ্ৰুতি ও তাই ৰক্ষা কৰিব নোৱাৰিলে। তাই মনে মনে সমস্ত বেদনা উজাৰি কান্দিলে।

কিছুদিনৰ পাচত অৰুপাৰ বিয়াৰ কথা অৰুপে গম পোৱাত তাৰ বিনামেঘে বজ্ৰপাত পৰাৰ যেন লাগিল। সি সহ্য কৰিব নোৱাৰা এজন পঙ্গু যেন অনুমান হল। চাৰিও ফালে অন্ধকাৰ দেখিলে।

অৰুপৰ অন্তৰত দপ দপকৈ দুকোৰা জুই জ্বলি উঠিল। একোৰা আছে অসমীৰ অস্তিত্ব ৰক্ষাৰ জুই আৰু আনকোৰা হৃদয় ঠান বান হোৱাৰ জুই। অৰুপ দৃঢ় প্ৰতিজ্ঞ হল: সি বেজাৰ নকৰে। বি আন্দোলনে তাক চিৰদিনৰ কাৰণে পঙ্গু কৰিলে, তাৰ জীৱনলৈ পৰিবৰ্তন আনিলে, সেই আন্দো-

লনত সি জয়ী হবই লাগিব। অৰুপে পুনৰ কালমূৰ্ত্তি ধৰি আগবাঢ়ি গল গণ সত্যাগ্ৰহলৈ। "তৰিলে দেশ মৰিলে স্বৰ্গ" এই মহান বাণীকে সাৰোগত কৰি। সকলোৰে আগত আন্দোলনৰ পতাকালৈ চিঞৰি চিঞৰি ৰাইজক ওলাই আহি-বলৈ আহ্বান জনালে।

আহ ঐ আহ ওলাই আহ,
খেদ্ ঐ খেদ্ বিদেশীক খেদ্।
বদন ৰূপী অসমীয়াক ধ্বংস কৰ, ধ্বংস কৰ।
আমাৰ সংগ্ৰাম চলিছে, চলিছে, চলিবই।
এই জুই ধুমুহায়, জ্বলিছে-জ্বলিবই।

গুৰুম্-গুৰুম্-গুৰুম্ গৰজি উঠিল, তেজ-পীয়া হ'তৰ বন্দুকৰ আৱাজ ঢলি পৰিল অৰুপ "জয় আই অসম" বুলি চিৰদিনৰ বাবে চকু মুদিলে। আকৌ অসম বাসী ৰাইজ শোকত ম্ৰিয়-মান হ'ল। হতা-হতৰ নাম বাতৰি কাকতত প্ৰকাশ পালে। অৰুপ, বলীন, বীণা, প্ৰবীণ চি দিনৰ কাৰণে বিদায় ললে। অসম মেডিকে কলেজলৈ আহত সকলক স্থানান্তৰ কৰা হ'ল ইফালে অৰুপাই শান্তিত থাকিব পৰা নাই অৰুপাৰ মাক দেউতাকে ভাৱিছিল ডঃ গিৰীয়ে পাই অৰুপা সুখী হব, অৰুপৰ কথা পাহৰি যাব কিন্তু মান সন্মান, ধন, দৌলতেই জানো মানুহ সুখী কৰিব পাৰে ? অৰুপাই ও নোৱাৰিবি সুখী হব। তাইৰ বিয়া হৈ গলেও সদায়ে অৰুপ কথাই চিন্তা কৰিছিল। অৰুপৰ এই মৃত্যুত এবে বাবে তাইৰ হৃদয় ভাঙি গল। তাই জীয়াই থকা মোহ নাইকিয়া হল। সিপুৰীত অৰুপক ল পোৱাৰ কামনাৰে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰি তাই আত্ম হত্যা কৰিলে। কোনে জানে অৰুপা আত্মাই অৰুপক লগ পালে নাই, দুটি জীৱন মিলন হল নে নাই।

* মানুহৰ সেৱাৰ মাজেদি মই ঈশ্বৰক পাবলৈ বিচাৰোঁ। ভগৱান স্বৰ্গতো নাই, পাতালতো নাই, আছে মাথোঁ আমাৰ প্ৰত্যেকৰে অন্তৰত। মহাত্মা গান্ধী

* মনবোৰ শুদ্ধ হলে পৃথিবীত সংকোচ কৰিব লগীয়া একো নাই। কলুষিত মনহে সকলোতে কলুষ দেখে। — হেম বৰুৱা।

# সেইদিনটো

শ্ৰীকমল চন্দ্ৰ চুতীয়া।
স্নাতক মহলা ছাত্ৰ।

সেইদিনা বৰৰ প্ৰকোপত বামে নৈ বৈ গৈছিল আৰু অলপ গৈয়ে টিনৰ সৰু ডাক বাং- লোটো পাম। মই আৰু মোৰ সহযাত্ৰী জীৱন। দুয়োৰে হাতত একোটাকৈ বন্দুক। পিঠিৰ মোনাত কেই টুকুৰা মান শুকান ৰুটি আৰু সৰু ফ্লাস্কত গৰম পানীৰ বোজা। তাৰোপৰি প্ৰয়োজনীয় পাতিৰত একোখনকৈ দুয়োৰে কঁকালত চুৰী।

মোৰ বিড়ি বা চিগাৰেট খোৱা অভ্যাস নাছিল। জীৱনে চিগাৰেট খায়। সি জুইশলা এটাৰ সৈতে এটা চিগাৰেটৰ বাঁহ লগত লৈ গৈছিল।

গাদি বিজাৰ্ভলৈ পোন প্ৰথমবাৰৰ বাবে দুয়ো আহিছো। নতুন ঠাই ও চিনাজনা নাই। ঠাই ডোখৰত মানুহৰ ঘনবসতি তেনেই কম। এখৰ ন পমুৱাই সংৰক্ষিত বনাঞ্চল ভাঙি থানিকা পাতিছে।

অটবা হাবি অতিক্ৰম কৰি বাংলোটোত দুয়ো উঠিলো। হাবি মাজৰ ঘৰ। টিনৰ হলেও গছৰ ডাল পাতে ঘৰটো লুকুৱাই ৰাখিছে। ঘৰটো চাৰিও ফালে এখন কাঠৰ বেৰা। বেৰা ভিতৰত প্ৰবেশ কৰি দেখিলো এজন ডুকুৰী বছৰীয়া লোকে কান্ধত এবোজা খৰিলৈ বাংলোৰ কাষতে থলে আমাক দেখি।

আমি আগেয়ে এই মানুহ জনৰ বিষয়ে জনা আছিল যদিও নোসুধ নোৱাৰিলো। মেয়ে কলো - " আপুনি ইয়াতে থাকে নহয় "?

" হয় " !

" কিমান দিনৰ পৰা ইয়াত আছে " ?

" তিনি বছৰ " !

" এফ, অ' কেতিয়া গল " ?

" পৰহি গল চাৰ। এই কেই দিন মই আছো অত অৰণ্যৰ মাজত। চাৰে কৈছিল আপোনালোক কালিয়েই অহা কথা "। " হয়! কালিয়েই আহিব লাগিছিল। ট্ৰেইনৰ অসুবিধা হোৱাত আজি পাইছোহি "।

" বৰ ভাল পালো আপোনালোক উলো- ৱাত। বনৰীয়া হাতী, ভালুক, বাঘৰ যি উৎপাত অকলে থকাটো বৰ অন্যায় হৈছে "।

" আপোনাৰ অভ্যাস আছে। " আমাৰ মাজত কথা কাটি জীৱনে কলে।

" অ মই পাহৰিছো " ! বুলি আমাক ঘৰৰ ভিতৰলৈ মাতিনিলে বন্ধ কোঠা এটা আমাৰে আগতে খুলি কলে - " আপোনালোক ইয়াতে থাকিব লাগিব, পাৰিব ? অৱশ্যে দুয়োজনে একে লগে থাবিবলৈ বেয়া পায় তেতিয়া অন্য কোঠা এটাও আছে। "

" নাই! নাই! আমাৰ ইয়াতে হব "। মানুহ জনৰ সহানুভূতি দেখি মই এইদৰে কলো।

" থকা মেলাতকৈ খোৱা লোৱাত অলপ

কষ্ট পাব । ওচৰত দোকান বজাৰ নাই । অলপ নিলগত মিছিং গাওঁ । তুই এঘৰৰ পৰা বিচাৰিলে চাউল, শাক-পাচলি পোৱা যায় । মাছ কিন্তু উভৈনদী । পইচা হলে গাওঁলৈ গৈ ক্ষন্তেকতে লৈ আনিব পাৰি । "

আমি বুজিলো, আমাৰ আগমনে মানুহ জনক অতিশয় আনন্দ দিছে । চা চিনাকী হবলৈ এৰি খোৱা-বোৱা কথা উল্লেখ কৰাত অৰণ্য আমাৰ কব লগীয়া একো নাছিল । চৰকাৰী মানুহ আমি দুয়ো । বন বিভাগত পুলিচৰ চাকৰিত সোমোৱা মোৰ এটা বছৰেই হৈছে । উন্নতি কৰিব পৰা নাই । সেয়েহে লক্ষীমপুৰৰ গালি বিজার্ভলৈ স্থানান্তৰ কৰিছে । আগেয়ে দৈয়াংত আছিলোঁ, তাতে জীৱনক লগ পাওঁ । জীৱনৰ লগত বন্ধুত্ব সপ্তাহ দিয়েক নৌ হওঁতেই আমি দুয়ো হেনো লক্ষীমপুৰৰ গালি বিজার্ভলৈ যাব লাগে । উপায় নাছিল আমাৰ তেতিয়া আমাৰ । চাকৰি নকৰিলেও নহয় । খাম কি ? খাব কি ?

জীৱনে প্ৰথমে তালৈ যাবলৈ মান্তি হোৱা নাছিল । পিছত যেনিবা যাবলৈ ওলাল ।

বনৰ মাজত থাকি থাকি আমাৰ স্বভাৱ বিলাকও বনবীয়া হল ; অৰণ্যৰ প্ৰতিজোপা, গছ বন, লতাদিক, চিনি পোৱা হলো । শৰ, হৰিণা, গাহৰি, বাঘ, ভালুক, আদি কৰি সকলো বনপক্ষী আচৰণ উপলব্ধি কৰিলোঁ ।

এখন প্ৰকাণ্ড, আটব্য হাবি, মাজত আমাৰ দুজন বন্দুক ধাৰী প্ৰাণীয়ে বনাকৰ পহৰা দিব লাগে । ই জানো সম্ভৱ ?

কিন্তু আমি অসম্ভৱকো সম্ভৱ কৰিছিলে
কাঠৰ চোৰাং বেপাৰ ধৰা পেলোৱা, মাটি বেদখ
উচ্ছেদ কৰা, অমূল্য জীৱজন্তু চোৰাংকৈ ধৰি
বধ কৰি বেপাৰ কৰা সকলক ধৰা পেলো
আদিয়েই আমাৰ কাম আছিল ।

আবেলি তিনিওজনে একেলগে বহি চ
খালোঁ । আমাৰ লগত নিয়া কখান কটি কেইখ
তিনিওজনে ভাগ কৰিলো । কথা পতা সুকুভাৱ
ময়ে উলিয়াই "কলো আপোনাৰ নামটো কবনে
" প্ৰবীন দেউৰী. পিছে আপোনালোকৰ

ময়েই কলোঁ "মোৰ নাম লগত প
কীয়া আৰু তেখেতৰ নাম জীৱন দাস ঘৰ গুৱ
একে নহয় । আৰু তাতে বেছি দিনৰ চিনাক
নহয় । সেইবিলাক কথা পতাৰ আসৰি পো
নাই । ভালেই তিনিও তিনিৰে কথা অবিদিত "

থলন্ত পুৰুষ জনৰ কথা বতৰাত যথে
মোহ আছে । দেখাত চকীদাৰ যেন লোগে
কোনে জানে, ইমান কিহৰ তাড়নাত ইমান গভ
অৰণ্যৰ মাজত অকল শৰে দিনবিলাক আ
বাহিত কৰিছে ? "

আমি বহুত কথা পাতিলোঁ । আগৰ এ
অ' জনৰ লগত এজন চিপাহী থকা কথা, বনবী
হাতীৰ কথা, ভাত-পানী বন্ধাৰ কথা, মুঠে
বিছনা পৰালৈকে, আদি কৰি আটুৰাখনলৈ
বাদ নপৰিল ।

লগতে ওচৰৰ মিছিং গাৱঁৰ " ছাইমদ্
জাতীয় আপংৰ কথাও নোলোৱাকৈ নাথাকিল

গধূলি হৈ আহিল। আন ঠাইতকৈ হাবিৰ মাজত আগেয়ে আন্ধাৰ নামে। গধূলি হয়।

চকীদাৰে ভাত খাবলৈ মাতিলে। সিপিনত খোৱা চিন্তা কৰিছিল যদিও তিনিও একেলগে খালোঁ। বেচ! বটিয়া ৰান্ধিছিল।

ছোৱা কাঁহী বাতিবোৰ আমি নিজেই চাফ কৰিলো। দেউবীয়ে বেয়া পাইছিল যদিও ভালেই পালে। আমাতকৈ বয়সত ডাঙৰ। তাতে চকী-দাৰী কৰিলে কি হব?

ভাত খোৱা পৰ্ব শেষ কৰি তিনিও 'টিপ' চকি এটালৈ আমাৰ কোঠালৈ আহিলোঁ। চকীদাৰ জন অলপ আঁতৰৰ এটা কোঠাত থাকে। কোঠাটো সৰু। আমি তিনিও একে লগে থকা কথাটো মনে উলিয়াইছিলো। কিন্তু দেউৰী সন্মত নহল। তেওঁ হেনো সেই কোঠাতো এৰি থাকিব নোৱাৰে আৰু নিবিচাৰে। গতিকে অযথা তৰ্ক নকৰাই ভাল বুলি তেওঁ আমাক জনালে।

"ভেঁট মহীয়া বতৰ। এফালে হাবি। আনহাতে বতাহ ৰৰবুৰৰ কোৱ। উজান পৰা বতৰ। মেৰে কলহৰ পানীটপলাদি ঢালিছে। জন শূন্য অৰণ্যত আমি তিনিটি প্ৰাণী। পৃথিৱীৰ লগত আমাৰ কোনো সম্বন্ধ নাই। আমি এখন অচিন জগতৰ মানুহ।"

বেং, জিলি, পঁইতাচোৱা, জোকৰ মাতে কান থকা থৰকা কৰিছে। চাৰিও ফালে অবুজ সুৰ সমলয়। নিশাচৰ নগণ্য-কীটৰ পৰা আৰম্ভ কৰি প্ৰকাণ্ড বন্য জন্তুৰ আৱাজ। উইচিঙা একজনীয়ে কোঠাটোৰ তেনেই ওচৰতে "চিক্" কৈ চিঞৰাত আমাৰ বুকু কিছু লৰিল।

তৎমুহূৰ্তত চকীদাৰ দেউৰী বাহিৰলৈ ওলাই গল। পাছে পাছে আমিও।

চাৰিও ফালে আন্ধাৰ। চোৰে চৰ মাৰিলেও দেখা পোৱা নাযাব। এবাৰ টিমিক্ টামাক্ জ্বলি থকা পোহৰ এটা মোৰ চকুত পৰিল। মনে মনে কলোঁ, "জীৱন সেই পোহৰটো চোৱাচোন।"

দেউৰী চকীদাৰে তপৰাই উত্তৰ দিয়ে।

"সেইখনেই মিচিং গাওঁ। ছকুৰি তিনি ঘৰ মান মিচিং মানুহ আছে। তিনি বছৰৰ পৰাই মোৰ চিনাকী।"

"আজিৰ ৰৰবুণৰ কাৰণে "জোৰ" লৈ সিহঁতে মাছৰ উজান বিচাৰিছে।"

"কিছু পৰ পিছত কেইবাটাও জোনাকি আমাৰ দৃষ্টিগোচৰ হল। আমি মানি ললো।"

ৰাতি ঘোপ মৰা আন্ধাৰৰ মাজতে মোৰ মনলৈ মিচিং গাৱঁখনৰ চিত্ৰ ভাহি আহিল। বহুত মিচিং গাওঁ দেখিছোঁ। সিহঁতৰ লগত খেলিছোঁ, খাইছোঁ, সকাম-নিকামত একেলগেই বহুতবাৰ খোৱা-বোৱা কৰিছোঁ।

নিমাও মাও ৰাতি আন্ধাৰতো চকীদাৰে অপলক নয়নে মিচিং গাওঁ খনলৈ চাই আছিল একে থৰে। আমি লক্ষ্য কৰিলো।

আমি সকলোৱে যে বাৰান্দাত থিয় হৈ আছোঁ পাহৰি গলো।

"মোৰ মনৰ খু-দুৱনি চকীদাৰে বুজি পালে। খোকা খুৰি নকৈবে কলে "সেই মিচিং

সমাজৰ কথা মনত পৰিলে, সহজ, সৰল, মিছিং গাওঁবোৰ দেখিলে মোৰ মনে যেন নতশিৰে প্ৰণাম পাত জনাবলৈ ইচ্ছা যায় । তেওঁলোক ইমান ভাল । ইমান সহজ । ”

চকীদাৰৰ মাতত কৰ্কশতা অনুভৱ কৰিছিলোঁ ।

“ আহক ভিতৰলৈ যাওঁ । ” জীৱনে কোৱা শুনি আমি দুয়ো ভিতৰলৈ গলো ।

দেউৰী চকীদাৰে ভিতৰত নোসোমায় পোন চাতেই আমাৰ পৰা বিদায় লৈ নিজৰ কোঠালৈ বুলি গ'ল । যাওঁতে কৈ গ'ল পানী এগিলাচ বিচনাৰ কাষত থৈ লবা । মই টেবুল খনতে থৈ আহিছোঁ । ”

দিনটো ব্যস্ততাৰ মাজত থাকি আমি অসহায়তা অনুভৱ কৰিছিলোঁ । দুয়ো বেছি কথা আৰম্ভাৰনা নকৰি নিদ্ৰাদেৱী কোলাত আশ্ৰয় বিচাৰিলোঁ ।

বিচনাত পৰা লগে লগে ঘৰৰ কথা মনত পৰিল । “ মাৰ হাফ্‌নি অসুখটো ভাল হৈছে ছাগে ? ভনী জনীও বিয়া দিব লাগে । দেউতা ঢুকুৰা এবছৰ হ'ল, চিন্তা কৰিছিল সেই বছৰতে তাইক বিয়া দিয়া । হয়তু জীয়াই থাকোঁতেই জোৱাইয়েকৰ মুখ চাবলৈ হেঁপাহ কৰিছিল । কিন্তু কালে নিদিলে ।

“ দিনে দিনে মোৰ চিন্তা বাঢ়ি গৈছে । ঘৰত মা আৰু ভণীজনী । অসুখীয়া গাৰে ভনীক তাগিদা দিব নোৱাৰিব পাৰে । কিন্তু ভনীৰ মেজাজ প্ৰশংসনীয়; তাই তেনেকুৱা নহয় । মাহে মাহে ঘৰলৈ মই টকা পঠাই আছোঁ ।

কেতিয়াবা “জীৱনৰ” কথা মনলৈ আহে ভনীক তাকেই গতাই দিয়া কথাটো ভাৱো । অৱশ্যে এই বিষয়ে জীৱনক একো কোৱা নাই । কওঁ ৱেবা কেনেকৈ ? মত-অভিমতৰ কথা আছে । ”

জীৱনে সাৰ-সুৰ নকৰাকৈ টুপনি গ'ল । বেচেৰা ভাগৰ লাগিছে । মইহে শুব পৰা নাই নতুন ঠাই তাতে ম'হৰ পেন্ পেননি আঠুৱাৰ চাৰিওকাষে বাজি আছে ।

এবাৰ ঘড়ীটোলৈ চালো, নিশা ১ বাজি এই মাত্ৰ পাৰ হৈছে ।

বাহিৰত ভৰিখোজৰ শব্দ কাণত পৰিল কাণ থিয় কৰিলোঁ । এইহেন মাজ ৰাতিখন অৰ- ণ্যৰ মাজত কোন নিবিৰলৈ আহে ।

ভয়ো লাগিছে । হাবি ঠাই । দেও ভূতৰ বাস । জীৱনক উঠোৱা চিন্তা কৰিলো । কিন্তু পুণৰ ভৰিৰ খোজৰ শব্দ শুনি বিছনাৰ পৰা উঠিগৈ খিৰিকি খনৰ ওচৰ চাপিলো । কি কৰা যায় । ভয়ে ভয়ে খিৰিকিৰ হেংকটো খুলিলোঁ ।

লগে লগে হাবি মাজত শিয়ালৰ “হোৱা- হোৱা” শব্দ মোৰ কানত পৰিল ।

“ হাতত সাৰে ভৰিত সাৰে ” অকনো শব্দ নকৰাকৈ বাহিৰলৈ চায় পঠিয়ালো ।

“ কিন্তু কি আচৰিত ! মোৰ গাৰ কাষেদি শকত আৰত, হৈ লৈ অহাৰ পৰা দেখি অহা দেউৰী চকীদাৰ কিয় আহিছে ? তেওঁ দেখুন অৰণিয়েই শুৱলৈ গৈছিল । ”

হয় চকীদাৰ জনেই ! বগা পঞ্জাবী চোলাটো জিলিকি আছে ।

বয়সৰ ফালৰ পৰ' তেওঁ মোহৈকে আভৰ যদিও তুমি সম্বোধনত মোৰ বেয়া নালাগিল। ধৰা পৰা ভয়ত তেওঁ মুচঁকুচঁ গ'ল। এইবাৰ তেওঁ মোক কাষত বহুৱাই লৈ ক'লে, তোমালোকৰ ওচৰত ইমান সোনকালে ধৰা পৰা মোৰ ইচ্ছা নাছিল। কিন্তু সেই অপদীয়া দিনটো অহিয়েই আহিল। আৰু তোমালোকেও আজিয়েই শুনিছা — শুনিযোৱা সেই অনাগত দিনবোৰৰ কথা, কিন্তু কোনো প্ৰশ্ন কৰিব নোৱাৰা শেষ নোহোৱা পৰ্য্যন্ত।"

"প্ৰথম ইয়ালৈ আহি মোৰ সেই মিছিং গাৱঁৰ লগত অদ্ভূত পুৰ্ণ সান্নিধ্য ও সম্বন্ধয় ঘটিলে অ ঘৰৰ ওচৰতে কেইবা খনো মিছিং গাওঁ থকাত তেওঁলোকৰ লগত আহ - যাহ, প্ৰায়েগড়া হোৱাত মিছিং দোৱান ধুনীয়াকৈ কৰ পাৰিলো।"

"প্ৰথম গালি বনাঞ্চললৈ আহোঁতে মোক মিছিং সম্প্ৰদায়ৰ লোক বুলিয়েই ভাবিছিল। যৌৱনৰ উদ্দাত্ত আহ্বানক নেওঁচিব নোৱাৰি হাবি বননিয়ে মিছিং ঐনিতম্ দেহ উধুৰিয়াই গাইছিলোঁ। সেই সুৰতেই মুগ্ধ হল মিছিং গাৱঁৰ পানেই থৰূপ" ৰূপৱতী মিলি।

ক্ৰমাগত ······ দুয়ো দুয়োৰে বুকুৰ মাজত সোমাই পৰিলো। আমি দুয়ো একে সুৰে গানগাইছিলো। মাছ ধৰিছিলো; হাবিৰ শাক বুটলিছিলো।

এদিন দুয়ো কথা হলোঁ মই দিকৰাই নৈৰ ঘাটত বৈ থাকিম আৰু তাই ঘৰৰ পৰা পলাই আহিব দুয়ো লগহৈ আমাৰ ঘৰলৈ গুচি আহিম। কথা মতে কাম। সেই দিনা মোৰ দেহলাউ আহিছিল। কিন্তু এদিনৰ পিছত গাৱঁৰ ৰাইজে

দেউৰী চকীদাৰে মোক দেখা নাই। আন্ধাৰত তেওঁক মই আলেথলেথ চাই থাকিলো?

এবাৰ তেওঁ আমাৰ কোঠাটোৰ ওচৰলৈ আহি আমাৰ শোৱা নোশোৱাৰ গম ললে। তাৰ পিছত নিজৰ কোঠালৈ গুচি গল।

হয়। মোৰ সন্দেহ ভাগিল। চিন্তাত পৰিলো। তেওঁ আকৌ এই ৰাতিখন কিহে পাইছে। এইদৰে ঘূৰি ফুৰিছলে। মনত শঙ্কা জন্মিল। ভূতে পালে নেকি চকীদাৰক?

আকৌ দেউৰী চকীদাৰক বাহিৰলৈ ওলাই অহা দেখিলো। ভয় লাগিল। তেওঁ দেখুন কাৰো বাৰ সতে কথা পাতিছে। কথাৰ মাজতে হুক হুকাই কান্দিছেও ওচৰতে একনী বগাবস্ত্ৰ পৰিহিত তিৰোতাৰ লগত। কথাবোৰ কিবা ভৌতিক ভৌতিক লাগিল। ক'ৰ পৰা আহিলে এই অৱলা খনত সেই ভোৱালী জনী। চিন্তাত মোৰ মুৰ আচন্দাই উঠিল।

কি কৰো? জীৱনক উঠা দিয়া চিন্তা কৰিলো। নাই। সি শুই থাকক!

বুকত মৰ সাহদি দুৱাৰখন কোনেও গম নোপোৱাকৈ খুলি অতি সন্তপৰ্ণে চকীদাৰৰ কাষ চাপিলো। কিন্তু ই কি? ভোৱালী জনী দেখুন নাই? আচৰিত লাগিল। কলৈ গল তাই ··

"আপুনি এই ৰাতিখন কাৰ লগত কথা পাতিছিল।" চেপা চেপা মাতেৰে মই কলো।

চকুপানী মোহাৰি মোহাৰি বিস্ময়ত হতবাক হৈ ধৰা পৰা সুৰৰ দৰে ··· , তুমি, ··· তুমি, ইয়ালৈ কেতিয়া আহিলা, বুলি কৈ উঠিল।

তাইক ৰান্ধিলৈ গ'ল। দিনৰ দিনটো তাইক মাৰ-কিল কৰি আবেলি এৰি দিলে। মোক তেওঁলোকে একো নকৰিলে নেমাখিলেও। মোৰ বুকু উদং হল। এইদৰে দিনৰ দিনটো কান্দি থাকিলো ...... ..।

মোৰ কন্দাকতা স্বপ্নৰতীয়েও শুনিছিল! মোৰ চকুপানী মূল বুজিলে।

কোপাই জোপাই গধুলি নৌ হওঁতেই মোৰ ওচৰত ওলালহি। বিহা আটলৰে মোৰ চকুপানী মছি দিলে। তাইৰ মতে মই হেনো কেচুঁৱা হৈয়ে আছোঁ। ইমান ডাঙৰ মানুহে কান্দিব নেপায় বুলি কৈছিল। সেইদিনা ইমান মাৰকিল খাই আহিও তাই মুখত অনবৰত হাঁহিৰে মুখৰিত হৈ উঠিছিল। তাই সেইদিনা বেছিকৈ হাঁহিছিল। সেই হাঁহি মূলা মই বুজা নাছিলো! কিন্তু তাই জানিছিল সেইদিনাৰ ৰাতিটোৰ বাহিৰে পুৱালে জীৱনৰ প্ৰাণ পক্ষী ক'ত থাকিব? নিয়তিৰ কথা তাই বুজিছিল, মোক প্ৰাণ খুলি একো কোৱা নাছিল।

ৰাতি ভাত তাইয়ে ৰান্ধিছিল। মাগুৰ মাছ দুটা জীয়াই থোৱা আছিল বাবেই বৰ বঢ়িয়াকৈ ৰান্ধি খোৱালে ... .. মোক . ... মাত্ৰ এসাজ ভাত .. মোৰ স্বপ্নৰতীয়ে ...... ..।

ৰাতিলৈ তাই বৰ ...... ম ৰ'ম কৰিছিল ...। মোক। ৰ ... ৰ ... ম ৰ ম। চিন্তা সাগৰত ডুব গৈ কেতিয়া টোপনি গলো কব নোৱাৰিলো।

সেই সু...যোগ বেচেৰীৰে গ্ৰহণ নকৰি নেৰিলে। তাই পাপ নামত লিপ্ত হল। চিঙিত তুলি ললে চিপ্‌ডৰী।

এই বাকলাৰ চতিটোত তাই শাড়ীখনৰ সৈতে পূৰা ওলমি আছিল। মই তাইক সৰ্ব্বনাশ কৰিলো ...। মই ... ম ট।"

হুক হুকাই কান্দি উঠিছিল দেউৰী চকী-দাৰ। তলত পৰি থকা এটুকুৰা কাগজত লিখা আছিল "ভাল পোৱা উপহাৰ স্বৰূপে।"

সন্ধ্যাবন্দ পঠশালাত পৰিছিল।

পুৱাকাশত তেতিয়া ধলকাট দিছে! বনৰীয়া কুকুৰাই হাবিৰ মাজৰ পৰা লঙ্কাপুৰ ক'ত বিচাৰিলে আজি দুটা বছৰ দেউৰী চকীদাৰে এই প্ৰবিত্ৰ ভূমিত মৃত্যু তিথি পাতি কালক্ষণ গনিছে। তেওঁ মাতত তেতিয়াও করুণসুৰ বাজি আছিল।



( ৰম্য ৰচনা )

# ॥ চুলি ॥

শ্ৰীৰূপেশ্বৰ ভূঞা
বি, কম ( ২য় বৰ্ষ )

শুনক ! বন্ধুসকল এইয়া মই চুলিৰ বিষয়ে আপোনালোকক দুআষাৰ মান কথা অৱগত কৰিব খুজিছোঁ । যদি কাৰোবাৰ গাত কেনেবাকৈ লাগেও যেন পোৱা নাপৰ আৰু দেই তাৰ বাবে মোৰ প্ৰথমতেই অনুৰোধ থাকিল ।

এতিয়া প্ৰথম কথা হল, চুলি কি বস্তু ? চুলি কি বস্তু এই বিষয়ে বোধহয় বেছি বহলাই আলোচনা নকৰিলেও হব । কাৰণ কম বেছি পৰিমানে সকলোৰে চোন চুলি আছেই । জীৱবিদ সকলে কয়যে মানুহৰ দেহত যি বিলাক মৃত কোষ আছে সেই বিলাক চুলি আৰু নখ ৰূপে বাহিৰলৈ ওলাই আহে । সেই বাবে নখ আৰু চুলি কাটিলে মানুহে দুখ নাপায়, আৰু ইয়াক যিমানে কটা যায় সিমানে বাঢ়িহে আহে । অৱশ্যে এই বিলাক ভগৱানৰ দান বুলিয়েই কব লাগিব । ভগৱানে দিয়া এই বস্তুটোক মানুহে অনাদৰ কৰি কি বিপদৰ সন্মুখীন হব লগা হৈছে তাকে কওঁ শুনক ।

হেৰি ভাওৰীয়া চাওঁ অকন ৰবচান, মানে আপোনাৰ চুলিখিনি বেচ্ মজবুত হৈ আছে দেখিছোঁ । বোধকৰোঁ আপুনি চুলিত কিবা ভাল বস্তু ব্যৱহাৰ কৰে । হেৰি মো.কা কিবা এটা উপায় দিয়ক বুইছেনে, নহলে মোৰ মূৰত আৰু চুলিয়ে একেবাৰেই ষ্ট্ৰাইক কৰে যেন পাইছোঁ । মূৰত ফনি লগাবই নোৱাৰি । একেবাৰে বগৰি গহৰ পৰা বগৰি সংবাদি সৰিবলৈ আৰম্ভ কৰি দিয়ে । চুলিত যিহা কত কিযে তেল নথহিলোঁ, কিন্তু কতা অৱস্থা একেই । এতিয়া কি কৰো এটা উপায় দিয়ক বুইছেনে ? নহলে যে মই এই ডেকা বয়সতে তপা হওঁ । তপা হলে ……… ।

মোৰ কথা শুনি মানুহ জনে এটা ব্যঙ্গ হাঁহি মাৰি মোক প্ৰশ্ন কৰিলে, " বাৰু আপুনি মূৰত কি তেল ঘঁহে " ? তেলৰ ভিতৰত বহুত তেলেই ঘঁহিলো এই ধৰক, কেওপাৰ্পিন, বেৰাইল ক্ৰিম তিলতেল "বসন্ত মালতী" ! হেৰি বসন্ত মালতী গাতহে ঘঁহে । আপুনি চোন মূৰতেই ঘঁহি দিলে । এৰা সেইহে চুলিৰ এনে চেহেৰা । বাৰু শুনক ! মোৰ কথা মতে আপুনি চুলি খিনিৰ প্ৰতি চকু দিয়ক, তেতিয়া হলে চুলিখিনি ভালহৈ আহিব পাৰে । শুনক, প্ৰথমে নাপিতৰ হতুৱাই চুলিখিনি একেবাৰে খুৰাই পেলাওক, তাৰ পিছত পুৰা গধূলি উটিউৰ বীজৰে মূৰ ধোৱক, চুলি নৌ ওলোৱাৰ পৰাই খাটি সৰিয়হৰ তেল ঘঁহক আৰু ফনিৰে তেতিয়াৰ পৰাই মূৰআচুৰি যাওঁক । চুলি এক আঙুল মান দীঘল হোৱাৰে পৰা দিনে বিশ বাৰ মানকৈ আচুৰিবলৈ লওক । পাৰিলে আয়না ফনি পকেটত লৈ ফুৰাৰ অভ্যাস কৰক আৰু সময় পালেই আঁচোৰাত লাগি যাব ; তেতিয়া দেখিব আপোনাৰ চুলিৰ বাহাৰ ।

মানুহ জনৰ উপদেশ মতেই পিছদিনা মই মূৰৰ চুলি খুৰালো আৰু সদায় উটেঙাৰ বীজেৰে মূৰ ধোৱাত লাগিলোঁ। কিন্তু এতিয়া খাঁটি সৰিয়হৰ তেল পাওঁ কত। ওচৰত মানুহ এঘৰৰ পৰা এচলুমান ঘৰত পেৰা সৰিয়হ তেল খুজি আনিলোঁ, আৰু মূৰ ধোৱাৰ পাছত সদায় নিয়মিত ভাৱে ঘঁহাত লাগি গলো। ঘৰত সকলোৱে মোৰ কাণ্ড কাৰখানা দেখি আচৰিত। বিশেষকৈ চুলি নোহোৱা মূৰটো আঁচোৰা দেখি। লাহে লাহে কেঞ্চাৰৰ গজাদি মোৰ মূৰৰ চুলি বোৰ ভৰ ভৰাই গজি আহিবলৈ ধৰিলে। কিছুদিনৰ মূৰত আগৰ দৰে সেই লিংলিঙীয়া চুলি কেইডালে কাণমূৰ ঢাকি পেলালেহি। অৱশ্যে চুলি কেইডাল আগতকৈ কিছু কলা হল।

এতিয়া কথা হল চুলি কেই প্ৰকাৰ আৰু ইয়াৰ কাৰ্য্য কলাপ কেনেকুৱা। সেই টোহে আমাৰ আলোচ্য বিষয়। সাধাৰণতে মানুহৰ মূৰ বিলাকত বিভিন্ন ধৰণৰ চুলি দেখা যায়। যেনে:
১। কেকোৰা চুলি ( Curcing hair ) ২। ঠৰঙা চুলি, ৩। সৰল চুলি, ৪। বৰ্‌বটিৰ চুলি, ৫। জুল্‌ফি ( হিপ্পী ) চুলি, ৬। নকল চুলি ( Ealse hair )

এই চুলিখিনি বৰ্ণনা দিয়াৰ আগতেই মই আপোনালোকক এযাৰ কথা কওঁ। কথাষাৰ হল চুলিৰ বৰ্ণনাই খং উঠাব পাৰে। সেই খং যাতে মোৰ ওপৰত নোতোলে। কাৰণ মই জনা আৰু দেখা খিনিহে কম আৰু বি কম সচা খিনিহে কম।

প্ৰথমে কেকোৰা চুলিৰ কথাকেই কওঁ ৰাৰু এই বিধ চুলি বৰ কলা আৰু ঘন। ইয় ব বতাহ বৰষুণ আদি প্ৰাকৃতিক দুৰ্যোগে সহজে অন্যায় কৰিব নোৱাৰে। এই বিধ চুলি সাধাৰণতে মতা মানুহৰ মূৰতেই বেছি দেখা যায়। কোনো কোনো তিৰুতা মানুহৰ মূৰতো এই চুলিয়ে ঠাই পায় অৰ্থ দেই। তিৰুতা মানুহৰ মূৰত এই চুলি থাকিলে সেই গৰাকী তিৰোতা বৰ মাৰাত্মক হয় বুলি বুঢ়া লোকে কোৱা শুনা যায়। সাৱধান ভুলতো তেনেকুৱা তিৰুতাৰ পাল্লাত নপৰিব কিন্তু। কাৰণ জানেই নহয় আজিৰ নাৰী যুগৰ কথা। যি কি নহওক, এই বিধ চুলিৰ গৰাকী জন চকুত লগা হয়। অৱশ্যে সকলো নহবও পাৰে। এইটো ঠিক যে, এই চুলিৰ গৰাকীয়ে যিকোনো সময়তে মানুহৰ মন মুহিব পাৰে। বিশেষকৈ আমাৰ আইদেউ সকলৰ বেলিকা।

দ্বিতীয় বিধ চুলি আৰু মাৰাত্মক বুইছেনে কাৰণ এই চুলি যাৰ মূৰত থাকে তেওঁ বৰ 'দাইল বুলি' নিঃসন্দেহে কব পাৰি। এই বিধ চুলিৰগৰাকী হলে বৰ খঙাল আৰু উগ্ৰমূৰ্তিৰ হয়। যদি তেওঁৰ চকু ভিতৰলৈ সোমোৱা হয় তেতিয়া তেওঁ আৰু মাৰাত্মক হয়। বন্ধু সকল! সপোনতো এই শ্ৰেণীৰ চুলিৰ গৰাকীৰ ওচৰ নাচাপিব। সাধাৰণতে এই চুলি মতা মানুহৰ মূৰতহে দেখা যায়। এই বিধ চুলি গৰাকীৰ একে বাৰে অবাধ্য ইয়াক যিমানেই তেল টেঙাদি বশ কৰিবলৈ চেষ্টা নকৰক, দেখিব ই সদায় থিয় হৈয়েই আছে। সাধাৰণতে এই বিধ চুলি বৰ ঘন। এই

বিধ চুলি "ঠৰঙা চুলি" বুলি নামাকৰণ কৰা হৈছে।

